N. H. COLLEGE
PATACHARKUCHI
Estd. 1979

বাৰ্ষিক মুখপত্ৰ

# প্ৰাগ্‌জ্যোতি

উনত্ৰিংশতিতম্ সংখ্যা, ২০১৮-২০১৯ ইং বৰ্ষ



## নিৰ্মল হালৈ মহাবিদ্যালয়
পাটাছাৰকুছি


গীতাশ্ৰী গোস্বামী
তত্ত্বাৱধায়িকা

মিৰ্জানুৰ ৰহমান
সম্পাদক

# শ্ৰদ্ধাঞ্জলি



অটল বিহাৰী বাজপেয়ী
জন্ম ঃ ১৯২৪ খ্ৰীঃ
মৃত্যু ঃ ২০১৮ খ্ৰীঃ



চৈয়দা আনোৱাৰা তাইমূৰ
জন্ম ঃ ১৯৩৬ খ্ৰীঃ
মৃত্যু ঃ ২০২০ খ্ৰীঃ



তৰুণ গগৈ
জন্ম ঃ ১৯৩৬ খ্ৰীঃ
মৃত্যু ঃ ২০২০ খ্ৰীঃ



চেৰিফ উদ্দিন আহমদ
জন্ম ঃ ১৯৪২ খ্ৰীঃ
মৃত্যু ঃ ২০২০ খ্ৰীঃ



**ড° মনোজ কুমাৰ শৰ্মা**
জন্ম ঃ ১৯৬২ খ্ৰীঃ মৃত্যু ঃ ২০২০ খ্ৰীঃ

ড° মনোজ কুমাৰ শৰ্মা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক হিচাপে কৰ্মৰত অৱস্থাত যোৱা ২৯ চেপ্তেম্বৰ, ২০২০ ইং তাৰিখে ইহলীলা সম্বৰণ কৰে। শৰ্মাদেৱলৈ মহাবিদ্যালয় পৰিয়ালৰ পৰা শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

# প্ৰাগ্‌জ্যোতি

বাৰ্ষিক মুখপত্ৰ

## নিৰ্মল হালৈ মহাবিদ্যালয়

উনত্ৰিংশতিতম্ সংখ্যা
২০১৮-২০১৯ ইং বৰ্ষ
পাটাছাৰকুছি ঃ বৰপেটা ঃ অসম

NH COLLEGE PATACHARKUCHI

স্থাপিত ঃ ১৯৭৯ খ্ৰীষ্টাব্দ

প্ৰতি,

মাননীয়/মাননীয়া ..............................................

..............................................

গীতাশ্ৰী গোস্বামী
তত্বাৱধায়িকা

মিৰ্জানুৰ ৰহমান
সম্পাদক

PRAGJYOTI The Annual Mouth-Piece of Nirmal Haloi College, Patacharkuchi, 29th issue, Year 2018-2019, Published by Dr. Bhupesh Sarma, Principal, Nirmal Haloi College, Patacharkuchi & Edited by Mirzanur Rahman.

# প্ৰাগ্‌জ্যোতি

প্ৰকাশ কাল : ডিচেম্বৰ, ২০২০ খ্ৰীষ্টাব্দ
প্ৰকাশক : ড° ভূপেশ শৰ্মা, অধ্যক্ষ,
নিৰ্মল হালৈ মহাবিদ্যালয়, পাটাছাৰকুছি

## সম্পাদনা সমিতি

সভাপতি : ড° ভূপেশ শৰ্মা
তত্ত্বাৱধায়িকা : গীতাশ্ৰী গোস্বামী
সম্পাদক : মিৰ্জানুৰ ৰহমান
শিক্ষক সদস্য : ড° নৱনীতা কলিতা
নিৰ্মালি মহন্ত চৌধুৰী
ছাত্ৰ সদস্য : মৃদুল ৰাভা
অলকেশ ডেকা
বেটুপাত পৰিকল্পনা : তত্ত্বাৱধায়ক আৰু সম্পাদক
ফটো : অলকেশ ডেকা
পৰশমণি কলিতা
ছপা : ভায়োলিনা অফ্‌চেট প্ৰেছ, পাটাছাৰকুছি



### সম্পাদনা সমিতিৰ টোকা

আলোচনীত প্ৰকাশিত লিখনিসমূহ প্ৰয়োজনৰ তাগিদাত সম্পাদনা সমিতিয়ে আংশিক সাল-সলনি কৰিছে। কোনো লেখক-লেখিকাই যদি আনৰ লেখনি নকল কৰিছে বা আনৰ পৰা হুবহুভাৱে প্ৰকাশ কৰিছে, ই সম্পাদনা সমিতিৰ অলক্ষিতে কৰিছে, তাৰবাবে সম্পাদনা সমিতি দায়ী নহয়। আলোচনা আৰু মতামতো লিখকৰ নিজা।

### ক্ষমা-প্ৰাৰ্থনা

অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা-মাৰ্জনা বিচাৰিছোঁ।
- সম্পাদনা সমিতি

## সশ্ৰদ্ধ অৰ্পণ

যিসকল মহান ব্যক্তিয়ে ভৱিষ্যত প্ৰজন্মক
এখন জ্ঞানৰ আলোকময়ী সমাজ গঢ়াৰ সুযোগ দিয়াৰ অৰ্থে,
নিজৰ ত্যাগ-কষ্টক আওকাণ কৰি
এই পবিত্ৰ জ্ঞানালয়-
'নিৰ্মল হালৈ মহাবিদ্যালয়'খন স্থাপন কৰি
পৃথিৱীৰ পৰা চিৰ বিদায় লৈছে,
তেখেতসকলৰ আত্মালৈ
একাজঁলি শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।
সেই মহান ত্যাগী ব্যক্তিসকলৰ পবিত্ৰ স্মৃতিত
এই বৰ্ষৰ
"প্ৰাগ্‌জ্যোতি"খন অৰ্পণ কৰিছোঁ।

সম্পাদক, 'প্ৰাগ্‌জ্যোতি'

## কৃতজ্ঞতা স্বীকাৰ

**শিক্ষাগুৰু** - ড° ভূপেশ শৰ্মা (অধ্যক্ষ), ড° মণিকান্ত দাস, মাণিক চন্দ্ৰ দাস, গীতাশ্ৰী গোস্বামী (তত্ত্বাৱধায়িকা), ড° মনোজ কুমাৰ শৰ্মা, ড°নৱনীতা কলিতা, ৰুদ্ৰ কলিতা, নিৰ্মালি মহন্ত চৌধুৰী, ড° বিনীমা পাটগিৰি, কল্যাণী দেৱী, ড° পাপৰি নায়ক, হীৰকজ্যোতি উজীৰ, ৰাসল ৰয়, ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক।

**শুভেচ্ছাদাতা, লেখক-লেখিকা আৰু আন আন** - শুভেচ্ছাদাতা, লেখক-লেখিকা, মহৎলোকৰ বাণী, কুইজ আদিৰ সংগ্ৰাহক সকল।

**বন্ধু-বান্ধৱী** - গৌৰাঙ্গ গোস্বামী, হান্নান আলী, মামনি দাস, অলকেশ ডেকা, প্ৰকাশ বৰ্মণ, মৃদুল ৰাভা, লীজা গোস্বামী, ৰিম্‌লি দাস, বিশাল দাস, পিংকু দাস, কৰৱী শৰ্মা, প্ৰকাশ শৰ্মা, চম্পক মেধি, ত্ৰিদিপ চৌধুৰী, অশোক ডেকা, নিখিল ডেকা, ধ্ৰুৱজ্যোতি শৰ্মা, পৰশমণি কলিতা, পাৰবীণ চুলতানা, ডেইজী পাঠক, ডেইজী ডেকা।

**ছপাশাল** - ভায়োলিনা অফ্‌চেট প্ৰেছ, পাটাছাৰকুছি।

সম্পাদক, 'প্ৰাগ্‌জ্যোতি'


OFFICE OF THE GOVERNING BODY

**NIRMAL HALOI COLLEGE**

NAAC Accredited

*Affiliated to Gauhati University*

S. R. No.- 3561 of 1988/89

Patacharkuchi : Barpeta : Assam - 781326 Ph.: 03666-264650 (O)



N. K. Barman, M. Sc.
President,
Governing Body,
Nirmal Haloi College, Patacharkuchi




# Message

"It gives me immense pleasure to know that the N. H College, Patacharkuchi, is bringing out its next issue of the college magazine titled "Pragjyoti". I strongly believe that a magazine has great value and significance in moulding the academic life of an institution. It provides an opportunity for the teachers and the students for exchanging ideas and recording information towards the growth of the college."I convey my best wishes to the Principal, staff and students of the college for this remarkable venture.

*With best wishes*

(N. K. Barman)
President
Governing Body
Nirmal Haloi College

সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O.: Gauhati University, Guwahati - 781 014

দিনাংক ঃ ১৩/১১/২০২০ ইং

প্ৰসংগ ঃ



## শুভেচ্ছা বাণী

বৰপেটা জিলাৰ পাটাছাৰকুছিস্থিত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'প্ৰাগ্‌জ্যোতি' প্ৰকাশৰ যো-জা কৰা বুলি জানিবলৈ পাই আনন্দিত হ'লোঁ।

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ সুৰক্ষিত শৈক্ষিক ভৱিষ্যতৰ বাবে ভাল শিক্ষা, ভাল শিক্ষানুষ্ঠান আৰু উপযুক্ত সংস্থাপনৰ প্ৰয়োজন।

জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলো শ্ৰেণীৰ জনসাধাৰণক ঐক্যবদ্ধভাৱে আগবঢ়াই নিবলৈ অৰ্থনৈতিক আৰু সাংস্কৃতিক আন্দোলনৰ জৰিয়তে সময় উপযোগী পদক্ষেপ ল'বই লাগিব।

আলোচনী 'প্ৰাগ্‌জ্যোতি'ত ছাত্ৰ-ছাত্ৰী আৰু অভিজ্ঞ ব্যক্তিসকলৰ লিখনিৰ জৰিয়তে ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক আৰু জাতীয় জীৱনৰ সমস্যাৱলীৰ সমাধানৰ পথ প্ৰশস্ত হ'ব বুলি গভীৰ বিশ্বাস ৰাখিলোঁ।

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকলক শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জনালোঁ।

(ড° সমুজ্জ্বল ভট্টাচাৰ্য্য)
মুখ্য উপদেষ্টা, সদৌ অসম ছাত্ৰ সন্থা

জুবিন গাৰ্গ (লুইত কণ্ঠ, অসম)
ফোন- ০৮৮২২৩২২৫৯৬



## শুভেচ্ছা বাণী

নামনি অসমৰ বৰপেটা জিলাৰ বজালীৰ অন্তৰ্গত আগশাৰীৰ মহাবিদ্যালয় সমূহৰ ভিতৰত নিৰ্মল হালৈ মহাবিদ্যালয় শিক্ষাৰ অন্য এক আলোক মন্দিৰ। মহাবিদ্যালয়খনৰ চলিত বৰ্ষৰ আলোচনী সম্পাদকে বাৰ্ষিক আলোচনী 'প্ৰাগ্‌জ্যোতি'খন প্ৰকাশ কৰিবলৈ লোৱা বাবে মই আনন্দিত হৈছোঁ।

শিক্ষাৰ্থীসকলে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ জৰিয়তে নিজৰ সাহিত্য চৰ্চাৰ দিশটো সুউচ্চ কৰাৰ সুবিধা পায়। সেয়েহে প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে তোমালোকৰ অন্য প্ৰতিভাৰ লগতে নিজৰ বিবেক-বুদ্ধিৰে সাহিত্য চৰ্চাৰ ওপৰত গুৰুত্ব দিবা।

এখন সাহিত্য অধ্যয়নে তোমাৰ জীৱন সফল কৰিব পাৰে, গতিকে মনত ৰাখিবা তোমালোক দেশৰ ভৱিষ্যত আৰু তোমালোকৰ ভৱিষ্যত তোমালোকৰ শিক্ষা।

শেষত N. H. কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভকামনা থাকিল। সকলোৰে ভাল হওঁক। আগবাঢ়ি যোৱা।

মৰমেৰে...

12/11/19

(জুবিন গাৰ্গ)

১২-১১-২০১৯




ছেৰিফউদ্দিন আহমদ

পাটাছাৰকুছি, বৰপেটা (অসম)


## শুভেচ্ছা বাণী

মহাবিদ্যালয়খনৰ আলোচনীখনলৈ শুভেচ্ছাবাণী লিখিবলৈ লোৱাত মহাবিদ্যালয়খনৰ অতীতৰ কথাবোৰ মনলৈ আহিছে। ১৯৭৮ চনত 'প্ৰাগ্জ্যোতি' মহাবিদ্যালয় আছিল আমাৰ বাবে এক ভৱিষ্যতৰ সপোন। সেই চনৰেই ১২ অক্টোবৰত এখন ৰাজহুৱা সভাত এই মহাবিদ্যালয় স্থাপনৰ বাবে এক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সেই সভাতেই মহাবিদ্যালয় প্ৰস্তুতি সমিতি গঠন কৰা হয়। সেই সমিতিৰ যুটীয়া সম্পাদক সকলৰ ভিতৰত ময়ো আছিলোঁ।

মহাবিদ্যালয় প্ৰস্তুতি সমিতিৰ সদস্য ভুক্তিৰ পিছত ১৯৭৯ চনৰ ২৫ মাৰ্চ তাৰিখে পাটাছাৰকুছি বিদ্যাপীঠত এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হয়, সেই সভাতেই বৰ্তমানৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ নাম ৰখা হৈছিল 'প্ৰাগ্জ্যোতি'। আমি অতীতত দেখা সপোন বৰ্তমান নিৰ্মল হালৈ মহাবিদ্যালয়ৰ জৰিয়তে প্ৰস্ফুটিত হোৱা উপলব্ধি কৰিছোঁ। ভৱিষ্যতে এই মহাবিদ্যালয়ৰ আৰু উন্নতি হওঁক তাৰেই কামনা কৰি, মহাবিদ্যালয়ৰ সকলোলৈকে মোৰ আন্তৰিক শুভকামনা জনাই সামৰিছোঁ।

ছেৰিফউদ্দিন আহমদ

১২/১২/২০১৯ ইং





राष्ट्रीय मूल्यांकन एवं प्रत्यायन परिषद

विश्वविद्यालय अनुदान आयोग का स्वायत्त संस्थान

NATIONAL ASSESSMENT AND ACCREDITATION COUNCIL

*An Autonomous Institution of the University Grants Commission*

*Certificate of Accreditation*

*The Executive Committee of the National Assessment and Accreditation Council on the recommendation of the duly appointed Peer Team is pleased to declare the Nirmal Haloi College Patacharkuchi, Barpeta, affiliated to Gauhati University, Assam as Accredited with CGPA of 2.33 on seven point scale at B grade valid up to December 01, 2021*

*Director*

*Date : December 02, 2016*

EC(SC)/19/A&A/13.2




# Nirmal Haloi College at a glance

1. Establishment as 'Pragjyoti College' : 1979
2. Rename as 'Nirmal Haloi College' : 1988
3. Stream : Arts
4. Affiliating University : Gauhati University
5. Affiliation : 1988
6. Permanent affiliation : 2004
7. UGC Recognition under 2f & 12B : 2004
8. 1st accreditation by NAAC : 2004, Grade : $C^{++}$
9. 2nd accreditation by NAAC : 2016, Grade : B
10. Founder Principal : Krishna Kanta Goswami
11. Enrolment :

    1979 – 69 in Pre-University 1st year

    2020 – 1800 (including all classes & streams)
12. Commencement of Commerce Stream : 2017

    (For Degree Courses only)

(i) Affiliation by : Gauhati University

(ii) Year of affiliation : 2017

(iii) Enrolment : 85



# নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা (২০১৮-১৯)ৰ তত্ত্বাৱধায়কৰ দু-আষাৰ

জয় জয়তে মই নিৰ্মল হালৈ মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰিছোঁ। মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'প্ৰাগ্‌জ্যোতি' ২০১৮-১৯ ইং বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰাত চলিত ২০২০ ইং বৰ্ষৰ ক'ভিড-১৯ মহামাৰীয়ে বাৰুকৈয়ে প্ৰভাৱ পেলাইছে যদিও পলমকৈ হ'লেও আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ বাবে মই যথেষ্ট আনন্দিত হৈছোঁ। মহাবিদ্যালয়ৰ আলোচনীখন হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ দাপোণ স্বৰূপ। আলোচনীখনৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে নিজৰ প্ৰতিভা বিকাশ কৰাত সফলতা লাভ কৰিবলৈ সক্ষম হ'ব। আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ, সম্পাদনা সমিতি আৰু ছাত্ৰ একতা সভাই যি অৰিহণা যোগাইছে তাৰ বাবে মই তেখেত সকলক অশেষ ধন্যবাদ জনালোঁ। মহাবিদ্যালয়ৰ আলোচনীখনত প্ৰকাশিত প্ৰবন্ধ, গল্প, কবিতা আদি পঢ়ি ছাত্ৰ-ছাত্ৰী তথা পাঠক সমাজে উপকৃত হ'ব বুলি আশা কৰিলোঁ।

মণি কান্ত দাস

(ড° মণিকান্ত দাস)

তত্ত্বাৱধায়ক

ছাত্ৰ একতা সভা (২০১৮-২০১৯)

# আলোচনী বিভাগ (২০১৮-২০১৯)ৰ তত্ত্বাৱধায়কৰ দু-আষাৰ



ৰাইজৰ অকুণ্ঠ সহায়-সহযোগিতাৰে ১৯৭৯ চনত পাটাছাৰকুছিত গঢ় লৈ উঠে সেই সময়ৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান 'প্ৰাগ্‌জ্যোতি'। পৰৱৰ্তী সময়ত মহাবিদ্যালয়খনৰ নাম 'নিৰ্মল হালৈ মহাবিদ্যালয়' ৰখা হয়। নিৰ্মল হালৈ মহাবিদ্যালয়ৰ পৃষ্ঠাত 'প্ৰাগ্‌জ্যোতি'ক জীয়াই ৰখাৰ মানসিকতাৰে মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনৰ নাম 'প্ৰাগ্‌জ্যোতি' ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰি প্ৰতি বছৰে ন-ন ছাত্ৰ-ছাত্ৰীক ন-ন লিখনিৰে ইয়াক প্ৰকাশ কৰি অহা হৈছে।

'প্ৰাগ্‌জ্যোতি'ৰ এইটো ঊনত্ৰিংশতিতম, ২০১৮-১৯ ইং বৰ্ষ সংখ্যা। প্ৰতি বছৰৰ দৰে এইবছৰো ছাত্ৰ-ছাত্ৰীসকলৰ লগতে মহাবিদ্যালয়ৰ শিক্ষকসকলৰ তত্ত্বগধূৰ লিখনিৰ দ্বাৰা আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱা হৈছে। আশা কৰোঁ ছাত্ৰ-ছাত্ৰীসকলে আলোচনীখনৰ বিষয়বস্তুৰ পৰা যথেষ্ট জ্ঞান তথা শিক্ষা লাভ কৰিবলৈ সক্ষম হ'ব।

আলোচনী মহাবিদ্যালয়ৰ এক দাপোণ স্বৰূপ। ইয়াৰ জৰিয়তে নবীন লেখক-লেখিকাই নিজৰ লুকাই থকা প্ৰতিভা বিকাশ কৰাৰ সুবিধা পায়। ভাষা সংস্কৃতিৰ লগতে আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ অভিজ্ঞতা কল্পনাবোৰ মুক্ত, স্বতঃস্ফূৰ্ত আৰু সামাজিকভাৱে গ্ৰহণযোগ্য কৰি তেওঁলোকক সৃষ্টিশীল আৰু গঠনাত্মক পথেদি পৰিচালিত কৰাত সহায় কৰিব পাৰে। সেয়েহে আলোচনী হৈছে শিক্ষানুষ্ঠানসমূহৰ অবিচ্ছেদ্য অংশ বিশেষ।

২০২০ ইং বৰ্ষৰ ক'ভিড-১৯ মহামাৰীত বিশ্ব শংকিত। ইয়াৰ ভয়াবহতাৰ ছবিখন এতিয়াও দৃশ্যমান। সমাজৰ সকলো দিশ স্থবিৰ। লক্‌ডাউন লগতে বহু মাহ ধৰি চলি থকা কোৱাৰেণ্টাইন চেণ্টাৰৰ ফলত মহাবিদ্যালয়ৰ পৰিয়ালৰ সদস্য সকলৰ মাজৰ প্ৰত্যক্ষ যোগাযোগ বিচ্ছিন্ন আছিল। লেখাসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পাদকৰ হাতত আহি নপৰিল। সেয়েহে আলোচনীখনৰ কাম আগবঢ়াই নিয়াত অসুবিধাৰ সন্মুখীন হ'বলগা হয় আৰু সময়ত প্ৰকাশ কৰাত কিছু পলম হয়।

ক'ভিড-১৯ পিছত মহাবিদ্যালয়ৰ স্বাভাৱিক অৱস্থা কিছু পৰিমাণে ঘূৰি অহাত অধ্যক্ষ মহোদয়ৰ তৎপৰতা আৰু সম্পাদনা সমিতিৰ প্ৰচেষ্টাত বৰ্তমান আলোচনীখন প্ৰকাশৰ পথত। এইখিনিতে সম্পাদকৰ আশাসুধীয়া প্ৰচেষ্টাক প্ৰশংসা কৰিব লাগিব। লগতে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকলৰ নিঃস্বাৰ্থ সহযোগিতা আৰু নিজৰ বহুমূলীয়া সময় দি লেখা যোগান ধৰি আমাক সহায় কৰা লেখক-লেখিকালৈ যাচিছো কৃতজ্ঞতা। কৃতজ্ঞতা জ্ঞাপন কৰিছো আলোচনীখন ছপা কৰাৰ দায়িত্ব লোৱা পাটাছাৰকুছিস্থিত ভায়োলিনা অফ্‌চেট প্ৰেছৰ স্বত্বাধিকাৰী তথা কৰ্মীবৃন্দলৈ। আশা কৰিছোঁ আগন্তুক দিনত 'প্ৰাগ্‌জ্যোতি'য়ে ইয়াৰ মানদণ্ড অধিক বঢ়াই তুলিব আৰু সাহিত্য, ভাষা সংস্কৃতিৰ ধ্বজাবাহক হ'ব।

শেষত আমাৰ অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

গীতাশ্ৰী গোস্বামী

(গীতাশ্ৰী গোস্বামী)

তত্ত্বাৱধায়িকা

'প্ৰাগ্‌জ্যোতি' (২০১৮-২০১৯)

# সম্পাদকীয় কলম...



সময়ৰ চেৰেকত ঘূৰি ফুৰা ব্যস্ত পৃথিৱীখনত আমিবোৰ জীৱ শ্ৰেষ্ঠ। জীৱ শ্ৰেষ্ঠ প্ৰাণী হিচাপে আমি নিজকে যিমান গৌৰৱ কৰোঁ, আমি জানো সেই গৌৰৱৰ জখলাডাল জীৱশ্ৰেষ্ঠ মানুহ হিচাপে বগাব পাৰিছোঁ? মানুহ হিচাপে আমি কিমান সচেতন নিজকে জানো কেতিয়াবা প্ৰশ্ন কৰিছোঁ? প্ৰকৃতিৰ ওপৰত ইটোৰ পিছত সিটো অত্যাচাৰ আমি ধাৰাবাহিকভাৱে কৰি আছোঁ।

মানুহ হিচাপে আমি অন্য জীৱৰ প্ৰতিনো কিমান সৰল? এখন সেউজীয়া অসম! যিখন অসমৰ বনাঞ্চল সমূহত মুক্তভাৱে বিচৰণ কৰি ফুৰা আমাৰ সম্পদ এশিঙীয়া গড় আজি মানৱ সভ্যতাৰ বলি হৈ বিলুপ্তিৰ পথত। অৰ্থৰ লালসাত পৰি মানুহে নৰপিশাচ ৰূপলৈ হেৰুৱাই পেলাইছে স্বকীয়তা। ব্যস্ত পৃথিৱীখনত নিজকে ব্যস্ত কৰি নিজৰ পৰিয়ালটোৰ সুখৰ বাবে অন্য প্ৰাণীৰ জীৱন কাঢ়িবলৈ আমাক জানো ঈশ্বৰে অধিকাৰ দিছে! কেইটামান টকাৰ বাবে প্ৰকাণ্ড হাতী বধ কৰিবলৈ জানো আমি জীৱ শ্ৰেষ্ঠ??

হত্যা, ধৰ্ষণ, লুণ্ঠন, দুৰ্নীতি এইবোৰটো মানুহৰ মৌলিক কাৰ্যৰ দৰে হৈ পৰিল। চাৰিওফালে কেৱল ধৰ্ষণ, হত্যা, দুৰ্নীতি আৰু লুণ্ঠন। সভ্য সমাজত সভ্যতাৰ ভাও ধৰি অসভ্য মনটো লৈ ইফালে-সিফালে সুবিধা বিচাৰি ঘূৰি ফুৰাৰ পিছত ক'ত যায় নিজকে মানুহ বুলি, শিক্ষিত বুলি, দম্ভালি মৰা সেই মনৰ ভাৱনাবোৰ?

দুৰ্নীতিৰ বিষয়ে মোৰ বিশেষ কব লগা নাই সকলোৱে দেখিছেই। তেনেবোৰ ক'লা দুৰ্নীতি কৰা সমাজৰ সমাজসেৱক, শিক্ষিত স্বনামধন্য ব্যক্তিসকলক মই অনুৰোধ জনাইছোঁ মনটোক অলপ সলনি কৰক। ডিঙিত গামোচা লৈ দিনটো সমাজ সেৱা কৰাৰ অভিনয়েৰে জনতাক লুণ্ঠন কৰা মনটোক এবাৰ সলনি কৰি চাওকচোন দেশ সলনি হ'ব, পৃথিৱী সলনি হ'ব। ৰাজনৈতিক মুনাফাৰ বাবে ধৰ্মটোক মুখ্য বিষয় হিচাপে নলৈ নিজৰ লগতে দেশখনক সলনি কৰাৰ প্ৰত্যাহ্বানেৰে আমি আগবাঢ়োচোন অন্য এক ধৰাৰ জন্ম হ'ব। হত্যা কৰি প্ৰতিশোধ লোৱাতকৈ বুদ্ধি আৰু যুক্তিৰে আগবাঢ়কচোন বন্ধুত্বৰ এনাজৰীডাল কটকটীয়া হ'ব।

অৱশ্যে ইয়াৰ মাজতো নিজৰ দেশৰখনৰ প্ৰতি, নিজৰ সমাজখনৰ প্ৰতি, ভৱিষ্যত প্ৰজন্মৰ প্ৰতি চিন্তা কৰা ব্যক্তি সমাজত হেৰাই যোৱা নাই। দিন-ৰাতি একাকাৰ কৰি সমাজখনক সুউচ্চ কৰি সজাই তুলিবলৈ এচাম মহান ব্যক্তিয়ে নিজৰ কষ্টক বলিদান দিছে। সেই সকল মহান ব্যক্তিক আমি সদায়ে প্ৰণাম জনাওঁ। যাৰ বাবে আমাৰ দৰে কেতবোৰ পৰিয়াল সমাজত সুখেৰে এসাজ অন্ন সিজাই খাব পাইছে। ঈশ্বৰক ধন্যবাদ! তেনেবোৰ ব্যক্তি অনেক পৃথিৱীত জন্ম দিয়ক।

শেষত মহাবিদ্যালয়ৰ প্ৰতিগৰাকী শিক্ষাগুৰুক ধন্যবাদ জনাইছোঁ। মহাবিদ্যালয়ত কৰি অহা ভুলবোৰৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ ওচৰত কৰযোৰে মিনতি জনাইছোঁ যিসকলৰ সহযোগিতা অবিহনে মই আলোচনীখন প্ৰকাশ কৰিব নোৱাৰিলোহেঁতেন! আলোচনীখন প্ৰকাশ কৰাত কিছু দেৰি হোৱাৰ বাবে মই সকলৰে ওচৰত ক্ষমা বিচাৰিছোঁ আৰু যিসকলে নিজৰ বহুমূলীয়া সময়খিনি উলিয়াই নিজৰ অমূল্য লিখনি আলোচনীখনলৈ বুলি আগবঢ়াই মোক সহায় কৰিলে তেওঁলোকক ধন্যবাদ জনালোঁ। শেষত লিখনিৰ মাজত অজানিতে ৰৈ যোৱা ভুলবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মই ২০১৮-১৯ ইং বৰ্ষৰ আমাৰ বাৰ্ষিক মুখপত্ৰ 'প্ৰাগ্‌জ্যোতি'খন সমূহ NHCIAN ৰ হাতত অৰ্পণ কৰিলোঁ।

(মিৰ্জানুৰ ৰহমান)
সম্পাদক, 'প্ৰাগ্‌জ্যোতি'
২০১৮-১৯ ইং বৰ্ষ




কৰ্মৰত মুহূৰ্তত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেশ শৰ্মা

## 'প্ৰাগ্‌জ্যোতি' সম্পাদনা সমিতি



ড° ভূপেশ শৰ্মা
সভাপতি



গীতাশ্ৰী গোস্বামী
তত্ত্বাৱধায়িকা



ড° নৱনীতা কলিতা
শিক্ষক সদস্যা



নিৰ্মালি মহন্ত চৌধুৰী
শিক্ষক সদস্যা



মিৰ্জানুৰ ৰহমান
সম্পাদক



মৃদুল ৰাভা
ছাত্ৰ সদস্য



অলকেশ ডেকা
ছাত্ৰ সদস্য

## ছাত্ৰ একতা সভা ঃ ২০১৮-১৯


ড° মণিকান্ত দাস
তত্বাৱধায়ক
ছাত্ৰ একতা সভা


গীতাশ্ৰী গোস্বামী
তত্বাৱধায়িকা
আলোচনী বিভাগ


ৰুদ্ৰ কলিতা
তত্বাৱধায়ক
সাংস্কৃতিক বিভাগ


ড° কমল ঠাকুৰীয়া
তত্বাৱধায়ক
গুৰু খেল বিভাগ


ড° তপন কাকতি
তত্বাৱধায়ক
সমাজ সেৱা বিভাগ


সদানন্দ দাস
তত্বাৱধায়ক
তৰ্ক বিভাগ


ড° অনিল চন্দ্ৰ মজুমদাৰ
তত্বাৱধায়ক
ছাত্ৰ জিৰণী কোঠা


ড° বিনিমা পাটগিৰি
তত্বাৱধায়িকা
ছাত্ৰী জিৰণী কোঠা


গৌৰাঙ্গ গোস্বামী
সভাপতি


হান্নান আলী
সাধাৰণ সম্পাদক


মামনি দাস
সহঃ সাধাৰণ সম্পাদিকা


মিৰ্জানুৰ ৰহমান
সম্পাদক
আলোচনী বিভাগ


প্ৰকাশ বৰ্মণ
সম্পাদক
সাংস্কৃতিক বিভাগ


অলকেশ ডেকা
সম্পাদক
গুৰু খেল বিভাগ


তপন ৰয়
সম্পাদক
সমাজ সেৱা বিভাগ


লিজা গোস্বামী
সম্পাদিকা
তৰ্ক বিভাগ


মৃদুল ৰাভা
সম্পাদক
ছাত্ৰ জিৰণী কোঠা


বিম্‌লি দাস
সম্পাদিকা
ছাত্ৰী জিৰণী কোঠা

## অনুক্ৰমণিকা


### প্ৰবন্ধ শিতান

- চৈয়দ আব্দুল মালিকৰ চুটিগল্প 'দুখন ভৰি'ৰ এটি বিশ্লেষণ—
  ড° নৱনীতা কলিতা ১
- বৈদিক যুগৰ ভাৰতীয় শিক্ষা পদ্ধতি—
  ড° বিনিমা পাটগিৰি ৩
- বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্য সংস্কৃতি ঃ অসমীয়া সংস্কৃতিত ইয়াৰ প্ৰভাৱ—
  অনুস্মিতা কলিতা ৬
- সাম্প্ৰতিক কালত অনলাইন শিক্ষাৰ প্ৰয়োজনীয়তা—
  সঞ্জীত দাস ৮
- সংস্কৃত ঃ স্বাভিমান—
  প্ৰকাশ বৰ্মণ ৯
- বিৰোধিতা ঃ বিশ্বাস আৰু কু-ৰীতিৰ—
  লিজা গোস্বামী ১১
- মহৎ লোকৰ জীৱনৰ দুখ-কষ্ট—
  ত্ৰিদীপ চৌধুৰী ১৩
- অসমীয়া ছাত্ৰী, কিছু অনুভৱ, কিছু কথা....—
  প্ৰিয়ংকা দাস ১৫

### গল্প শিতান

- এটি প্ৰাৰ্থনাৰ মৃত্যু—
  ডেইজী পাঠক ১৯
- ৰহস্য—
  মিৰ্জানুৰ ৰহমান ২৩
- অনামী বন্ধু—
  অলকেশ ডেকা ২৫
- সন্ত্ৰাসবাদ ঃ এক ধুমুহা—
  নিকুমণি কলিতা ২৯
- এনেকৈয়ে ভাগেনে সপোন—
  স্মৃতিলেখা দাস ৩০
- হঠাৎ এজাক ধুমুহা—
  পিনাকী বৰ্মণ ৩৩
- আধৰুৱা সপোন—
  জুনমণি দাস ৩৪
- অপেক্ষা—
  লভিতা শৰ্মা ৩৬
- শেষ বিদায়—
  কল্যাণী দেৱী ৩৭

### নীলা খামৰ চিঠি শিতান

- দিপিকা শৰ্মা ৪৩
- কাকলি দাস ৪৪
- প্ৰিয়াংশু গোস্বামী ৪৫
- কৰবী শৰ্মা ৪৬
- নীলাক্ষী শৰ্মা ৪৭
- নিংকু দাস ৪৮
- ৰিজুমণি দাস ৪৯
- ৰিম্‌লি দাস ৫০

### কবিতা শিতান

- অনুযংগতাৰ নীতি— গীতাশ্ৰী গোস্বামী ৫৩
- মুক্তি— ড° পাপৰি নায়ক ৫৪
- দেউতা— দ্বীপ কলিতা ৫৪
- বিষণ্ণতা— কৰবী শৰ্মা ৫৫
- ভালপোৱা কি ৰহস্যময়ী— মানৱ মেধি ৫৫
- হে প্ৰকৃতি— নিশা শৰ্মা ৫৬
- বৰ্ণালী— মানসজ্যোতি দাস ৫৬
- বিষ্ণুৰাভাৰ বৈপ্লৱিক সত্বা— নিকুমণি কলিতা ৫৭
- অভিনেতা তুমি— কবিতা দাস ৫৭
- জয় আই অসম— হান্নান আলী ৫৮
- আভিজাত্য— প্ৰিয়াংশু গোস্বামী ৫৮
- প্ৰতিচ্ছবি— ৰীমা নাথ ৫৯
- উতলা ফাগুন— শুভম দাস ৫৯
- জন্মদিন— ডেইজী পাঠক ৬০
- সৃষ্টি— প্ৰকাশ বৰ্মণ ৬০
- মোৰ মিছলীয়া মনৰ দুখৰ অনুভূতি— মিৰ্জানুৰ ৰহমান ৬১
- অসমীয়া নহয় উন্মাদ হত্যাকাৰী— ত্ৰিদীপ চৌধুৰী ৬২
- প্ৰেমৰ শলিতা— ছায়াশ্ৰী নাথ ৬২
- তুমি শিল্পী— পৰশমণি কলিতা ৬৩

- তুমি অবিহনে— স্মৃতিলেখা দাস ৬৪
- জীৱন— নমিতা দেৱী ৬৪
- ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ সৈতে সাক্ষাৎকাৰ— ৬৫


**ENGLISH SECTION**


- Language and Meaning– Dr. Bhupesh Sarma ৭১
- Translation of Lakshminath Bezbaruah's short story "Bapiram"– Dr. Anup Kr. Sarma ৭৪
- Feminism in Anita Desai's Novel "Fasting Feasting"– N. M. Choudhury ৭৯
- Indian Democracy Problems and Prospect– Kalyani Devi ৮২
- Current scenario of hire Purchase system– Simang Rani Muchahary, Sangita Swargiary, Gwjwn Ramchiary, Dipika Singh, Ashim Swargiary ৮৬
- Silence– Mridul Rabha ৮৭
- Wake up– Mridul Rabha ৮৭


**ভিতৰ চ'ৰা**


- College Teaching & Non-Teaching Staff ৯১
- Student securing 1st Class or Equivalent CGPA in TDC Final Examination (Last Two Years) ৯৩
- ১৯৮৮ চনৰ পৰা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক আৰু সাধাৰণ সম্পাদকৰ নামৰ তালিকা— ৯৫
- ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদন— ৯৬
- ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন— ৯৭
- ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন— ৯৯
- আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১০০
- সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১০২
- তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন— ১০৪
- গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১০৫
- ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ১০৬
- ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন— ১০৭
- ২০১৮-১৯ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহৰ ফলাফল— ১০৮-১১২




# প্ৰবন্ধ শিতান

# চৈয়দ আব্দুল মালিকৰ চুটিগল্প 'দুখন ভৰি'ৰ এটি বিশ্লেষণ



**ড° নৱনীতা কলিতা**
সহকাৰী অধ্যাপিকা

আৱাহন কাকতৰ পাততেই গল্পকাৰৰূপে আত্মপ্ৰতিষ্ঠা লাভ কৰা চৈয়দ আব্দুল মালিক অসমীয়া চুটিগল্প সাহিত্যৰ অদ্বিতীয় গল্প লেখক। ১৯৩৫ চনত 'জেউতী' আলোচনীত 'বন্ধ কোঠা' নামৰ গল্পৰে আত্মপ্ৰকাশ কৰা এইজন গল্পকাৰে ছটা দশক ধৰি আৱাহন যুগ আৰু ৰামধেনু যুগ- দুয়োটা যুগৰেই সৰ্বাধিক গল্প ৰচনা কৰি অসমীয়া চুটিগল্প সাহিত্যত 'গল্প সম্ৰাট' আখ্যা পোৱাৰ যোগ্য ৰূপে বিবেচিত হৈছে। পৰশমণি (১৯৪৬), ৰঙাগৰা (১৯৫৩), মৰহা পাপৰি (১৯৬৯), এজনী ছোৱালী (১৯৫১), শিখৰে শিখৰে, মৰম মৰম লাগে, অস্থায়ী আৰু অন্তৰা (১৯৬৫), ছয় নং প্ৰশ্নৰ উত্তৰ (১৯৬৮), হাঁহি আৰু চকুলো (নতুন সংস্কৰণ, ২০১১), বহুত বেদনা এটোপা চকুলো (১৯৬৬), বীভৎস্য বেদনা (১৯৭৮), অন্ধকূপ (১৯৭৭), শিল আৰু শিখা (১৯৬৯), আদি হৈছে এখেতৰ অন্যতম গল্প সংকলন। ঔপন্যাসিক ৰূপেও অবিস্মৰণীয় চৈয়দ আব্দুল মালিকৰ অন্যতম উপন্যাস কেইখনমান হৈছে— অমৰ মায়া, অঘৰী আত্মাৰ কাহিনী, আধাৰ শিলা, ওমলা ঘৰৰ ধূলি, জীয়া জুৰিৰ ঘাট, বনজুই, বিহ মেটেকাৰ ফুল, প্ৰাচীৰ আৰু প্ৰান্তৰ, ৰজনীগন্ধাৰ চকুলো আদি।

ভাষাৰ সাৱলীলতা, বৰ্ণনাভংগীৰ মাধুৰ্য, কল্পনা শক্তিৰ তীব্ৰতা, অনুভূতিৰ সূক্ষ্মতা, উপমা, বক্ৰোক্তি আৰু ব্যঞ্জনাধৰ্মী পৰিস্থিতি নিৰ্মাণ আদি বিশেষত্বৰ বাবে চৈয়দ আব্দুল মালিকৰ গল্প কাব্যিক গুণধৰ্মী হৈ পৰিছে।[১]

'দুখন ভৰি' মালিকৰ এটি অন্যতম গুৰুত্বপূৰ্ণ চুটিগল্প। গল্পকাৰৰ বৰ্ণনাশৈলীৰ চমৎকাৰিত্বৰে পুষ্ট এই গল্পটি গভীৰ মানৱীয় প্ৰেমেৰে সিক্ত এটি সাৰ্থক চুটিগল্পৰ শাৰীলৈ উন্নীত হৈছে। আৰম্ভণিতে এগৰাকী গাভৰুৰ সুন্দৰ ভৰি দুখনৰ উল্লেখেৰে ৰোমাণ্টিক ভাবাবেগযুক্ত প্ৰেমৰ উন্মেষ ঘটিলেও পাছলৈ গল্পকাৰৰ নিঃকিন মানুহৰ প্ৰতি থকা সহানুভূতিশীল মনটোৰ বাবেই এই প্ৰেম মানৱীয় প্ৰেমলৈ উন্নীত হৈছে।

গল্পটোৰ কাহিনীভাগলৈ মন কৰিলে দেখা যায় যে ৰায়বাহাদুৰ ব্ৰজেন ফুকনৰ ডাঙৰ জোঁৱায়েকে আমেৰিকাৰ পৰা বিশেষ শিক্ষা লৈ আহি পোৱাৰ উপলক্ষত আয়োজিত প্ৰীতি সন্মিয়াত গীত পৰিৱেশন কৰা ৰায়বাহাদুৰৰ চতুৰ্থ কন্যা অমলাক দেখি ডেকা উকীল সত্যেন তাইৰ প্ৰতি আকৰ্ষিত হৈছে। শ্বিলঙৰ লেডীকীণৰ পৰা বি.এ. পাছ কৰা অমলা অত্যন্ত সুন্দৰী। গল্পকাৰৰ ভাষাত ঃ

> "আৰু স্বীকাৰ কৰিছোঁ অমলা বৰ ৰূপহী ছোৱালী,
> অমলাৰ মুখলৈ এবাৰ চালে চকু তললৈ নমাই
> ভৰিলৈ নোচোৱাকৈ তিনি ঘণ্টা থাকিব পাৰি।[২]

কিন্তু অমলাৰ সুন্দৰ শৰীৰৰ শোভা বঢ়োৱা ভৰি দুখনেহে সত্যেনক অধিক আকৰ্ষিত কৰিছে। সেই ভৰি দুখনৰ সৌন্দৰ্যই সত্যেনৰ মনত মাদকতা সানি থৈ গ'ল আৰু তেওঁ অমলাক বিয়া কৰাবলৈ আগ্ৰহী হৈ পৰিল। ৰায় বাহাদুৰ ব্ৰজেন ফুকনৰো সত্যেনক পছন্দ। গতিকে দুয়ো পক্ষৰ সন্মতি সাপেক্ষে বিয়াৰ কথাটোও আগবাঢ়িল। অত্যন্ত তীক্ষ্ণ বুদ্ধিৰ আৰু মেধাবী সত্যেনে অলপ দিনৰ ভিতৰত ওকালতিত ভাল নাম কৰিছে। ৰাজনীতিৰ জ্ঞানসম্পন্ন আৰু চিন্তাবিদ সত্যেনৰ মতে ভাৰতবৰ্ষত প্ৰকৃততে সমাজবাদ প্ৰতিষ্ঠা হোৱা নাই। ইয়াত দেশী উৎপাদকসকলে স্বদেশী

উৎপাদনৰ নামত নিজৰ টকা আৰু ৰাইজৰ টকা খটুৱাই উৎপাদন কৰিছে। লাভ উৎপাদকৰ ব্যক্তিগত পুঁজিলৈহে গৈছে, ৰাইজলৈ অহা নাই। সেয়ে এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত ইয়াত সমাজবাদ প্ৰতিষ্ঠা হ'ব নোৱাৰে। এনেধৰণৰ চিন্তাচৰ্চাৰে আবৃত উকীল সত্যেনৰ মন। কিন্তু বিয়াৰ আঙুঠি পিন্ধাবলৈ দুদিনমান থকা অৱস্থাতেই এদিন এজন বুঢ়া সত্যাগ্ৰহীয়ে সত্যেন উকীলক লগ কৰিবলৈ আহিছে— দেশৰ বাবে জেল খোৱা মানুহক চৰকাৰে যে পইচা দিয়ে সেই কামটোৰ বাবে অলপ লাগি ভাগি দিবলৈ; কিয়নো সেই সত্যাগ্ৰহীজনে প্ৰথমবাৰ অসহযোগ আন্দোলনত ছমাহ ফাটেক খাইছিল আৰু পিছত ত্ৰিশ চনতো এবছৰ ফাটেক খাইছিল। লগতে তেওঁৰ কথাৰ পৰা গম পোৱা গ'ল যে স্বাধীনতা আন্দোলনৰ সময়ত কছাৰী ঘৰৰ গেটত পিকেটিং কৰি থাকোতে তেতিয়াৰ ডেকা হাকিম ব্ৰজেন ফুকনে সেই সত্যাগ্ৰহী জনৰ গাৰ ওপৰত ভৰি থৈ সেইদিনা চাকৰি কৰিবলৈ গৈছিল। তেওঁৰ হাজাৰ অনুৰোধকো উপেক্ষা কৰি সেইদিনা ফুকনে তেওঁক ভৰিৰে গোৰ মাৰি তেওঁৰ গাৰ ওপৰেদি ব্ৰিটিছৰ গোলামী কৰিবলৈ যোৱাৰ দিনা আৰু অন্য কোনো চাকৰিয়াল কাছাৰীলৈ সোমোৱা নাছিল। বৃদ্ধ সত্যাগ্ৰহীৰ এই কথাই সত্যেনৰ মনৰ পৰিবৰ্তন ঘটালে আৰু তেওঁৰ অন্তৰৰ সমাজবাদী তথা সংস্কাৰকামী আদৰ্শৰ বাবেই অমলাৰ সৈতে ঠিক হৈ থকা বিয়াখনৰ ক্ষেত্ৰত সিদ্ধান্ত লৈ পেলালে— "এই বিয়া নহ'ব।"[৩]

দৰাচলতে ৰায়বাহাদুৰে সেই বৃদ্ধ সত্যাগ্ৰহীজনৰ লগত কৰা মানৱীয়তাৰ এই চূড়ান্ত অবমাননাত সত্যেনৰ অন্তৰ ক্ষুন্ন হৈ পৰিছে আৰু সেইবাবেই তেওঁ অমলাৰ স'তে হ'বলগীয়া বিয়াখন নাকচ কৰিছে। কিয়নো, ৰায়বাহাদুৰৰ যি দুখন ভৰিয়ে এজন দেশপ্ৰেমিক সত্যাগ্ৰহীৰ বুকুত গুৰিয়াই ব্ৰিটিছৰ গোলামী কৰিবলৈ যাব পাৰে সেইজন মানৱতা শূন্য মানুহৰ সেই দুখন ভৰি 'শহুৰৰ ভৰি' বুলি প্ৰণাম কৰিবলৈ সত্যেন কোনোপধ্যেই প্ৰস্তুত নহয়। অৰ্থাৎ সুন্দৰী অমলাৰ ভৰি দুখনৰ সৌন্দৰ্যত অভিভূত হৈয়েই তাইক বিয়া কৰাবলৈ সত্যেন আগবাঢ়ি আহিছিল যদিও তাইৰ বাপেক ৰায়বাহাদুৰৰ ভৰি দুখনৰ কদাকাৰ ৰূপ (যিয়ে ভৰিৰে এজন সত্যাগ্ৰহীক বুকুত গুৰিয়াই ব্ৰিটিছৰ গোলামী কৰিবলৈ যাব পাৰে)ৰ অধিকাৰীক সত্যেনে কেতিয়াও নিজৰ শহুৰ বুলি সেৱা কৰিব নোৱাৰে। গতিকে পিতৃ ৰায়বাহাদুৰৰ হৃদয়হীনতাৰ বাবেই তেওঁৰ সুন্দৰী কন্যা অমলাও উপেক্ষিত হ'ল সত্যেনৰ দ্বাৰা।

এনেদৰে গল্পটিৰ কাহিনী ভাগ বিশ্লেষণ কৰি চালে দেখা যায় যে গল্পটিৰ নামকৰণ নিঃসন্দেহে তাৎপৰ্যপূৰ্ণ হৈছে। দুখন সুন্দৰ ভৰিক আশ্ৰয় কৰিয়েই গল্পটোৰ কাহিনীভাগ আগবাঢ়ি গৈছে আৰু অন্য দুখন কদাকাৰ ৰূপৰ ভৰি দুখনক কেন্দ্ৰ কৰিয়েই গল্পটিৰ সামৰণি পৰিছে। আনহাতে, চুটিগল্পৰ কলা-কৌশলৰ ফালৰ পৰাও গল্পটো সাৰ্থক গল্পৰূপে বিবেচিত হৈছে। গল্পটিত আৰম্ভণিৰ আকস্মিকতা ৰক্ষিত হৈছে এইদৰে—

"বগা ধুনীয়া দুখন ভৰি
কোমল আৰু মিহি।
কিবা ৰকমে পাটৰ মেখেলাখন উজাৰ খাই থকাৰ
কাৰণে কলাফুললৈকে দুয়োখন ভৰি ওলাই
আছিল। ৰঙা ভেলভেটৰ চেণ্ডেলযোৰে পূৰঠ
ভৰি দুখন আৰু ধুনীয়া কৰি তুলিছিল।"[৪]

আৰম্ভণিতে দুখন সুন্দৰ ভৰিৰ এনে আকস্মিক বৰ্ণনাই নিঃসন্দেহে পঢ়ুৱৈৰ মনত কৌতুহলৰ সৃষ্টি কৰিব পাৰিছে। আনহাতে চুটিগল্পৰ এটি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য সামৰণিৰ নাটকীয়তাও গল্পটিত প্ৰতিফলিত হৈছে। গল্পটোৰ শেষত ৰায়বাহাদুৰৰ মানৱীয়তাশূন্য মানুহৰ কদাকাৰ ভৰি দুখনক শহুৰৰ ভৰি বুলি সেৱা কৰিবলৈ তেওঁ মুঠেই প্ৰস্তুত নহয়। সত্যেন উকীলৰ মনৰ এনে সিদ্ধান্তই সামৰণিত এক নাটকীয়তাৰ সৃষ্টি কৰিব পাৰিছে। আকৌ চুটিগল্পৰ অন্য এটি বৈশিষ্ট্য লক্ষ্য আৰু ফলশ্ৰুতিৰ একমুখী গতিও গল্পটিত সাৰ্থকভাৱে প্ৰকাশিত হৈছে। দুখন ভৰিৰ প্ৰসংগৰে গল্পটো আৰম্ভ কৰি গল্পকাৰে পঢ়ুৱৈৰ মনত উৎকণ্ঠা বজাই ৰাখি লক্ষ্যবস্তু অভিমুখে আগবাঢ়ি ফলশ্ৰুতিত পুনৰ দুখন ভৰিৰ প্ৰসংগৰে গল্পটোৰ সামৰণি মাৰিছে। তদুপৰি গল্পটোৰ মাজে মাজে গল্পকাৰে প্ৰয়োগ কৰা ব্যঞ্জনাধৰ্মী ভাষাইও গল্পটিত এক বিশিষ্ট সৌন্দৰ্য প্ৰদান কৰিছে। উদাহৰণ স্বৰূপে অমলা আৰু সত্যেন উকীলৰ বিয়াৰ কথা আগবঢ়াৰ প্ৰসংগত গল্পকাৰে উল্লেখ কৰিছে—

"মই বাট কাটি দিলোঁ। ৰায়বাহাদুৰ পুৰণি
জালোৱাই; জাল জুলুকি ক'ত কেনেকৈ মাৰিব
লাগে ভালকৈ জানে।"[৫]

এনেধৰণে বিশ্লেষণ কৰিলে দেখা যায় যে নামকৰণৰ সাৰ্থকতা, আৰম্ভণিৰ আকস্মিকতা, সামৰণিৰ নাটকীয়তা, লক্ষ্য আৰু ফলশ্ৰুতিৰ একমুখী গতি লগতে ব্যঞ্জনাধৰ্মী ভাষাৰ প্ৰয়োগ আদি বিভিন্ন দিশৰ ফালৰ পৰা চৈয়দ আব্দুল মালিকৰ 'দুখন ভৰি' এটি সাৰ্থক চুটিগল্প। ■

পাদটীকা ঃ

১। প্ৰ াদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, বনলতা, প্ৰথম প্ৰকাশ, ১৯৯৫, পৃ- ২২২
২। লীলাৱতী শইকীয়া বৰা (সম্পা.), অসমীয়া চুটিগল্পৰ প্ৰৱাহ বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, দ্বিতীয় সংস্কৰণ, ২০০৭, পৃ- ১৮
৩। প্ৰাগুক্ত গ্ৰন্থ পৃ- ১০১ ৪। প্ৰাগুক্ত গ্ৰন্থ পৃ- ৯৫ ৫। প্ৰাগুক্ত গ্ৰন্থ পৃ- ৯৮



# বৈদিক যুগৰ ভাৰতীয় শিক্ষা পদ্ধতি





ড° বিনিমা পাটগিৰি
অধ্যাপিকা, সংস্কৃত বিভাগ

প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থা বুলি ক'লে হিন্দু তথা বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ কথাই ক'ব লাগিব। বেদেই হ'ল বৈদিক শিক্ষাৰ মূল ভেটি। বৈদিক শিক্ষা ব্যৱস্থাত আধ্যাত্মিক আৰু ধৰ্মীয় দিশৰ উৎকৰ্ষ সাধনত বিশেষ গুৰুত্ব দিয়া হৈছিল। শিক্ষাই আমাক অজ্ঞান আন্ধাৰৰ পৰা পোহৰলৈ নিব পাৰে অৰ্থাৎ মুক্তি দিব পাৰে। জীৱাত্মাক মুক্ত কৰি দিব্যজ্যোতি স্বৰূপ পৰমাত্মা বা ভগৱানত বিলীন হোৱাৰ পথ দেখুৱাই দিয়াটোৱে আছিল বৈদিক যুগৰ শিক্ষাৰ মূল লক্ষ্য।

ছাত্ৰৰ উপনয়নৰ পাছতেই গুৰুগৃহলৈ শিক্ষা লাভৰ অৰ্থে গমন কৰিছিল আৰু উপনয়নৰ বাবে ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই তিনিটা উচ্চ বৰ্ণহে যোগ্য আছিল। উপনয়নক আধ্যাত্মিক জন্ম আখ্যা দিছিল আৰু সেয়ে তেওঁলোকক 'দ্বিজ' আখ্যা দিছিল। দ্বিজত্ব লাভ কৰা সম্পৰ্কে শতপথ ব্ৰাহ্মণত উল্লেখ আছে যে- "গুৰুৱে শিষ্যক অপাৰ্থিৱ, ঐশ্বিক শক্তি প্ৰদান কৰে, শিষ্যৰ শিৰত সোঁহাতখন স্থাপন কৰে আৰু তিনি নিশাৰ ভিতৰতেই গুৰুৰ বীজ অংকুৰিত হয় আৰু শিষ্যই সাবিত্ৰী-দীক্ষা লাভ কৰি প্ৰকৃত ব্ৰাহ্মণত্ব প্ৰাপ্ত হয়। শিষ্য যেন গুৰুৰ মুখৰ পৰা জন্ম পোৱা এটি স্বৰ্গীয় জীৱ।"

আনহাতে শিষ্যইও আনুষ্ঠানিকভাৱে ক'ব লাগিব যে- "মোক ব্ৰহ্মচৰ্য ব্ৰত পালন কৰিবলৈ দিয়া, মোক ব্ৰহ্মচাৰী হ'বলৈ দিয়া।" আৰু ইয়াৰ পাছতহে শিষ্যক অৰ্থাৎ ছাত্ৰক বেদ অধ্যয়ন কৰিবলৈ অনুমতি দিছিল।

ছাত্ৰ জীৱনৰ নীতি-নিয়ম আৰু কৰ্তব্যৰ কথা বিশেষভাৱে

শতপথ ব্ৰাহ্মণত উল্লেখ কৰিছে- “শিষ্যই গুৰুৰ ওচৰলৈ বৰ নম্ৰ আৰু বিনীতভাৱে আহিব আৰু গুৰুৱে তেওঁৰ নাম আদি সুধি শিষ্যৰূপে গ্ৰহণ কৰিব। ছাত্ৰ জীৱন বা ব্ৰহ্মচৰ্যৰ কালছোৱা হৈছে এক দীঘলীয়া ত্যাগৰ জীৱন- ইয়াকেই ‘ছত্ৰ’ বোলে। যি জনে ব্ৰহ্মচৰ্য জীৱনত প্ৰৱেশ কৰে তেওঁ এক দীঘলীয়া ত্যাগৰ জীৱন আৰম্ভ কৰে (শতপথ ব্ৰাহ্মণ - ১১-৩-৩-২)।

গুৰু-শিষ্যৰ সম্পৰ্ক সৌহাৰ্দপূৰ্ণ আৰু অতি মধুৰ আছিল। নিতৌ শিক্ষাদানৰ আৰম্ভণিতে গুৰুৱে উচ্চাৰণ কৰা প্ৰথম শ্লোকটিয়েই সত্যতা প্ৰমাণ কৰিছে-

“ওঁ সহ নাৱৱতু সহ নৌ ভুনক্তু সহ বীৰ্যং কৰৱাৱহৈ।
তেজস্বিনাৱধীতমস্তু মা ৱিদ্বিষাৱহৈ।।
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ।

অৰ্থাৎ আমি পৰস্পৰে ইজনে সিজনক ৰক্ষা কৰোঁহক। সকলো ভোগ্য বস্তু আমি পৰস্পৰ মিলিত হৈ ভোগ কৰোঁহক। আমি মিলিত হৈ বিৰাট পৰাক্ৰম কৰোঁহক। আমাৰ অধ্যয়ন কৰা জ্ঞান তেজস্বী হওঁক। পৰস্পৰৰ বিদ্বেষ আমি ত্যাগ কৰোঁহক। সকলো শান্তি হওঁক।”

বৈদিক যুগৰ শিক্ষাৰ লক্ষ্য বহুতো আছিল। সেইবোৰ হ’ল- আত্মাৰ উৎকৰ্ষ সাধন, আধ্যাত্মিক উৎকৰ্ষ সাধন, ধাৰ্মিক আৰু আধ্যাত্মিক মূল্যবোধৰ বিকাশ, চৰিত্ৰ গঠন, ব্যক্তিত্বৰ বিকাশ সাধন, সামাজিক মূল্যবোধৰ বিকাশ, জাতীয় সংস্কৃতিৰ আহৰণ ইত্যাদি।

আনহাতে বৈদিক যুগৰ শিক্ষা পদ্ধতিক দুই ধৰণে পাব পাৰি। এটা হ’ল- সাধাৰণ শিক্ষাৰ পাঠ্যক্ৰম আৰু আনটো বৃত্তিমূলক পাঠ্যক্ৰম। বৈদিক শিক্ষাৰ পাঠ্যক্ৰমৰ মূল বিষয় আছিল ছয়টা। সেইবোৰ হ’ল-

(ক) সাহিত্য- অৰ্থাৎ চাৰিবেদ আৰু বেদাঙ্গসমূহ, নীতিশাস্ত্ৰ, কবিতা আদি।
(খ) মানৱীয় বিজ্ঞান- ইতিহাস, পুৰাণ, মহাকাব্য, অৰ্থশাস্ত্ৰ, তৰ্কশাস্ত্ৰ, দৰ্শন, ধৰ্মতত্ত্ব, মৃতকৰ পূজাৰ বিধি বা মৃত কৰ্ম আদি।
(গ) বিজ্ঞান- জীৱবিজ্ঞান, জ্যামিতি, অংক আদি।
(ঘ) চিকিৎসা বিজ্ঞান- আয়ুৰ্বেদ, শল্যশাস্ত্ৰ, জ্যোতিৰ্বিদ্যা আদি।
(ঙ) সামৰিক বিজ্ঞান- ধনুৰ্বিদ্যা, অস্ত্ৰবিদ্যা, আক্ৰমণ আৰু প্ৰতিৰক্ষাৰ নীতি আদি।
(চ) সুকুমাৰ কলা- চিত্ৰাংকণ, সংগীত আৰু নৃত্য।

কিন্তু বৃত্তিমূলক শিক্ষা প্ৰদান কৰা হৈছিল ব্ৰাহ্মণ, ক্ষত্ৰিয়, শূদ্ৰ আদিক বেলেগে বেলেগে কাৰণ শিক্ষাৰ্থীসকলৰ যাতে ভৱিষ্যত জীৱন সুন্দৰ হয়। জাতি অনুযায়ী বৃত্তি শিক্ষাৰ বিষয়বোৰ হ’ল-

(ক) ব্ৰাহ্মণ :- ব্ৰাহ্মণসকলক বৈদিক কৰ্ম, যাগ-যজ্ঞ, পূজা-পাতল, শ্ৰাদ্ধ আৰু অন্যান্য সংস্কাৰমূলক দিশৰ শিক্ষা প্ৰদান কৰা হৈছিল।
(খ) ক্ষত্ৰিয় :- ক্ষত্ৰিয় সকলক অস্ত্ৰচালনা তথা সামৰিক শিক্ষা আৰু যুদ্ধৰ কৌশল সম্পৰ্কীয় শিক্ষা দিয়া হৈছিল; যাতে তেওঁলোকে দেশ ৰক্ষাৰ কৰ্মত নিযুক্ত হ’ব পাৰে।
(গ) বৈশ্য :- বৈশ্যসকলক কৃষি, উদ্যোগ, বাণিজ্য, বেহা-বেপাৰ সম্পৰ্কে শিক্ষা প্ৰদান কৰিছিল।
(ঘ) শূদ্ৰ :- শূদ্ৰক শিক্ষা দিয়া হৈছিল- মাছ ধৰা, সৰ্প বিদ্যা, সুগন্ধি বস্তু উৎপাদন কৰা, কাপোৰত ৰং কৰা, নৃত্য-বাদ্য আদিৰ শিক্ষা।

বৈদিক যুগত শিক্ষা প্ৰদান তথা শিক্ষা গ্ৰহণৰ বাবে তিনিধৰণৰ শিক্ষানুষ্ঠান গঢ় লৈ উঠিছিল আৰু সেই তিনিটা হ’ল— গুৰুকুল, পৰিষদ, সন্মিলন।

বৈদিক যুগৰ শিক্ষাদান পদ্ধতি আছিল বিশেষ ধৰণৰ। প্ৰথমতে মৌখিক পদ্ধতি, দ্বিতীয়তে প্ৰশ্নোত্তৰ পদ্ধতি আৰু তৃতীয়তে শ্ৰৱণ-মনন নিদিধ্যাসন।

বৈদিক যুগৰ শিক্ষা গুৰুকেন্দ্ৰিক আছিল আৰু সেই সময়ত শিক্ষাৰ মাধ্যম আছিল সংস্কৃত। প্ৰাচীন ভাৰতত পুৰুষৰ সমানে সমানে নাৰীসকলেও স্থান পাইছিল। উচ্চ বৰ্ণৰ নাৰীসকলক পুৰুষৰ দৰেই লগুণ দিছিল। বহুতো নাৰীয়ে বেদৰ মন্ত্ৰও ৰচনা কৰিছিল। ঋকবেদৰ দশম মণ্ডলত উল্লেখ আছে-

“সম্ৰাজ্ঞী শ্বশুৰে ভব সম্ৰাজ্ঞী শ্ব শ্ৰাং ভৱ।
ননান্দৰি সম্ৰাজ্ঞী ভৱ সম্ৰাজ্ঞী অধিদেবৃষু।।”

অৰ্থাৎ “তুমি শহুৰৰ ওচৰত কৰ্তৃত্ব কৰা, শাহুক বশ কৰা ননন্দ আৰু দেৱৰসকলৰ ওচৰত সম্ৰাজ্ঞীৰ দৰে হোৱা। ন-বোৱাৰীয়ে পতিৰ ঘৰত নিজ গুণৰ বলত সকলোৰে মন জয় কৰিব।” ন-বোৱাৰীক উদ্দেশ্য নাৰীৰ স্থান সম্পৰ্কে বিশেষভাৱে উল্লেখ কৰিছে।

বেদমন্ত্ৰ ৰচয়িতা নাৰীসকলৰ ভিতৰত হ’ল- ৰোমাশা, লোপামুদ্ৰা, অপালা, বিশ্ববৰা, সৰস্বতী। ইয়াৰ উপৰি ঋকবেদত



উল্লেখ থকা নাৰীসকলৰ নাম হ’ল- ঘোষ, জুহু, পুলমি, জৰিতা, উৰ্বশী, সাৱিত্ৰী, দেৱযানী ইত্যাদি।

বৈদিক যুগত বেদমন্ত্ৰ ৰচয়িতা নাৰীসকলক ঋষিকা বা ‘ব্ৰহ্মবাদিনী’ আৰু ‘সদ্যোবধু’ বোলা হৈছিল। ব্ৰহ্মবাদিনী সকলৰ উপনয়নত অধিকাৰ আছিল আৰু পুৰুষৰ সমানে সমানে সুবিধা পাইছিল।

আনহাতে ‘সদ্যোবধু’ নাৰীয়েও গুৰুগৃহত শিক্ষা শেষ কৰি পিতৃগৃহলৈ আহিছিল আৰু বেদ অধ্যয়নৰ অধিকাৰ পাইছিল।

বৈদিক যুগত বিদূষী নাৰীৰ উল্লেখ পোৱা যায়। যাজ্ঞবল্ক্যৰ শিষ্যা গাৰ্গী আছিল উচ্চশিক্ষিতা আৰু যশস্বিনী নাৰী ঋষি। জনক ৰজাৰ ৰাজসভাত হোৱা ব্ৰহ্ম বিষয়ক পণ্ডিত বিলাকৰ তৰ্কৰ সভাত যাজ্ঞবল্ক্যক কোনেও পৰাজিত কৰিব পৰা নাছিল, কিন্তু সেই সময়ত সভাত বহি থকা গাৰ্গী থিয় হ’ল গুৰুৰ সৈতে তৰ্কত প্ৰবৃত্ত হ’বলৈ আৰু গাৰ্গীৰ প্ৰশ্নৰ বানত যাজ্ঞবল্ক্য থিৰেৰে থাকিব নোৱাৰা হ’ল। তাৰ পিছত যাজ্ঞবল্ক্যই গাৰ্গীক সাৱধান কৰি আৰু আগবাঢ়িবলৈ বাধা দিলে। তেতিয়া গাৰ্গীয়েও বৈ গ’ল। সেই সভাত যাজ্ঞবল্ক্যৰ তলতে গাৰ্গীক শ্ৰেষ্ঠা পণ্ডিতা বুলি স্বীকাৰ কৰিলে।

ইয়াৰোপৰি বৈদিক যুগৰ নাৰীসকল বিভিন্ন ধৰণে শিক্ষিতা আছিল। নাৰীসকলক নৃত্য-গীত, যন্ত্ৰসংগীত আদি পুৰুষৰ সমানেই শিকোৱা হৈছিল। তেওঁলোকে উঁণ গুঠা, তাঁত বোৱা, ফুল বছা আদি বিভিন্ন শিল্পবিদ্যাৰ শিক্ষা দিয়াৰ ব্যৱস্থা আছিল। মুঠতে বৈদিক যুগত নাৰীসকলে ধৰ্মীয় শিক্ষাৰ লগতে কলা, হস্তশিল্প, অংক, জ্যামিতি, জ্যোতিষশাস্ত্ৰ আদিত পাৰদৰ্শিতা দেখুৱাৰ লগতে ভাৰতীয় সাহিত্যলৈ অতুলনীয় বৰঙণি আগবঢ়ায়। শতপথ ব্ৰাহ্মণত (১২-৭-২-২) উল্লেখ আছে— “তৎ বা এতৎ স্ত্ৰীণাং কৰ্ম যৎ উৰ্ণাসূত্ৰং কৰ্ম” অৰ্থাৎ উঁণ গুঠা আৰু চিলাই কৰা তিৰোতাৰ কাম।

ওপৰোক্ত আলোচনাৰ পৰা স্পষ্টকৈ বুজা যায় যে বৈদিক যুগৰ শিক্ষা পদ্ধতি মানসিক, শাৰীৰিক, আধ্যাত্মিক আৰু নৈতিকভাৱে অতি উচ্চ পৰ্যায়ৰ আছিল। বৈদিক যুগৰ শিক্ষা পদ্ধতিয়ে অৰ্থাৎ সাধুতা, আত্মত্যাগ, নৈতিকতা আদিৰে এজন লোক পিছৰ জীৱনত এজন আদৰ্শ গৃহস্থ তথা পৰৰ উপকাৰ সাধন কৰা এজন সামাজিক ব্যক্তি হিচাপে মানৱ জগতৰ আদৰ্শ পুৰুষ হিচাপে থিয় দিব পাৰে। সেয়েহে বৈদিক যুগৰ শিক্ষা পদ্ধতি আজিও আবৃত হৈ আছে। ■

## মহৎ লোকৰ বাণী

সংগ্ৰাহক- **ৰীমা নাথ**, পঞ্চম ষাণ্মাসিক

১। মই সংগ্ৰামহীন জীৱন কল্পনাকে কৰিব নোৱাৰো। সংগ্ৰাম আৰু সংঘাত মোৰ জীৱনৰ শ্বাস-প্ৰশ্বাস। - কলম্বাচ
২। তুমি সাহসী হোৱা ঘিণ কৰিবলৈ নহয়, ঘিণ কৰাজনক প্ৰেমেৰে আকোৱাঁলি ল’বলৈ। - মাদাৰ টেৰেছা
৩। শিক্ষক এজন এডাল মমবাতিৰ নিচিনা, যিয়ে নিজে গলি আনক পোহৰ দিয়ে। - নেতাজী সুভাষ চন্দ্ৰ বসু
৪। শিক্ষাই জ্ঞান, জ্ঞানেই শক্তি। - চক্ৰেটিছ
৫। মহৎ কাম মহৎ ত্যাগৰ যোগেদিহে সম্ভৱ। - বিবেকানন্দ
৬। পৃথিৱীত আটাইতকৈ সহজ কাম হৈছে আনক সমালোচনা কৰা আৰু আটাইতকৈ টান কাম হৈছে নিজক সংশোধন কৰা। - হেম বৰুৱা
৭। কেৱল এটা ভাল মন থাকিলেই যথেষ্ট নহয়। তাক ব্যৱহাৰ কৰাটোহে আচল কথা। - ডেকাৰ্টে
৮। অতীতক কাৰণে অনুশোচনা নকৰিবা। ভৱিষ্যতৰ কাৰণে দুঃচিন্তা নকৰিবা। বিপদৰ আশংকা কৰি অবাবতে সময় নষ্ট নকৰি কেৱল বৰ্তমানটো যাপন কৰি যোৱা। ইয়েই তোমাক দৈহিক, মানসিক শান্তি দিব। - বুদ্ধদেৱ
৯। যদি কোনোবাই তোমাৰ বদনাম কৰি ফুৰে তেন্তে বুজিবা সেই বদনাম এটা বিষাক্ত কীট বা পতঙ্গ। বিষাক্ত কীট বা পতঙ্গই কামুৰিব খুজিলে তাক মাৰি পেলাব লাগে। কিন্তু মাৰিব নোৱাৰিলে গাটো লৰচৰ নকৰাকৈ স্থিৰ হৈ বহি থাকিব লাগে। গাটো লৰচৰ কৰিলেই সি দুগুণ খঙেৰে তোমাক কামুৰিবলৈ চেষ্টা কৰিব। আনে ৰাতি ফুৰা বদনামৰ ক্ষেত্ৰতো একে কথাই খাটে। বদনামটো যদি মাৰিব নোৱাৰা তেন্তে তাৰ বিৰুদ্ধে একো নকৰি স্থিৰ হৈ থাকিবা। - চেমফোটি

# বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্য সংস্কৃতি ঃ অসমীয়া সংস্কৃতিত ইয়াৰ প্ৰভাৱ



অনুস্মিতা কলিতা
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

অসমৰ জাতি-জনজাতিসমূহৰ বাৰেবৰণীয়া ৰীতি-পৰম্পৰা, লোকাচাৰ, উৎসৱ-পাৰ্বণ, নৃত্য-গীত, সাজপাৰ-অলংকাৰ ইত্যাদিয়ে অসমীয়া সংস্কৃতিক বৰ্ণাঢ্য আৰু ঐতিহ্যপূৰ্ণ ৰূপ প্ৰদান কৰিছে। ঠিক তেনেকৈ এই সাংস্কৃতিক ভাৱনা তেওঁলোকৰ পৰম্পৰাগত লোকখাদ্য, লোক ব্যঞ্জন প্ৰণালী, খাদ্য খাৱনৰ বিধি ইত্যাদিতো পৰিলক্ষিত হয়। অসমৰ এই জাতি-জনজাতিসমূহৰ ভিতৰত বড়ো জনজাতিয়ে এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আহিছে।

কছাৰীসকলৰ কেইবাটাও ঠালৰ ভিতৰত বড়োসকল মুখ্য। নিজস্ব ভাষা-সংস্কৃতি আৰু খাদ্য সম্ভাৰে বড়ো সকলক এক সুকীয়া পৰিচয় দিছে। বড়োসকল প্ৰধানকৈ কৃষিজীৱী। এওঁলোকৰ প্ৰধান খাদ্য ভাত।



একোটা জাতিৰ পৰম্পৰাক জানিবলৈ প্ৰয়োজন হয় লোকখাদ্য তথা তাৰ ৰন্ধন প্ৰণালীৰ বিষয়ে। প্ৰতিজন মানুহৰ ব্যক্তিগত ৰুচি-অভিৰুচি থকা স্বত্বেও এটা জাতীয় সংস্কৃতি বা এক পৰম্পৰাত বান্ধোনশীল বাবে একেধৰণৰ খাদ্য প্ৰণালী গ্ৰহণ কৰা বাবে তাক সংস্কৃতিগত খাদ্য প্ৰণালী বুলি কোৱা হয়। মংগোলীয় জনগোষ্ঠীৰ বড়োসকল খাদ্যৰ প্ৰতি বৰ সচেতন আৰু সু-ৰুচিসম্পন্ন। বড়োসকল কৃষিজীৱী হোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে শালি, আহু আৰু বাও এই তিনিবিধ ধানখেতিৰ লগতে মাহ, সৰিয়হ, তিল, আদা, কচু, লাই-লফা আদি শাক-পাচলিৰ খেতিও কৰে। তেওঁলোক ৰন্ধন কলাত অতি নিপুণ। তেওঁলোক ভোজনবিলাসী আৰু আমিষহাৰী। ভাত, জৌ বা মদ, মাছ, মাংস, পোক আৰু শাক পাচলিয়ে তেওঁলোকৰ প্ৰধান আহাৰ। তেওঁলোকৰ আহাৰৰ তালিকাত মাছ, মাংস থাকিবই। গাখীৰ আৰু দাইলৰ ব্যৱহাৰ কম। বড়োসকল পাকৈত চিকাৰী আৰু ভাল মাছমৰীয়া। ইয়াৰ পৰা বুজা যায় যে তেওঁলোক সতেজ





খাদ্যৰ অনুগামী। বড়োসকলে বিবিধ মাছ পুঠিৰ উপৰিও পানী ভালুক, লিংকৰি, শামুক, কেঁকোৰা আদি খায়। আমৰলি পৰুৱাৰ টোপ, উইচিৰিঙা, পাখি গজা উই, গুই বা কাছৰ কণী বড়ো সকলৰ প্ৰিয় খাদ্য।

বড়োসকলে পৰম্পৰাগতভাৱে দৈনন্দিন জীৱনত বিজ্ঞানসন্মত, ৰুচিসম্পন্ন আহাৰ খায়। বড়োসকলে বতৰ, ঋতু আৰু উৎসৱ-পাৰ্বণত বিধে বিধে আহাৰ খায়। বড়ো সমাজৰ উৎসৱ-পাৰ্বণ, ধৰ্মীয় কাৰ্য, সকাম আদিৰ ক্ষেত্ৰত সুকীয়া খাদ্যৰ প্ৰচলন আছে। উদাহৰণস্বৰূপে, মৃতকৰ শ্ৰাদ্ধৰ সময়ত তেওঁলোক শুকটাৰ (মৰাপাটৰ শুকান পাত) আঞ্জা এখন বনায় যাতে তিতা খাই ৰাইজে মৃতকৰ লগত সম্পৰ্ক ছেদ কৰে। বড়োসকলৰ খাদ্য প্ৰণালীও আন জনজাতিসমূহৰ দৰে তেল, মছলাৰ প্ৰভাৱ বহুত কম। বড়োসকলৰ এবিধ পৰম্পৰাগত পানীয় হৈছে 'জু বা জুমাই'। অসমৰ আনবোৰ জনজাতিৰ দৰে ইয়াক চাউল পচাই থলুৱা বন ঔষধিৰ সহায়ত তৈয়াৰ কৰা হয়।

অসমীয়া সংস্কৃতিত বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্য প্ৰভাৱ বিশেষ উল্লেখযোগ্য। বড়োসকলে কৰা শালি, আহু আৰ বাও এইবোৰ প্ৰকাৰৰ ধান অসমীয়া সমাজতো বিদ্যমান। ধানখেতিৰ লগতে মাহ-সৰিয়হ, তিল, আদা, কচু, লাই-লফা আদি শাক পাচলিৰ খেতি বড়োসকলৰ দৰে অসমীয়া সকলেও কৰে। পচলা, ঢেঁকীয়া, কচু পোৰা, পালেং, বাঁহ গাজ, খৰিচা আদি ব্যঞ্জন মংগোলীয় সংস্কৃতিৰে দান। এইবোৰ অসমীয়া জনসমাজতো প্ৰচলিত। শুকান মাছ, শোকোতা আদি বড়োসকলৰ লগতে অসমীয়া সকলেও প্ৰায়েই ব্যৱহাৰ কৰে। বড়োসকল ভাল মাছমৰীয়া; জাকৈ, পল, জাল ইত্যাদিৰে মাছ-কাছ ধৰে। অসমীয়া সমাজতো এই মাছ মৰা সঁজুলিবোৰৰ ব্যৱহাৰ বড়োসকলৰ পৰা আহিছে। অসমীয়া সকলৰ দৰে বড়ো সকলেও বিভিন্ন পিঠা-পনা বনায়, যেনে- তিল পিঠা, টেকেলী পিঠা ইত্যাদি।

এনেদৰে অসমীয়া সংস্কৃতিত বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্যৰ যথেষ্ট প্ৰভাৱ পৰা দেখা যায়। ঠিক তেনেদৰে বড়োসকলৰ মাজতো অসমীয়া লোকখাদ্যই প্ৰভাৱ বিস্তাৰ কৰা দেখা গৈছে। ■

## বিদেশী মনীষীৰ জীৱনমুখী উদ্ধৃতি

সংগ্ৰাহক- **ছায়া নাথ**, পঞ্চম যান্মাসিক

◆ পৰিশ্ৰমী আৰু মিতব্যয়ী হোৱা তেহে ধনী হ'বা। - বেঞ্জামিন ফ্ৰেংকলিন

◆ জীৱনৰ চৰম জয়লাভ ঘটে আত্মাৰ মহত্বৰ যোগেদি, অস্ত্ৰৰ দ্বাৰা নহয়। - বাৰুদ স্পিন'জা

◆ তুমি কেতিয়াও পৰ্বতখন জয় কৰাৰ কথা নাভাবিবা, তুমি জয় কৰা কেৱল নিজক। - জিম হুইটেকাৰ

◆ তুমি জীৱনক ভাল পোৱানে? যদি পোৱা তেনেহ'লে সময় নষ্ট নকৰিবা কাৰণ সময়ৰ ধাতুৰে জীৱন নিৰ্মিত। - বেঞ্জামিন ফ্ৰেংকলিন

◆ সংসাৰ ধুমুহাতে গঠিত হয় চৰিত্ৰ। -গ্যেটে

◆ শিক্ষাৰ ঘাই শিপাডাল বৰ তিতা কিন্তু ইয়াৰ ফলাফল বৰ সোৱাদ। - এৰিষ্ট'টল

◆ যিয়ে এবাৰ বিশ্বাসঘাটকতা কৰিছে তেওঁক পুনৰ বিশ্বাসত নল'বা। - উইলিয়াম শ্বেক্সপিয়েৰ

# সাম্প্ৰতিক কালত অনলাইন শিক্ষাৰ প্ৰয়োজনীয়তা



সঞ্জীত দাস
প্ৰাক্তন ছাত্ৰ

ক'ৰোণা মহামাৰীয়ে সমগ্ৰ বিশ্বক গ্ৰাস কৰাত মানৱ জীৱনৰ অতি প্ৰয়োজনীয় অবিচ্ছেদ্য অংগ শিক্ষা ব্যৱস্থাৰ এক অভাৱনীয় সমস্যাৰ সন্মুখীন হ'বলগা হৈছে। ক'ৰোণা মহামাৰীয়ে সমগ্ৰ বিশ্বৰ লগতে ভাৰতবৰ্ষতো বিভীষিকাৰ সৃষ্টি কৰিছে......। এই বিভীষিকাক নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে নানা কৌশল প্ৰয়োগ কৰিছে। গণ-সংক্ৰমণ নহ'বলৈ লকডাউন দিছে, স্কুল-কলেজ, অফিচ-কচাৰী বন্ধ ৰাখিছে যাতে গণ সংক্ৰমণ নহয়। ছাত্ৰ সমাজৰ বাবে অনলাইন শিক্ষা দিয়াৰ পৰিকল্পনা কৰিছে, হয়তো কোনো কোনো ঠাইত অনলাইন শিক্ষাই পৰিপূৰকভাৱে অগ্ৰগতি লাভ কৰিছে। ঘৰতে বহি ছাত্ৰ সমাজে শিক্ষা আহৰণ কৰিছে। Webinar, Seminaer আদিত ভাগ লৈ বিশেষ ব্যক্তিৰ দিহা পৰামৰ্শ লাভ কৰিবলৈ সক্ষম হৈছে ছাত্ৰ সমাজে। আমাৰ মনত এইখিনিতে এটা প্ৰশ্ন আহিছে-

সকলো ছাত্ৰই পাইছে জানো অনলাইন শিক্ষাৰ প্ৰয়োজনখিনি? অনলাইন শিক্ষা ব্যৱস্থাৰ উচিত মৰ্যাদাখিনি? হয়তো সকলোৱে পোৱা নাই। আমাৰ মাজত এনেকুৱা কিছুমান ছাত্ৰ আছে যি আজিলৈকে মোবাইল বা কম্পিউটাৰ আৰু ইণ্টাৰনেট জগতখনৰ লগত চিনাকি হোৱা নাই...। কোনোবাই আকৌ যেন-তেন কৰি মোবাইল এটা লৈছে, কিন্তু মোবাইলৰ প্ৰাপ্যখিনিৰ পৰা তেওঁলোক অসাৰ্থক। সেইখিনি ছাত্ৰ সমাজে জানো বুজিব পাৰিছে অনলাইন শিক্ষাৰ প্ৰয়োজন আছে নে নাই!

আমাৰ ছাত্ৰ সমাজৰ এটাই লক্ষ্য- অধ্যয়ন কৰা। যদি অধ্যয়নৰ সঁজুলিবিলাক সামাজিক নহৈ ব্যক্তিকেন্দ্ৰিক হয় তেতিয়া ছাত্ৰ সমাজে সেই অধ্যয়নৰ পৰা বৰ এটা উপকৃত নহ'ব। মই ক'ব খোৱা নাই যে অনলাইন শিক্ষা ব্যৱস্থা ব্যক্তিকেন্দ্ৰিক। আমাৰ নিচিনা ৰাজ্যবোৰত অনলাইন শিক্ষা ব্যৱস্থাৰ পৰা আমি বহু উপকৃত হ'ব পাৰো। এই শিক্ষাই আমাক সমাজত সচৰাচৰ ঘটা কিছু পৰিকল্পনাৰ আভাস দিয়ে। অনলাইন শিক্ষা ব্যৱস্থাৰ পৰা ছাত্ৰ সমাজে এক বিশেষ জ্ঞান আহৰণ কৰে যি জ্ঞান স্কুল-কলেজত আহৰণ নকৰে। এতিয়া সমগ্ৰ বিশ্বতে অনলাইন শিক্ষাই অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। এতিয়া ক'ৰোণা সংক্ৰমণ ৰোধৰ বাবে অসম চৰকাৰে অনলাইন শিক্ষা ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিছে। দেশৰ অইন ৰাজ্যবোৰৰ তুলনাত শেহতীয়া। কাৰণ অনলাইন শিক্ষা ব্যৱস্থাৰ বাবে যি সঁজুলি প্ৰয়োজন সেইখিনি প্ৰতিজন ছাত্ৰৰ নাই। সেই গতিকে এই সময়চোৱাত এক অভাৱনীয় সমস্যাৰ সন্মুখীন হ'বলগা হৈছে অসমৰ ছাত্ৰ সমাজ তথা শিক্ষা বিভাগ। এইখিনিতে আমাৰ ওচৰত এটা কথা আহি পৰিছে- শিক্ষা বিভাগে কি কৰা উচিত? অনলাইন শিক্ষা প্ৰদান কৰা উচিত হ'বনে? এই প্ৰশ্নৰ উত্তৰ কোনে দিব? আপুনি বা মই দিব পাৰিম জানো এই প্ৰশ্নৰ উত্তৰ। আমাৰ শিক্ষা ব্যৱস্থাত অনলাইন শিক্ষাই বহুত ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়িছে। ঘৰতে উপযুক্ত শিক্ষা আহৰণ কৰিছে। এই ক্ষেত্ৰত অনলাইন শিক্ষাৰ প্ৰয়োজনীয়া অধিক। অসমত অনলাইন শিক্ষাই সিমান এটা অগ্ৰণ্য নহয়। গতিকে আমি ক'ব পাৰো যে অনলাইন শিক্ষা আমাৰ দৰে ৰাজ্যবিলাকত সিমান এটা সফল নহয়। ■



# সংস্কৃত ঃ স্বাভিমান



প্ৰকাশ বৰ্মণ
পঞ্চম ষান্মাসিক, সংস্কৃত বিভাগ

বিশ্ব সাহিত্যত প্ৰাচীন কালৰে পৰা মাতৃ স্বৰূপা, কামধেনুৰূপী, সংস্কৃত ভাষাই নিজৰ স্বাভিমান অক্ষুন্ন ৰখা পৰিলক্ষিত হয়। আৰ্য সমাজৰ পৰা ধাৱমান হোৱা ইণ্ডো ইউৰোপীয় ভাষা গোষ্ঠীৰ এক পৰোক্ষ শাখা হ'ল সংস্কৃত। যাৰ গৌৰৱ উজ্জ্বল ইতিহাস দেখা যায় বেদ, উপনিষদ, সংহিতা, ব্ৰাহ্মণ, আৰণ্যক, ৰামায়ণ, মহাভাৰত আদিকে ধৰি বিশ্ব শ্ৰেষ্ঠ ধৰ্মপুথি সমূহৰ পৰা। যি ভাষাই এক বৃহৎ বটবৃক্ষৰ দৰে বৃদ্ধি হৈ নিজৰ ঠাল-ঠেঙুলিৰে বিশ্বত নিজৰ শাখা প্ৰশাখাৰ বীজ ৰোপণ কৰি বৰ্তমান সময়তো স্থিতি লাভ কৰিছে। অনন্ত ৰত্ন সম্ভৱা প্ৰকৃতিৰ বুকুত ৰাজহাঁড় ৰূপে পবিত্ৰ গংগাই যেনেদৰে বৰ্তমানলৈ সেউজী ধৰিত্ৰীক জীপাল কৰি আছে ঠিক তেনেদৰে সংস্কৃত ভাষাইও বিশ্বজুৰিৰ আকাশে বতাহে, অৰঙে দৰঙে ধাৱিত হৈ আছে। যাৰ ৰূপত, যাৰ ভাষাত, যাৰ তালত মুদ্ৰিত হৈছে প্ৰকৃতিৰ প্ৰতিপদ বস্তু, প্ৰতিপদ ভাষা। সংস্কৃত ভাষাই বিকশিত হৈ বৰ্তমানলৈ এটি বৃহৎ ৰূপ পাইছে।

বিশ্ব জগতত যদিহে আমি ভাৰতীয় বুলি নিজকে পৰিচয় দিবলৈ যাওঁ তেতিয়া বিখ্যাত সংস্কৃত পণ্ডিত কালিদাস, বাল্মিকী, বেদব্যাস, ভাৰবি, দণ্ডি, মাঘ আদিৰ নাম নলৈ নোৱাৰি। আমি নিজকে গৌৰৱ কৰিব পাৰো যে আমি ভাৰতীয়। দেৱতাৰ ভাষাই হ'ল সংস্কৃত ভাষা, যাক দেৱভাষা বুলি কোৱা হয়। এই দেৱভাষাৰ মূল্য কোনো সা-সম্পত্তি, ধন-সোণ, ঐশ্বৰ্য-বৈভৱৰ সৈতে তুলনা কৰিব নোৱাৰি। সংস্কৃত বিষয়টো প্ৰতিটো স্তৰতে নিজকে বিকশাই তুলিছে। এই ভাষাৰ বিশ্ব দৰবাৰতো নিজকে চিনাকি দিবলৈ সমৰ্থ হৈছে। বিশ্বৰ প্ৰতিটো স্তৰত ইয়াৰ বহল প্ৰয়োগ আৰু ইয়াক সাধনা কৰা দেখা যায়। প্ৰতিখন ৰাষ্ট্ৰত প্ৰতিখন দেশত সংস্কৃত ভাষাৰ বিশেষ মৰ্যাদা আছে। যি মৰ্যাদা ভাষাৰ সৈতে স্বয়ংপূৰ্ণভাৱে গঢ়ি উঠিছে। লণ্ডন, জাপান, কোচবিহাৰ, ৰুচ আদি বিভিন্ন প্ৰান্তত এই ভাষাই বিশেষ মৰ্যাদাৰে সমাদৃত হৈছে। এই ভাষাৰ সাধক সকলে জগতত নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছে। এই ভাষাৰ পৰিসৰ ইমানে বিস্তৃত যে ইয়াক বৰ্ণনা কৰিব নোৱাৰি। যাৰ পৰিসৰ স্বৰ্গ, মৰ্ত্য, পাতাল এই ত্ৰিভুৱনত বিয়পি আছে।

কিন্তু দেখা যায় যে আমাৰ অসমত এই ভাষাটো অৱহেলিত হোৱা যেন অনুভৱ হয়। যি ভাষাই প্ৰতিটো সময়তে দেশৰ মৰ্যাদা ৰক্ষা কৰি সগৌৰৱে নিজকে নিজৰ স্থিতিত অটল কৰি ৰাখিছে। পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ, ভৱদেৱ ভাগৱতীৰ দৰে বিশ্বখ্যাত পণ্ডিতসকলৰ জন্মভূমি অসমত এতিয়া সংস্কৃত ভাষাই অৱহেলিত হোৱা যেন দেখা যায়। প্ৰায় কিছু বছৰ আগত এই ভাষাৰ ব্যৱহাৰৰ ব্যাপকতা আৰু বহুলতা দেখা গৈছিল আৰু এতিয়া ইয়াৰ ব্যৱহাৰ আৰু চৰ্চা প্ৰায় কিছু পৰিমাণে কমি গৈছে। সংস্কৃত শিক্ষাৰ অধ্যয়ন কেন্দ্ৰ টোলৰ সংখ্যাও কমি গৈছে। বিদ্যালয় মহাবিদ্যালয় আদিতো ইয়াক এক বেলেগ দৃষ্টিৰে চোৱা দেখা যায়। এই বিষয়টোক তুচ্ছ জ্ঞান কৰা যেন অনুভৱ হয়। সংস্কৃত বিষয়টোত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ পৰিমাণে কমি যোৱা দেখা গৈছে। কিন্তু যদিও এই ভাষা তুচ্ছ জ্ঞান কৰিছে, যদিও

অৱহেলিত কৰিছে তথাপিও এই ভাষাই নিজকে নিজৰ স্থিতিত অটল ৰাখিছে। যাৰ মৰ্যাদা সৃষ্টিৰ আদিতে তেনে এটা ভাষা গোষ্ঠীয়ে কোনোপধ্যে নিজকে হেৰুওৱা নাই। বৰঞ্চ নিজৰ স্বাভিমান নিজৰ স্থিতিত অটল ৰাখিছে। ধ্বংসৰ অন্তত এই ভাষাই প্ৰতিটো ভাষাকে পুনৰুজ্জীৱিত কৰিছে, অমৃতৰ সুধা পান কৰাইছে, ৰস আস্বাদন কৰাইছে।

সেয়েহে এই ভাষাৰ গৌৰৱ বিশ্বৰ ধ্বংসৰ পিছতো অটল থাকিব। যেতিয়ালৈকে এই পৃথিৱীত বিন্ধ্য, হিমাচল পৰ্বত থাকিব, যেতিয়ালৈকে ধৰাত গংগা, ব্ৰহ্মপুত্ৰ বৈ থাকিব, যেতিয়ালৈকে ৰামায়ণ মহিমা থাকিব, মহাভাৰতৰ নীতি থাকিব তেতিয়ালৈ এই সংস্কৃত ভাষা সমস্বৰেৰে এই জগতত নিজৰ স্বাভিমানেৰে জীয়াই থাকিব।

প্ৰতিখন দেশতে ইয়াক বিশেষ সমাদৃত কৰিব। প্ৰতিটো স্তৰতে ইয়াক আদৰি লওক। প্ৰতিখন বিদ্যালয়-মহাবিদ্যালয়তে ইয়াক বিশেষভাৱে মৰ্যাদা প্ৰদান কৰিব আৰু সংস্কৃত ভাষাই নিজকে প্ৰতিষ্ঠা কৰিব। শেষত সংস্কৃত ভাষাক প্ৰণাম জনাই এই ভাষাৰ জয় হওঁক বুলি সেৱা জনাই এই লিখনিৰ সামৰণি মাৰিছো।

প্ৰণামো সংস্কৃত ভাষাং।
নমামি সংস্কৃত ভাষাং। ■

## মহৎ লোকৰ বাণী

সংগ্ৰাহক- **ৰশ্মি বেগম,** প্ৰথম যান্মাসিক, দৰ্শন বিভাগ

১। শিক্ষকসকলক জন্মদাতা পিতৃ-মাতৃতকৈয়ো শ্ৰদ্ধাৰ পাত্ৰ। কাৰণ পিতৃ-মাতৃ জন্মহে দিয়ে। — এৰিষ্টটল

জীৱন যাত্ৰাৰ প্ৰণালী শিক্ষকেহে নিৰূপণ কৰে। — মাওজেং

২। পৃথিৱীৰ আটাইতকৈ সহজ কাম হৈছে কিতাপ পঢ়া। — সুভাষ চন্দ্ৰ বসু

৩। শিক্ষক হ'ল এডাল মমবাতি, যি নিজে গলি আনক পোহৰ দিয়ে। — এৰিষ্টটল

৪। শিক্ষাৰ ঘাই শিপাডাল তিতা কিন্তু ফলটো হ'লে বৰ মিঠা। — ৰবীন্দ্ৰ নাথ ঠাকুৰ

৫। প্ৰেমে যদি বেদনাও আনে তথাপি তাত আস্থা ৰাখিবা হৃদয় ৰুদ্ধ নকৰিবা। — চক্ৰেটিছ

৬। আটাইতকৈ সুখী সেইজন, যিজনে অতি কম বস্তুক লৈ সন্তুষ্ট থাকে। — জৰ্জ ইলিয়ট

৭। অহংকাৰী মানুহবোৰ কুকুৰাৰ দৰে, কুকুৰাই ভাবে সি ডাক দিয়াৰ কাৰণেহে ৰাতি পুৱায়। — বাইবেল

৮। কঠোৰ পৰিশ্ৰমেই উন্নতিৰ মূলমন্ত্ৰ একমাত্ৰ মুৰ্খইহে কামৰ পৰা বিৰত থাকে। — জোছেফ পুলিৎ জাৰ

৯। যি বন্ধুত্ব কেৱল কিছুমান লক্ষ্য লৈ গঢ়ি উঠে সেই বন্ধুত্ব শেষলৈ বৰ্তি নাথাকে। — হেমচন্দ্ৰ বৰুৱা

১০। প্ৰেমত মন তুষ্ট হয় সঁচা কিন্তু সেই প্ৰেম মন ধাৰণ ধৰা শৰীৰক দুবেলা দুকাহী ভাত নহ'লে নচলে। — মহাত্মা গান্ধী

১১। শগুন বিমান ওপৰলৈ উৰিলেও তাৰ চকু সদায় মৰাশৰ ওপৰতহে। — ৰবীন্দ্ৰ নাথ ঠাকুৰ

১২। ফুল আৰু পখিলাক বাহ্যিক ৰূপেৰে জুখিবা মানুহক নুজুখিবা।

১৩। মাছ মাৰিবলৈ ইচ্ছা নাথাকিলে মিছাকৈ বৰশীত টোপ পেলাব নালাগে, তাত নিজৰো হয় সময় নষ্ট মাছৰো হয় মহা কষ্ট। — হিতেশ ডেকা



# বিৰোধিতা ঃ বিশ্বাস আৰু কু-ৰীতিৰ



লিজা গোস্বামী
পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

বৰ্তমান সমাজ ব্যৱস্থাত বৈজ্ঞানিক চিন্তাধাৰাই এক বৃহৎ স্থান অগ্ৰাধিকাৰ কৰাটো আমাৰ পৰিলক্ষিত হৈছে। এই বৈজ্ঞানিক চিন্তাধাৰাৰ প্ৰয়োগৰ ফলতেই বৰ্তমান সমাজত সময়ৰ সঠিক মূল্যাংকন কৰাতো সম্ভৱপৰ হৈছে।

তথাপিও আজিৰ এই বৈজ্ঞানিক চিন্তাধাৰাৰ প্ৰচাৰেও যেন সমাজৰ এটা কোণত বিৰাজ কৰা শূন্যতাক এতিয়াও আঁতৰ কৰিব পৰা নাই। যাৰ ফলত আজিও সমাজত প্ৰচলিত হৈ আছে কিছুমান কু-ৰীতি, কিছুমান অন্ধবিশ্বাসৰ। যিয়ে আমাৰ সমাজক আজিকোপতি পংগুত্বৰ গ্ৰাসৰ পৰা উদ্ধাৰ কৰিব পৰা নাই। তেনে কিছুমান কু-ৰীতি নাইবা অন্ধবিশ্বাস হ'ল—



### (ক) নৰবলি ঃ-

পৃথিৱীৰ শ্ৰেষ্ঠ প্ৰাণীয়ে হ'ল মানুহ। কিন্তু মানুহে নিজৰ শ্ৰেষ্ঠত্ব দেখুৱাবলৈ গৈ এজন মানুহে আন এজন মানুহৰ বলি দিছে। ইয়াৰে জানো পৰমেশ্বৰ প্ৰসন্ন হ'ব...! সমাজ এখন সুস্থ সবল হিচাপে গঢ়ি তুলিবলৈ ভাতৃত্ব ভাবেৰে সমাজত বসবাস কৰাটোহে প্ৰয়োজন। এনেদৰে নিৰীহ লোকৰ প্ৰাণৰ আহুতি দিনে আমাৰ সমাজ সদায়ে পংগু হৈ ৰ'ব। যাক নহ'বলৈ আমি এতিয়াৰে পৰা এনে নৰসংহাৰী অন্ধবিশ্বাসৰ বিৰোধিতা কৰিব লাগিব।

### (খ) ডাইনী হত্যা ঃ-

বৰ্তমান সমাজত বিৰাজমান আন এক অন্ধবিশ্বাস হ'ল ডাইনী হত্যা। বহু ঠাইত এতিয়াও ৰোগগ্ৰস্থ নাইবা মানসিকভাৱে দুৰ্বল এচাম সৰল ব্যক্তিক ডাইনী সজাই হত্যা কৰি আহিছে। যিয়ে সমাজ ব্যৱস্থাত এক অতি ভয়াবহতাৰ সূত্ৰপাত ঘটাইছে। আৰু এচাম দুখীয়া শ্ৰেণীয়েহে বেছিকৈ এই ডাইনী হত্যাৰ কবলত পৰা পৰিলক্ষিত হৈছে। যাক বাধা প্ৰদান কৰাটো সমাজৰ প্ৰতিজন সচেতন নাগৰিকৰে দায়িত্ব।

**(গ) ছোৱালী ভ্ৰূণ হত্যা ঃ-**

বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ বৃহৎ অগ্ৰগতিয়েও যেন এচাম লোকৰ বিকৃত তথা নিকৃষ্ট মানসিকতাক পৰিবৰ্তন কৰিব পৰা নাই। শত সহস্ৰ স্ত্ৰী শক্তিক আৰাধনা কৰিও আজি পৰ্যন্ত নাৰীৰ মোল বুজি নাপায়। যাৰ বাবে গৰ্ভস্থ অৱস্থাতে ছোৱালী ভ্ৰূণ কৰি দিয়া হয়। সৃষ্টিৰ মূল এই নাৰীক আজিও বহুতে বোজা আখ্যা দিয়ে। মাডাৰ টেৰেছা, কল্পনা চাওলা, মেৰীকম, লতা মংগেশকাৰ আদিৰ দৰে দেৱীৰূপে নাৰীৰ বিশ্ববিখ্যাত পাৰদৰ্শিতায়ো যেন আজিও সমাজৰ এচাম নিকৃষ্ট মানসিকতাৰ অধিকাৰী লোকৰ হৃদয় আজিও জয় কৰিব পৰা নাই। সৃষ্টিৰ মূলক সুৰক্ষা প্ৰদান কৰিবলৈ যদি সমাজৰ প্ৰতিখন ঘৰতে দৃঢ়, সৎ মানসিকতাৰ প্ৰৱৰ্তন কৰা নহয়, তেন্তে বৈজ্ঞানিক যুগতো আমাৰ সমাজে শূন্যতাকে আকোঁৱালি লৈ থাকিব লাগিব।



**(ঘ) নাৰী শিক্ষাৰ প্ৰচলনত বাধা ঃ**

আজিৰ দিনতো এনে কিছু ঠাই আছে য'ত নাৰীয়ে শিক্ষা গ্ৰহণত বহুতো বাধাৰ সন্মুখীন হৈ আহিছে। য'ত এইটো অন্ধবিশ্বাস যে নাৰীয়ে উচ্চ শিক্ষা লাভ কৰিলে পুৰুষৰ পুৰুষত্বৰ মান হানি হ'ব। যাৰ ফলত বাল্য বিবাহৰ দৰে অতি ঘৃণনীয় তথা নিন্দনীয় কু-কীৰ্তিৰ প্ৰচলন হৈ আহিছে। যাক ৰোধ কৰিব নোৱাৰিলে সমাজৰ 'প্ৰগতিশীল বিকাশ' এক স্বপ্ন হৈয়ে ৰ'ব।

বৰ্তমান সমাজত প্ৰচলিত এনেবোৰ অন্ধবিশ্বাস নাইবা কু-ৰীতিক বাধা প্ৰদান তথা ৰোধৰ বাবে আমাৰ চৰকাৰ ব্যৱস্থা বিভিন্ন আইন প্ৰণয়ন কৰিছে। যদিও ইয়াৰ ফলপ্ৰসূ নিদৰ্শন আজি পৰ্যন্ত দেখিবলৈ পোৱা নাই। ইয়াৰ আচল কাৰণ হৈছে আমাৰ সমাজৰ কিছু শ্ৰেণীৰ ঠেক মনোভাব তথা দুৰ্বল মানসিকতা। আইনৰ ভেটি সুদৃঢ় কৰিবলৈ হ'লে আমি সকলোৱে সৎ তথা দৃঢ় মানসিকতা লৈ এনেবোৰ অন্ধবিশ্বাস বা কু-ৰীতিক সমাজৰ পৰা আঁতৰ কৰিব লাগিব।

হাতত স্মাৰ্টফোন লৈ চিন্তাধাৰা আওপুৰণি কৰি ৰাখিলে প্ৰযুক্তি বিদ্যাৰ সৎ ব্যৱহাৰক নুবুজায়। অজ্ঞানীক জ্ঞানৰ পোহৰ বিলাই, অবুজনক বুজনি দি সমাজক সুস্থৰূপে গঢ়ি তুলিব পাৰিলেহে আমি সঁচা অৰ্থত বিজ্ঞানৰ দেশৰ অগ্ৰণী জনগণ হিচাপে নিজৰ শিৰ গৰ্বেৰে উঠাব পাৰিব।

আহক সৎ মনোভাবেৰে
সুস্থ মানসিকতাক লৈ
আমি নিকা কৰো
অন্ধবিশ্বাস কু-ৰীতিৰ
লেতেৰা মলি মামৰ।■



# মহৎ লোকৰ জীৱনৰ দুখ-কষ্ট



ত্ৰিদীপ চৌধুৰী
স্নাতক তৃতীয় ষান্মাসিক

প্ৰখ্যাত মাৰ্কিন লেখক ডেল কাৰ্নেগিয়ে কৈছে— দুখ-দাৰিদ্ৰ্যই মানুহৰ বুদ্ধি তীক্ষ্ণ কৰে আৰু মানুহক উন্নতি কৰিবলৈ শিকায়।

কাল মাৰ্ক্সে 'ডাছ কেপিটেল' নামৰ বিখ্যাত গ্ৰন্থখন ৰচনা কৰা কালত নিজ দেশ এৰি ঘূৰি ফুৰিব লগা হৈছিল। প্ৰথমে তেওঁক ক্ৰুছিয়াৰ পৰা খেদি পঠিওৱাত তেওঁ পেৰিছ পালেহি। তাৰপৰা খেদি পঠিওৱাত তেওঁ ব্ৰাছেলছলৈ আহে। তাতো থাকিব নোৱাৰি তেওঁ লণ্ডনলৈ আহে। লণ্ডনত থকা দিনকেইটা মাৰ্ক্সৰ পৰিয়ালে অভাৱ-অনাটনতে কটাইছিল। তেওঁলোকক কোম্বাৰৱেলৰ ঘৰৰ পৰা খেদি পঠিওৱাত তেওঁলোকে ডিন ষ্ট্ৰিটত দুটা কোঠা ভাড়াত লৈ থাকিবলৈ লৈছিল।

বেঞ্জামিন ফ্ৰেংকলিন দুই প্ৰকাৰে বিখ্যাত। বৈজ্ঞানিক হিচাপে অন্যান্য সকলৰ লগতে তেওঁ বজ্ৰবাৰক (lightning conductor) আৱিষ্কাৰ কৰিছিল। আনহাতে, তেওঁ আমেৰিকাৰ স্বাধীনতা যুদ্ধত ইংৰাজ উপনিবেশবোৰৰ হৈ ব্ৰিটিছ চৰকাৰৰ সৈতে হোৱা আলোচনাত নেতৃত্ব লৈছিল। কিন্তু জীৱনৰ আৰম্ভণিতে ভাতমুঠিৰ বাবে তেওঁ সংগ্ৰাম কৰিবলগা হৈছিল। তেওঁ বষ্টনৰ এটা ছপাশালত কাম কৰিছিল। পিছে এদিন তেওঁ তাৰপৰা ওলাই আহিবলগা হ'ল। জীৱিকাৰ পথ বিচাৰি তেওঁ নিউয়ৰ্ক হৈ ফিলাডেলফিয়া পাইছিলগৈ। হাতত আছিল মাত্ৰ তিনি পেনি পইচা। তাৰে তেওঁ তিনিটা দীঘল বিস্কুট কিনি লৈছিল। দুটা বিস্কুট কাষলতিৰ তলত ভৰাই তৃতীয়টো খাই খাই তেওঁ বাটেদি গৈ আছিল। এইদৰেই তেওঁ ফ'ৰ্থ ষ্ট্ৰিটত ভৰি দিছিল আৰু শহুৰেক মি. ৰিডৰ ঘৰৰ আগেদি গৈছিল। তেতিয়া তেওঁৰ ভাবী পত্নী মিছ ৰিডে তেওঁক হেনো সেই ৰূপত দেখিছিল আৰু হাঁহিছিল।

উন্নতিৰ পথটো ওখোৰা-মোখোৰা; বহু বাধা-বিঘিনিৰে পৰিপূৰ্ণ। সেই বুলি মহৎ লোকে সত্যৰ পথ এৰি নিদিয়ে। গেলিলিঅ'ই কৈছিল- পৃথিৱী সূৰ্যৰ চাৰিওফালে ঘূৰে। খ্ৰীষ্টান ধৰ্মযাজকসকলে সেইটো ধৰ্মবিৰোধী কথা বুলি কৈছিল। ৰোমৰ পোপেও এই সূত্ৰৰ বিৰোধিতা কৰিছিল। গেলিলিঅ'ৰ বয়স তেতিয়া ৭০ বছৰ। হাৰ্নিয়াৰ অসুখত তেওঁৰ শৰীৰ জৰ্জৰিত। তথাপি সত্যক ঢাকি ধৰিবলৈ গেলিলিঅ' অমান্তি হ'ল। পোপে



দিয়া শাস্তি মূৰ পাতি লৈ তেওঁ কাৰাবৰণ কৰিলে।

চাৰ্লছ ডাৰউইনৰ অৱস্থাও তেনেকুৱাই হৈছিল। তেওঁ দাঙি ধৰা জীৱৰ ক্ৰমবিকাশৰ সূত্ৰটোৰ যাজকসকলে বিৰোধিতা কৰিছিল। ভগবানে মানুহ সৃষ্টি কৰিছে। গতিকে বনমানুহৰ নেগুৰ নাইকিয়া হৈ এদিন মানুহৰ সৃষ্টি হ'ল— এই কথা তেওঁলোকে মানি নল'লে। এই বিষয়ে অক্সফৰ্ডত এখন প্ৰতিবাদ সভা বহিছিল।

আলেকজেণ্ডাৰ গ্ৰাহাম বেলে টেলিফোন আৱিষ্কাৰ কৰিছিল। সেই আৱিষ্কাৰৰ খবৰ ওলোৱাৰ দুঘণ্টাৰ ভিতৰতে ইলিছা গ্ৰে নামৰ এজন লোকে চিকাগোৰ আদালতত গোচৰ তৰিলে। এই আৱিষ্কাৰ হেনো তেওঁৰহে। বেলে কষ্ট কৰিব লগা হ'ল। তেওঁ ব'ষ্টন চহৰত এটা সস্তীয়া ভাড়া ঘৰ ল'লে আৰু তেওঁৰ সহকৰ্মীৰ সৈতে গোপনে পৰীক্ষা কাৰ্যত লাগি গ'ল। বহু পৰিশ্ৰমৰ অন্তত তেওঁ সাফল্য লাভ কৰিলে। এদিন দুবৈৰ পৰা সহযোগী ৱাটছনৰ মাতটো তেওঁ ফোনত শুনিবলৈ পালে।

আব্ৰাহাম লিংকনে সৰু কালত পিতাকক কাঠ টনাৰ কামত সহায় কৰিছিল। বিখ্যাত বৈজ্ঞানিক ছাৰ মাইকেল ফাৰাডেই হামফ্ৰে ডেভিৰ ঘৰত সপ্তাহত ২৫ ছিলিং দৰমহাত কাম কৰিছিল।

টমাছ আলভা এডিছনে একো মনত ৰাখিব পৰা নাছিল। ডাক্তৰে তেওঁক পগলা হ'ব বুলি কৈছিল।

প্ৰখ্যাত বৈজ্ঞানিক এলবাৰ্ট আইনষ্টাইনে কথা-বতৰা পাতিব নাজানিছিল। শ্ৰেণীত অংক কৰিব নাজানিছিল। চিটি বাছৰ কণ্ডাক্টৰে তেওঁক কৈছিল— আপুনি টকা-পইচাৰ হিচাপত ভুল কৰে।

১৮৯৪ চনত বেতাঁৰ যন্ত্ৰ আৱিষ্কাৰ কৰি মাৰ্কনিয়ে ইটালি চৰকাৰৰ পৰা সহায় বিচাৰিছিল। কিন্তু সেই চৰকাৰে কোনো সঁহাৰি নিদিলে। মাৰ্কনিৰ মাকে উদগনি দিলে- তুমি ইংলেণ্ডলৈ যোৱা তাত বেছি সুবিধা পাবা। ১৮৯৬ চনত যন্ত্ৰ-পাতিখিনি টোপোলা বান্ধি লৈ মাৰ্কনি লণ্ডনত উপস্থিত হ'লগৈ। পাছৰ বছৰত তেওঁৰ আৱিষ্কাৰ বেতাঁৰ যন্ত্ৰই তেওঁক পোন্ধৰ হাজাৰ পাউণ্ড দিলে।

ইংলেণ্ডৰ বিখ্যাত ৰাজনীতিবিদ চাৰ্চিল হেনো স্কুলৰ পঢ়োতে একেবাৰে 'বেয়া ল'ৰা' আছিল। ছেণ্ডহাৰ্ষ্ট মিলিটেৰি একাডেমিৰ প্ৰৱেশিকা পৰীক্ষাত তেওঁ দুবাৰ অকৃতকাৰ্য হৈহে তেওঁ মিলিটেৰি একাডেমিত ভৰ্তি হৈছিলগৈ। ■

সংগ্ৰাহক- **ৰশ্মি বেগম,** প্ৰথম যান্মাসিক, দৰ্শন বিভাগ

## কুইজ

১। মিছা কথা ধৰা পেলোৱা যন্ত্ৰটোৰ নাম কি?
—ঃ প'লিগ্ৰাফ।

২। ভলীবল ক'ত কেতিয়া প্ৰথমে খেলা হৈছিল?
—ঃ আমেৰিকাত ১৮৯৫ চনত।

৩। পৃথিৱীৰ ভৰ কিমান কিলোগ্ৰাম?
—ঃ ৬×১০^২৪

৪। বিদ্যুৎ প্ৰবাহৰ এছ. আই. একক কি?
—ঃ এম্পিয়াৰ

৫। গাখীৰ জোখা যন্ত্ৰটোৰ নাম কি?
—ঃ লেক্টোমিটাৰ

৬। সাগৰৰ ঘভীৰতা জোখা যন্ত্ৰটোৰ নাম কি?
—ঃ ফেড'মিটাৰ

৭। খোজ জোখা যন্ত্ৰটোৰ নাম কি?
—ঃ পেড'মিটাৰ

৮। তাজমহলৰ উচ্চতা কিমান?
—ঃ ১৭৮ ফুট

৯। বিশ্বকাপ হকী প্ৰতিযোগিতা কোন চনত আৰম্ভ হয়?
—ঃ ১৮৭১ চনত।

১০। পৃথিৱীৰ ভূ-স্বৰ্গ বুলি কাক কোৱা হয়?
—ঃ কাশ্মীৰক

১১। অসমৰ প্ৰথম মহিলা মুখ্যমন্ত্ৰী?
—ঃ চয়েদা আনোৱাৰা তাইমুৰ।



# অসমীয়া ছাত্ৰী, কিছু অনুভৱ, কিছু কথা....



**প্ৰিয়ংকা দাস**
প্ৰথম যান্মাসিক, অসমীয়া বিভাগ

অসমীয়া ভাষা আমাৰ জাতি আৰু সংস্কৃতিৰ মেৰুদণ্ড স্বৰূপ। ভাষা অবিহনে সাহিত্যই বিকাশ আৰু সমৃদ্ধি লাভ কৰিব নোৱাৰে। মানুহে জ্ঞাতে-অজ্ঞাতে নিজৰ নিজৰ মাতৃভাষাৰ সৈতে জন্মৰ পৰাই জড়িত হৈ পৰে। যি বয়সৰে ছাত্ৰ নহ'লেও প্ৰতিজন মানুহেই নিজৰ ভাষাৰ সাহিত্যক অৱহেলা কৰিব নোৱাৰে।

তাৰ মাজৰে যিসকলে অসমীয়া বিষয়টো নিজৰ শিক্ষাৰ বিষয় হিচাপেও বাচি লয়, সেই সমূহ ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰতি দুৰ্বলতা আৰু কিছু অধিক হয়। নম্বৰৰ বাবেই হওঁক বা নিচা হিচাপেই হওঁক সাহিত্য অধ্যয়নে মানুহৰ বাস্তৱিক জীৱনটো যথেষ্ট প্ৰভাৱ পেলায়। কিন্তু বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্যসমূহ অৱহেলিত হৈ অহাহে দেখা যায়। বাস্তৱিক জীৱনটো অসমীয়া পঢ়িব নলগা বিষয়, নপঢ়াকৈ নম্বৰ পোৱা বিষয়, এলেহুৱাৰ বিষয় এনে বহু কথা শুনিবলৈ পাওঁ। সমাজৰ কিছু অল্পজ্ঞানী মানুহে বৰ্তমান যুগতো অসমীয়া বিষয়ৰো কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীসকলেও বিষয়টোৰ প্ৰতি বিৰক্তিকৰ মন্তব্য প্ৰদান কৰা দেখা পাওঁ। এনে বহু কাৰণতে অসমীয়া ভাষাই এক সুনিশ্চিত স্থান দখল কৰাৰ পৰা ব্যাহত হৈছে। বিষয়টোৰ ওপৰত আন আন বিষয়ৰ দৰেই সমানেই গুৰুত্ব প্ৰদান কৰিলেহে অসমীয়া ভাষা আৰু সাহিত্য বিশ্ব দৰবাৰত এক স্থান পাবলৈ সক্ষম হ'ব আৰু ইয়াৰ বাবে অসমীয়া জাতিৰ লগতে প্ৰধানকৈ দায়বদ্ধ হ'ব লাগিব অসমীয়া বিভাগত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকল।

আমি যিমানেই আন ভাষাৰ ওপৰত দখল নিদিও কিয় কিন্তু আমি সপোন দেখো মাতৃভাষাৰে। মাতৃভাষা আমাৰ তেজত, আমাৰ সিৰাত জাগ্ৰত হৈ আছে। মই গৰ্বিত যে মই অসমীয়া বিভাগৰ ছাত্ৰী। ভাষা আৰু সাহিত্যৰ প্ৰতি মই সম্পূৰ্ণ দায়বদ্ধ হৈয়ে এই বিষয়টো বাছি লৈছোঁ। ■

## সাঁথৰ

সংগ্ৰাহক ঃ **মিৰ্জানুৰ ৰহমান,** পঞ্চম যান্মাসিক, দৰ্শন বিভাগ

১। এটা নিগনি এশ ধান কুটে, নেগুৰত ধৰিলে জাপমাৰি উঠে — **ঢেঁকী।**
২। ৰজাৰ আলিবাট, তিয়াব পাৰি শুকুৱাব নোৱাৰি — **জিভা।**
৩। এঠেঙীয়া বগলী, নিতৌ নাচে গধুলি — **বিচনী।**
৪। কি বস্তু টানিলে চুটি হয় নাটানিলে দীঘল হয়? — **বিড়ি।**
৫। মাকে বৰশী বায়, পুতেকে সৰগ চায় — **বাঁহ গছ আৰু বাঁহ গাজ।**
৬। ইহে সিহে পিঠিৰে দৌৰ দিয়ে কিহে — **নাও।**
৭। মাটিৰ তলৰ বগা বুঢ়ী, সাজ পিন্ধে কুৰি কুৰি — **নহৰু।**


গল্প শিতান

# এটি প্ৰাৰ্থনাৰ মৃত্যু




**ডেইজী পাঠক**

পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ


কপাহী মহাবিদ্যালয়খন জিলাখনৰ পূৱ প্ৰান্তত অৱস্থিত। য'ত দিনৰ দিনটো বহুতো মানুহে মহাবিদ্যালয়ৰ সন্মুখত থকা ৰাষ্ট্ৰীয় ঘাইপথেৰে অহা-যোৱা কৰাৰ উপৰিও গাড়ী-মটৰৰ সুলভ যাতায়াত। আৰক্ষী থানা খনো মহাবিদ্যালয়খনৰ পৰা বেছি দূৰৈত নহয়। কপাহী মহাবিদ্যালয়খন বহুত পুৰণি। মহাবিদ্যালয়খনত বহুতো ল'ৰা-ছোৱালীয়ে অধ্যয়ন কৰে। বহু দূৰ-দূৰণি আনকি অতিকে পিছপৰা আওঁহতীয়া অঞ্চলৰ ল'ৰা-ছোৱালীও কপাহী মহাবিদ্যালয়লৈ পঢ়িবলৈ আহে।

কাবেৰী এজনী দুখীয়া ঘৰৰ ছোৱালী। তাইও কপাহী মহাবিদ্যালয়ৰে ছাত্ৰী। নিচেই সৰুতে মাকক হেৰুৱাৰ পিছত তাইৰ একমাত্ৰ ভায়েক আৰু কাবেৰীক অতি কষ্টেৰে দেউতাকেই ডাঙৰ দীঘল কৰে। আৰ্থিক দিশৰ ফালৰ পৰাও কাবেৰীৰ দেউতাকৰ তেনেই দুখলগা অৱস্থা। দিন হাজিৰা কৰি দুই সন্তানক কোনোমতে পোহপাল দিয়াৰ উপৰিও গাঁওতে থকা স্কুলখনত দুয়োকে নাম লগাই দি শিক্ষাৰ দিশটোও চলাই লৈ গৈছিল। গাঁওৰ মানুহেও কাবেৰীক যথেষ্ট মৰম কৰিছিল। মৰমতে গাঁওৰ সকলো মানুহে তাইক বগীতৰা বুলি মাতিছিল। দেখাতো কাবেৰীজনী বৰ ধুনীয়া আছিল বাবেই বহু ডেকাৰ দৃষ্টি তাইৰ ওপৰত নপৰাকৈ থকা নাছিল।

সময়ে বাগৰ সলোৱাৰ লগে লগে কাবেৰী জনীয়েও হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ল। অহা বছৰলৈ কাবেৰীৰ ভায়েকও মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হব। এইবোৰ লৈয়েই কাবেৰীৰ দেউতাকৰ চিন্তাই চুলিৰ আগ চুইছিলগৈ। কেনেকৈ কাবেৰীক কলেজত নাম লগাই দিব, সেই লৈয়েই কাবেৰীৰ দেউতাকে মহা বিমোৰত পৰিছিল। দেউতাকে জীয়েকৰ পঢ়াৰ প্ৰতি আগ্ৰহ থকাৰ বাবে গাঁওৰে কেইজনমান ধনী মানুহৰ হাতে-ভৰিয়ে ধৰি জীয়েকৰ পঢ়াৰ বাবে কেইটামান টকা গোটোৱাৰ সমল বিচাৰি পালে। নিজ গাঁওৰ পৰা পাঁচ কিলোমিটাৰমান দূৰৈত থকা কপাহী মহাবিদ্যালয়খনত দেউতাকে কাবেৰীক নাম লগাই দিলে। সেই দিনাখনৰ পৰাই কাবেৰীৰ কলেজীয়া জীৱনৰ নৱ-প্ৰভাত আৰম্ভ হ'ল।

সময়সূচী আৰু দিনবাৰৰ মূল্যায়নত সময়মতেই মহাবিদ্যালয়ৰ পাঠদান কামৰ আৰম্ভণি হ'ল। কিন্তু কাবেৰীৰ সমস্যাই তাইক জুৰুলা কৰি তুলিছিল। কেনেকৈ? কি পিন্ধি? কি খাই? ইত্যাদি প্ৰশ্নই কাবেৰীক নীচাত্মিকা কৰি তুলিছিল। ইমানবোৰ প্ৰশ্নই কাবেৰীৰ অন্তৰত হাহাকাৰ সৃষ্টি কৰিছিল। কাৰন এজোৰ পোছাক, এসাঁজ ভাত সময়তে পোৱাটো কাবেৰীৰ বাবে আছিল পৰ্বতত হাঁহ কণী বিচৰাৰ নিচিনা।

কলেজত পাঠদান কাৰ্য আৰম্ভ হোৱাৰ ভালেকেইদিন হৈ গ'ল। কিন্তু কেনেকৈ যাব? কি পিন্ধি যাব? এইবিলাক চিন্তাই কাবেৰীৰ মনত মহাপ্ৰলয়ৰ সৃষ্টি কৰিলে। তাই ভাবিবলৈ আৰম্ভ কৰিলে যে চিন্তাৰ জোৱাৰে তাইক কোনটো পাৰত অৱতীৰ্ণ কৰেগৈ? মনত অশেষ সাহস গোটাই বেচেৰীজনীয়ে এটা শেষ সিদ্ধান্তত উপনীত হ'ল আৰু মনত কিছু সাহস গোটাই ল'লে। সেইমতে, বিগত দিনত কপাহী মহাবিদ্যালয়ত অধ্যয়ন কৰা গাঁওৰে

এজনী ছাত্ৰীৰ পৰা এযোৰ ঐক্য পোছাক যোগাৰ কৰি পিছদিনাখনৰ পৰাই কলেজলৈ যোৱাৰ বাবে সিদ্ধান্তগ্ৰহণ কৰিলে। কথামতে কাম, পিছদিনাখনৰ পৰাই আৰম্ভ হ'ল কাবেৰীৰ কলেজীয়া জীৱনৰ শুভাৰম্ভ। কেইটামান পইতা ভাত খাইয়েই কাবেৰীয়ে সূচনা কৰিলে কলেজীয়া জীৱনৰ প্ৰাক্ সন্ধিক্ষণ। মহাবিদ্যালখন ঘৰৰ পৰা ভালেমান দূৰত হোৱাৰে বাবে ৰাতিপুৱা সোনকালেই পদযাত্ৰাৰে কলেজলৈ বুলি আৰম্ভ কৰিলে। কলেজ গৈ পোৱাৰ পিছত নৱ-পাঠিকাৰ লগত সমাযোজন কৰিবলৈ প্ৰথমাৱস্থাত নীচাত্মিকা মনোভাৱে কাবেৰীক জুমুৰি দি ধৰিছিল। আভিজাত্যৰে ভৰা সম্ভ্ৰান্ত পৰিয়ালৰ পৰা অহা শিক্ষাৰ্থী সকলৰ লগত কিদৰে চিনাকী হ'ব সেই লৈ মহা বিমোৰত পৰিছিল।

প্ৰথম কেইদিনমান অকলশৰীয়াকৈ থাকিয়েই সময় পাৰ কৰিলে। পুনৰ খোজকাঢ়ি ঘৰ পোৱাৰ পিছত কাবেৰীৰ মনত বিভিন্ন প্ৰশ্নই আমনি কৰিবলৈ এৰা নাছিল। খোজকাঢ়ি কেইদিনমান অহা-যোৱা কৰাৰ পিছত ভায়েক অমলে এখন পুৰণা চাইকেল যোগাৰ কৰি দি কাবেৰীৰ যাতায়ত কিছু পৰিমাণে সুচল কৰি তুলিছিল। এটা শৈক্ষিক মনোভাৱ অন্তৰত ৰোপণ কৰি কাবেৰীয়ে কলেজীয়া জীৱনটো কিছু পৰিমাণে জীপাল কৰি পঢ়াত মনপুতি লাগি গ'ল।

ইমানখিনিৰ পিছতো কাবেৰীৰ দুৰ্দশাই কিন্তু পিছ এৰা নাছিল। এদিনাখন ভঙা চাইকেলখনেৰে কলেজলৈ আহি থাকোতে কলেজৰ ওচৰত পুলিচ পহৰাদাৰী দলৰ সন্মুখতে চহৰৰেই চাৰিজনমান ডেকাই কাবেৰীক জোকাবলৈ আৰম্ভ কৰিলে। প্ৰথম অৱস্থাত কাবেৰীয়ে সিমান গুৰুত্ব দিয়া নাছিল যদিও পৰিস্থিতি জটিল হোৱাৰ পৰিপ্ৰেক্ষিতত কলেজৰ গেটত পহৰা দি থকা পুলিচ পহৰাদাৰী দলটোকে ঘটনাৰ বিষয়ে অৱগত কৰিলে। কিন্তু পহৰাদাৰী দলটোৱে কিবা ব্যৱস্থা লোৱাৰ বিপৰীতে কলেজৰ অধ্যক্ষক কথাটো জনাবলৈ পৰামৰ্শ দিলে। সেইমতে কাবেৰীয়ে মনত সাহস গোটাই লৈ অধ্যক্ষৰ কমত প্ৰৱেশ কৰিলে আৰু ঘটনাটোৰ সবিশেষ অৱগত কৰিলে। অধ্যক্ষই কাবেৰীৰ কোনো কথাৰেই সমিধান নিদিলে। বৰঞ্চ বিভিন্ন ধৰণৰ গালি-গালাজ পাৰি কাবেৰীক কমৰ পৰা বাহিৰ কৰি দিলে, লগতে কাৰো বাবে ব্যক্তিগত পুলিচ পহৰাৰ ব্যৱস্থা নাই বুলি অধ্যক্ষই তাইক ধমকি দিলে।

এক বিষাদসিক্ত অশ্ৰুনয়নেৰে বিফল হৈ অধ্যক্ষৰ কোঠ... পৰা ওলাই অহাৰ পিছত সেইদিনা কোনো ক্লাছ নকৰাকৈ... কাবেৰী ঘৰমুৱা হ'ল। ঘৰ পোৱাৰ পিছত দেউতাক আৰু আ... সকলো কথা বিৱৰি ক'লে। কিন্তু দেউতাকৰ আৰ্থিক অনাটন... বাবে হাতত ল'ব পৰা কোনো ধৰণৰ ব্যৱস্থা নাছিল। দেউতাকে... কাবেৰীক কলেজলৈ যোৱা পথ সলনি অন্য পথেৰে যো... বাৰে পৰামৰ্শ আগবঢ়ালে। শান্ত-শিষ্ট কাবেৰীজনীয়ে দেউতা... পৰামৰ্শমতে অন্য এটা বিকল্প পথেৰে অহা-যোৱা কৰাৰ বা... সিদ্ধান্ত গ্ৰহণ কৰিলে। ইমান বিলাকৰ পিছতো কাবেৰীক বিপ... পিচা এৰা নাছিল। কাবেৰীয়ে কোন পথেৰে কলেজলৈ অ... যোৱা কৰি থাকে, সেই গতিপথ উদণ্ড ডেকাবিলাকৰ আয়ত্ত... বেছি সময়ৰ প্ৰয়োজন নহ'ল। পুনৰ আৰম্ভ কৰিলে কাবে... ওপৰত অশ্লীল মন্তব্য উদণ্ড ডেকাবোৰে। তাইৰ বাবে অসম্ভৱ... উঠিল কলেজত পঢ়া মধুৰ ৰঙীন সপোন। ঠিক সেইদৰেই সকলো... কথা বিবৰি ক'লে দেউতাকক সেই মানৱৰূপী দানৱ সকলৰ... কাৰ্যৰ বিষয়ে। কি কৰিব ? কি নকৰিব ? এক জ্বলন্ত সমস্যাৰ উদ্ভ... হ'ল পিতা-পুত্ৰৰ মাজত। এক ঘোৰ অন্ধকাৰে আৱৰি ধৰিলে... সেই পৰিয়ালটোৰ অনাগত দিনবোৰত। নিঃকিন দেউতাকে... উপায়হীনহৈ সকলোবিলাক নিয়তিৰ হাতত অৰ্পণ কৰিলে।

উপায়হীন হৈ দুদিনমান কাবেৰীয়ে কলেজলৈ যো... কামটো বন্ধ কৰি দিলে। ভাগ্যক সাৰথি কৰি তাই ঘৰতে... সাধ্যানুসাৰে পঢ়া কামবিলাক সময়মতে কৰি থাকিল। নিয়তি... আশীৰ্বাদ, দুদিন পিছতে কাবেৰীৰ সম্বন্ধীয় মোমায়েক এজনে... কাবেৰীৰ সমস্যাটোৰ বিষয়ে উমান ল'বৰ বাবে আহিছিল... যাতায়াতৰ ব্যৱস্থা সুচল নোহোৱাৰ বাবে পুৰণা স্কুটাৰখনেৰে... আহিছিল, কাবেৰীক উৎসাহিত কৰিবৰ বাবে অতি হেঁপাহেৰে... কেইবাদিনৰ বিৰতিৰ পিছত ক্লাছ কৰিবৰ বাবে ভায়েক অমলে... মোমায়েকৰ পুৰণা স্কুটাৰ খনেৰেই কাবেৰীক লৈ গৈছিল... কলেজলৈ বুলি। বায়েক কাবেৰীক কলেজত সোমাই থৈ ভায়েক... অমলে বৈ থাকিল কলেজৰ গেটৰ সন্মুখতে অপেক্ষাৰত অৱস্থাত... বায়েকৰ ক্লাছ চুটি হোৱাৰ সময়লৈকে।

অন্যহাতে উদণ্ড ডেকাবোৰে কিন্তু অপেক্ষাৰত অৱস্থাত পাইচাৰি কৰি থাকে, কাবেৰীৰ লক্ষ্যৰে। উক্ত দিনাও অমলৰ অলক্ষিতে লম্পট কেইজনে কাবেৰীক লগ ধৰাৰ উদ্দেশ্যেৰেই সময় অতিবাহিত কৰিছিল। যথাসময়ত কলেজ ছুটী হ'ল। কলেজৰ সন্মুখত অমলে বৈ থকা অৱস্থাত স্কুটাৰত উঠিব ধৰাৰ সময়তে কাবেৰীক গাড়ীৰ পৰা নমাই আনিবলৈ আগবাঢ়ি আহিছিল আৰু গাড়ীখন আগচি ধৰিছিল। লম্পট কেইজনক বাধা দিয়াৰ বাবে অমলে অশেষ চেষ্টা চলাইছিল আৰু বাক্-বিতণ্ডাৰ সৃষ্টি হৈছিল। তেনেকুৱা এটা উত্তেজিত পৰিস্থিতিত অমলৰ বুকুত এখন চুৰি সোমাই দি কাবেৰীক তাতেই এৰি থৈ পাষণ্ডসকল নিৰাপদ ঠাইলৈ দৌৰি পলায়ন কৰিছিল। এক কাতৰ আৰ্তনাদত অমলে মাটিত পৰি চট্‌ফটাই আছিল আৰু ক্ষত স্থানৰ পৰা ৰক্ত নিৰ্গত হৈয়েই আছিল।

উপায়ন্তৰ হৈ কাবেৰীয়ে বাউলী হৈ বহুকেইজন লোকক প্ৰাৰ্থনা জনালে, ভায়েক অমলক কাতৰ যন্ত্ৰণাৰ পৰা অকণমান মুক্ত কৰিবলৈ। কিন্তু কোনেও তাইৰ কথাত সঁহাৰি জনোৱা নাছিল, আনকি কলেজৰ সন্মুখত পহৰা দি থকা আৰক্ষীৰ দলটোৱেও সহায় কৰিবলৈ আগবাঢ়ি অহা নাছিল। ৰাষ্ট্ৰীয় ঘাইপথেৰে নামি দামী গাড়ীৰে যাত্ৰা কৰা ভদ্ৰলোক বিলাকেও মানৱতাক দুভৰিৰে মোহাৰি উক্ত স্থানৰ পৰা সোনকালে আঁতৰি যোৱাৰ প্ৰয়াস চলাইছিল। জানোচা ভাবিছিল, মুখা পিন্ধা ভদ্ৰলোক বিলাকে, কিজানি দামী পোছাকজোৰত তেজৰ দাগ লাগেই, হয়তো বা সময় অতিবাহিত কৰিব লাগিব পাৰে।

তেতিয়ালৈ সময় ভালেইখিনি অতিবাহিত হৈছিল। অমলে কিন্তু মৰণ যন্ত্ৰণাত চট্‌ফটাবলৈ এৰা নাছিল। ভাগ্যক্ৰমে থেলাচালক এজনে সেইখিনি ঠাই পোৱাত কাবেৰীৰ অনুৰোধত সহায় কৰিবলৈ আগবাঢ়ি আহিল আৰু তেওঁৰে থেলাত তুলি ৰাজ্যিক চিকিৎসালয়খনলৈ লৈ গ'ল। ৰাজ্যিক চিকিৎসালয়খনৰ ডাক্তৰজনেও মানৱতাক বিসৰ্জন দি কাবেৰীৰ প্ৰাৰ্থনাত



কোনোধৰণৰ সঁহাৰি নজনালে আৰু চিকিৎসা কৰাৰ পৰা বিৰত থাকিল। ডাক্তৰৰ মন্তব্য ঘটনাটো হেনো মাৰ্ডাৰ কেচ্ পুলিচ লগত থাকিলেহে চিকিৎসা কৰিব পাৰিব। কাবেৰী দৌৰী দৌৰি গৈ ওচৰতে থকা পুলিচ থানাখনলৈ গতি কৰিলে আৰু থানাখনৰ পুলিচক ঘটনাটোৰ সবিশেষ বিৱৰি ক'লে, লগতে চিকিৎসালয়খনলৈ যোৱাৰ বাবে প্ৰাৰ্থনা কৰিলে। কাবেৰীৰ কাতৰ অনুৰোধত কোনো ধৰণৰ গুৰুত্ব নিদি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনে প্ৰশ্নহে সুধিলে যে কাবেৰীৰ ভায়েক অমলৰ বয়স কিমান? কাবেৰীয়ে ভায়েকৰ উচিত বয়সৰ প্ৰকাশ কৰাত বিষয়াজনেও গাড়ী চলোৱাৰ অনুজ্ঞাপত্ৰ নথকাৰ বাবে এক অপৰাধৰ গইনা লৈ কাবেৰীক থানাৰ পৰা খেদি পঠিয়ালে। কোনো ধৰণৰ সমিধান নাপাই কাবেৰীয়ে পুনৰ দৌৰি দৌৰি ঢাপলি মেলিলে লক্ষ্যস্থান চিকিৎসালয়খনলৈ। কিন্তু নিয়তিৰ কি নিদাৰুণ হৃদয়, কাবেৰীয়ে গন্তব্য স্থান মানে চিকিৎসালয়খন ঢুকি পোৱাৰ আগতেই অমলে শেষ নিশ্বাস ত্যাগ কৰিছিল।

এক নিদাৰুণ অন্ধকাৰে কাবেৰীক আৱৰি ধৰিলে। অমলৰ নিথৰ দেহ, চিকিৎসালয়ত এৰি থৈ কাবেৰীয়ে এক উচিত সিদ্ধান্তত উপনীত হ'ল। চহৰৰ এজন সৎ-সাবাদিকক লগ ধৰি অতি কম সময়ৰ ভিতৰতে ঘটনাটোৰ সবিশেষ সংবাদ মাধ্যমৰ যোগেদি প্ৰচাৰ কৰিলে। ৰাতিৰ ভিতৰতে ঘটনাৰ সবিশেষ সকলোৱে জনাৰ উপৰিও জিলাৰ উপায়ুক্তৰ কাণত নপৰাকৈ থকা নাছিল। ঘটনাটোৰ আচল গুৰি বিচাৰি পৰিস্থিতি ভয়ানক হ'ব বুলি ভাবিয়েই আৰম্ভণিৰ পৰাই সকলো তদন্তৰ ব্যৱস্থা কৰিলে। সেইমতে তদন্তৰ শেষত চহৰৰে উদণ্ড ডেকাহঁতক কৰায়ত্ব কৰি বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিলে।

সময়ৰ বিয়লিত ঘটনাটো আদালতৰ কাঠগড়াত উপনীত হ'ল যে ডেকা কেইজনক দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডেৰে দণ্ডিত কৰাৰ ৰায় দিলে। নৈতিক বিবেকেৰে পৰিচালিত কাবেৰীয়ে হাকিমৰ ৰায়ৰ কথা শুনি স্থিৰ হৈ থাকিব নোৱাৰি এক বিৰাট চিঞৰেৰে মন্তব্য আগবঢ়ালে। কাবেৰী কৈ উঠিল, তাই হেনো কোনো পক্ষপাতিত্বক প্ৰশ্ৰয় নিদিয়ে। হাকিমেও, কাবেৰীৰ কথা শুনি আচৰিত হ'ল আৰু কাবেৰী মনৰ সকলো কথা দ্বিধাহীনভাৱে প্ৰকাশ কৰিবলৈ অনুমতি প্ৰদান কৰিলে।

কাবেৰীয়ে কিছু সকাহ পোৱা যেন অনুমান কৰিলে আৰু এক উদাত্ত কণ্ঠে দপদপাই তাইৰ মনৰ কথাবোৰ প্ৰকাশ কৰাত ব্ৰতী হৈ পৰিল। কাবেৰীয়ে শেষ মন্তব্য আগবঢ়ালে যে উক্ত ঘটনাটোৰ বাবে চহৰৰ ডেকাকেইজনেই অকল দোষী নহয় ... ভায়েকৰ মৃত্যুৰ বাবে আৰু ভালেমান লোক উক্ত ঘটনাটোৰ লগত সাঙুৰ খাই আছে। সেইসকল লোকেও উপযুক্ত শাস্তি পালে তাইৰ ভায়েক অমলৰ আত্মাই চিৰশান্তি লাভ কৰিব পাৰিব।

হাকিমে পুনৰবাৰ কাবেৰীক তাইৰ মনৰ কথা প্ৰকাশ কৰাৰ বাবে অনুমতি দিলে। অকণমান অনুপ্ৰেৰণা পাই ভায়েকৰ আত্মাই চিৰশান্তি পোৱাৰ আশাৰে তাই শাস্তি পাব লগা ব্যক্তি বিলাকৰ নামবোৰ কৈ গ'ল। তাই কৈ গ'ল ভায়েক অমলৰ মৃত্যুৰ বাবে শাস্তি পাবলগীয়া ব্যক্তিৰ ভিতৰত প্ৰথমতেই থাকিব উক্ত কলেজখনৰ সন্মুখত পহৰাদাৰী পুলিচ দলটো, ঘটনাটো ঘটা সময়ত ৰাষ্ট্ৰীয় ঘাইপথেৰে পাৰ হৈ যোৱা তথাকথিত ভদ্ৰলোকসকল, কোনো কথাত গুৰুত্ব আৰোপ নকৰি তাইক চিকিৎসালয়ৰ পৰা বাহিৰ কৰি দিয়া চিকিৎসকসকল। অন্যথা এইসকল লোকে যদি নিজে কৰি যোৱা দোষৰ পৰা মুক্তি পায় তেনেহ'লে আমাৰ নিচিনা একো একোটা পৰিয়ালে স্বাধীনতাৰ যুগতো কোনো ধৰণৰ সমিধান নাপাব। কোনো কোনো অমানৱীয় ব্যক্তিৰ দ্বাবানলত আমি পুৰি শেষ হৈ যাম আৰু মানৱতাৰ অধঃপতনত এটি প্ৰাৰ্থনাৰ মৃত্যু ঘটিব। ■



# ৰহস্য



**মিৰ্জানুৰ ৰহমান**
পঞ্চম ষান্মাসিক, দৰ্শন বিভাগ

মাজনিশাৰ নিতাল-নিৰ্জন হাবিৰ মাজত থকা জুপুৰিটোত তেতিয়া মই শুই আছোঁ পৰিবেশটো তেনেই ভয়ংকৰ। মাজে-মাজে উইচিৰিঙাটোৱে চিঞৰি, কুকুৰবোৰে দীঘল-দীঘলকৈ ভুকিছে; হঠাৎ ফেঁচাটোৱে গছৰ ডালত বহি উকি দিছে। এইবোৰৰ ভয়লগা কোৰ্হালে পৰিবেশটো বাৰুকৈয়ে গধুৰ কৰি তুলিছে। তেতিয়া প্ৰায় ৰাতি ২ বাজিছে মই জুপুৰিটোত শুই আছো। হঠাৎ ক'ৰবাৰ পৰা এটা কান্দোনৰ ৰোল ভাঁহি আহি মোৰ কাণত পৰিল। মোৰ উৎকণ্ঠা বাঢ়িল। "এই ৰাতি কোনে কান্দিছে?" হঠাৎ মোৰ মনত পৰিল যোৱাকালি আইতাই কৈছিল, এইখন হাবিত হেনো এটা পিশাচিনী থাকে। গধূলি হোৱাৰ পিছত সেই হাবিলৈ আৰু কোনো নাযায়। পিশাচিনীয়ে হেনো সকলোৰে তেজ খায়। মোৰ ভয় লাগিব ধৰিলে। লাহে লাহে কান্দোনৰ শব্দ বাঢ়ি আহিল। কান্দোনৰ সেই ভয় লগা শব্দৰ লগত ফেঁচাটোৱে উকিছে, কুকুৰবোৰে দীঘল-দীঘলকৈ ভুকিছে। হঠাৎ কান্দোন বন্ধ হ'ল। মোৰ ভয় বাঢ়ি আহিল। এই মাজনিশা অসহায়! ভাবিলো কোনোবাই অসহায় হৈ মোৰ পৰা কান্দি কান্দি সহায় বিচাৰিছে নেকি? মই নীৰৱে কোঠালিটোৰ বিছনাখনত বহি থাকিলোঁ। আকৌ আৰম্ভ হ'ল সেই কান্দোনৰ ৰোল। শব্দটো শুনি ছোৱালী যেন লাগে!! হয়টো তাইক কোনোবাই বলাৎকাৰৰ এঙাৰ সোপা মুখত সানি দিছে!! তাই হয়তো নিৰুপায় হৈ কাৰোবাৰ সহায় বিছাৰি মোৰ জুপুৰিটোৰ কাষতে ক'ৰবাত বহি আছে! এনেবোৰ নানা ভাৱনা মোৰ মনলৈ আহিব ধৰিল। তাইক সহায় লাগে নেকি? মই ভাবিয়েই আছোঁ। ভয়ো লাগিছিল, কিজানিবা আইতাই কোৱা সেই পিশাচিনী জনীয়ে!!

কান্দোনৰ শব্দ বাঢ়িল। উইচিৰিঙাটোৰ শব্দও বন্ধ হ'ল। হয়তো সিয়ো কিবা গম পাইছে! সেই ভয়লগা অন্ধকাৰ পৰিবেশত কান্দোনৰ লগতে সুৰ ধৰি কুকুৰবোৰে আকৌ ভুকি পৰিবেশটো আৰু বেছি গধুৰ ভয়লগা কৰি পেলাইছে। "নহয় এয়া কোনো পিশাচিনী নহয়, হয়টো কোনোবা অসহায় ভগ্নীয়ে কাৰোবাৰ ধৰ্ষণৰ বলি হৈ মোৰ পৰা সহায় বিচাৰিছে!" মই বিছনাৰ পৰা নামি চাকিগছি জ্বলাই লাহেকৈ দুৱাৰখন খুলি চালোঁ। নাই কোনো নাই। কান্দোনৰ শব্দও বন্ধ হ'ল। আইতাই কোৱা কথাটো মনত পৰি মোৰ



ভয় বাঢ়িবলৈ ধৰিল। ভয়তে গাৰ নোমবোৰ শিয়ৰি উঠিল। আইতাই কোৱা কথাটো বাৰে-বাৰে মনত আহে। ভয়তে মই দৌৱা-দৌৰিকৈ দৰ্জাখন জপাই বিছনা পালো। মোৰ ভাব হ'ল 'তাইক যদি সহায় লাগে তাই আঁতৰিব কিয়? 'কুকুৰবোৰে আকৌ ভুকিবলৈ ধৰিলে। আকৌ আৰম্ভ হ'ল সেই কান্দোন। মই ভয়তে কঁপিবলৈ ধৰিলোঁ। এইবাৰ যেন শব্দটো মোৰ নিচেই কাষত।

চাকী গছি নুমাই গল। মই ভয়তে কঁপিবলৈ ধৰিলোঁ। সচাঁকৈ আজি মই সেই পিশাচিনীৰ হাতত বন্দী। ভয়তে মোৰ গোটেই শৰীৰটো ঘামি আহিল, উশাহ-নিশাহ খৰ হ'ল। নিৰবে থাকিব খুজিলেও যেন ভয়তে মোৰ মুখেৰে কঁপি- কঁপি শব্দ ওলাই আহে। মই ভয়তে আতুৰ হে বিছনাৰ পৰা নামি চাকিগছি জ্বলালো। কান্দোন বন্ধ হ'ল, কিন্তু কুকুৰবোৰে ভুকিয়েই থাকিল। হঠাৎ থিয় হৈ থকা ঠাইখিনিলৈ বিছনাৰ ৰঙা ৰঙা তেজ। মই বিছনাখনত চালো বিচনাৰ কাযত থোৱা কম্বলখনৰ তলৰ পৰা এটাৰী চুলি ওলাই আহিছে। মই ভয়তে চিঞৰি ক'লো, "কোন?" মাত নাই। ভয়তে মোৰ হাত ভৰিবোৰ থৰ-থৰকৈ কঁপিবলৈ ধৰিলে। চাকিগছি মোৰ হাততে আছে। মই আকৌ আতংকিত হৈ চিঞৰিলোঁ, "কোন? ইয়াত কি কৰিছ?" বুলি কৈ কম্বলখন গুচাই দিলো।

মই সাৰ পাই গ'লোঁ। লাইটটো জ্বলাই টেবুলত থকা বটলৰ পৰা অলপ পানী খালো। উহ্ বুলি এটা দীঘল হুমুনিয়াহ। আচলতে ইমান পৰে মই সপোনহে দেখি আছিলোঁ। ■

## মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ **মিৰ্জানুৰ ৰহমান,** পঞ্চম যান্মাসিক, দৰ্শন বিভাগ

১। আমাৰ লক্ষ্য স্থান ক'ত? সেইটো যদি ঠিক কৰিব নোৱাৰা, তেন্তে কোন পথে খোজ দিবা কেনেকৈ জানিবা। তোমাৰ লক্ষ্যই তোমাৰ পথ নিৰ্ধাৰণ কৰিব। - লিটন

২। শিক্ষাই জীৱন, জীৱনেই শিক্ষা। - লজ

৩। নিজক সদায় আনন্দত ৰাখিবা। আনন্দময়, উৎসাহী আৰু শক্তিমানৰ কাৰণেহে জগতখন, দুৰ্বল, নিৰুৎসাহী মানুহৰ বাবে নহয়। - ওমাৰ্চন

৪। যি মানুহৰ ধৈৰ্যশক্তি আছে, তেওঁৰ অসাধ্য একোৱে নাই। - বেঞ্জামিন ফ্ৰেংকলিন

৫। আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা। - চক্ৰেটিচ

মানুহে যিমান কিতাপ পঢ়িবলৈ শিকে সিমানে ভাবিবলৈ শিকে। - জৱাহৰলাল নেহৰু

৬। খং সংযত নকৰিলে নিজৰে সৰ্বনাশ হ'ব। অহংকাৰ নকৰিবা পতন হ'ব, কাকো ঘৃণা নকৰিবা, নিজেও ঘৃণিত হ'বা। - বিবেকানন্দ

৭। কাকো ফাঁকি নিদিবা ফাঁকত পৰিবা। কাকো দুখ নিদিবা, কাৰণ কাইলৈ তোমাৰ কি অৱস্থা হ'ব তুমি নাজানা। - হজৰত মহম্মদ

আজিৰ কাম কাইলৈ কৰিম বুলি থৈ নিদিবা, দৃঢ়তা আৰু আত্মবিশ্বাস থাকিলে জয়লাভ সুনিশ্চিত। - পিয়েৰ টেলহাৰ্ড

৮। আজিৰ কাম কাইলৈ কৰিম বুলি থৈ নিদিবা। - এমাৰছন

৯। পৰিস্থিতি যিমানেই ভয়লগা নহওক কিয়, দৃঢ়তা আৰু আত্মবিশ্বাস থাকিলে জয়লাভ সুনিশ্চিত। - মাৰ্গাৰেট বুনেন

১০। জীৱনটো হৈছে এক উত্তৰবিহীন সাঁথৰ। - জুলিয়েট বেষ্টিয়েনা

১১। প্ৰতিদিনে জীৱনটো উপভোগ কৰা, তেতিয়াহে ইয়াৰ আচল সোৱাদ পাবা।

১২। জীৱনত আগুৱাই যাব বিচাৰিছা যদি বাস্তৱৰ সন্মুখীন হ'বলৈ শিকা।

১৩। জীৱনটো এক মহৎ উপহাৰ। যিসকলে জীৱনক ভাল নাপায় সেইসকলে এই উপহাৰ গ্ৰহণৰ অনুপযুক্ত। - ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ



# অনামী বন্ধু



অলকেশ ডেকা
তৃতীয় যান্মাসিক, বাণিজ্য বিভাগ

এটা কাহিনী, কেতিয়া আৰম্ভ হৈছিল আৰু কেতিয়া পৰিসমাপ্তি ঘটিব কোনো নিশ্চয়তা নাই। হয়তো কিছুমান কাহিনীৰ পৰিসমাপ্তি নাথাকেই। বিলাসিতাৰ স'তে সহাৱস্থান কৰিব পৰাকৈ নমিতাৰ প্ৰয়োজনবোৰ আদৰ্শৱান শিক্ষক দেউতাকৰ সীমিত ক্ষমতাৰে কোনোদিনে সম্পূৰ্ণকৈ পূৰণ হোৱা নাছিল। আধাপূৰ্ণ সপোনবোৰেৰে তাই সদায়ে আকৌ এটা সপোন ৰচিছিল যদিও তাই জানিছিল যে ইয়াৰ পৰিণতিও অন্য এটা আধা আঁকা সপোন।

হুৰমূৰাই অহা বৰষুণ জাকৰ চিটিকনিয়ে নমিতাৰ ঘৰৰ বাৰাণ্ডাখনৰ প্ৰায় আধা অংশ তিয়াই পেলালে। চেঁচা বতাহৰ সৈতে অহা শুকান মাটিৰ ভিজা গোন্ধটো নমিতাই বৰ ভাল পায়। বৰষুণৰ সজীৱ চিটিকনিবোৰ গাত লৈ তাইৰ মনটোৱে আঁচল উৰুৱাই দিলে কিছুদিন আগৰ সেই বৰ্ষাসিক্ত ৰাতিটোলৈ। তাইৰ ধূলিয়ৰি জীৱনলৈও বৰ্ষা নামিছিল সেইদিনা। হয়তো এটা সম্পূৰ্ণ সপোন আঁকাৰ প্ৰস্তুতি চলিছিল। এনে এটা বৰ্ষাসিক্ত গহীন ৰাতি অবিৰাম বৰষুণৰ শব্দৰ তন্ময়তা ভাঙি হঠাৎ বাজি উঠিছিল তাইৰ মবাইল ফোনটো।

হেল্ল.... ? তাই ৰিছিভ কৰিছিল।

এটা পুৰুষৰ কণ্ঠস্বৰ ভাঁহি আহিছিল শুনা-নুশুনাকৈ। টিনৰ চালত হোৱা বৰষুণৰ শব্দৰ বাবে ভালদৰে বুজি পোৱা নগৈছিল ফোনৰ সিটো মূৰে থকা মানুহজনৰ কথাবোৰ। সেয়ে তাই ফোনটো ডিছকানেক্ট কৰি দিছিল। এসময়ত বৰষুণ থামিছিল। ঘৰৰ চালত ক্ৰমে ধীৰ হৈ পৰিবলৈ ধৰা বৰষুণৰ শব্দবোৰ শুনি শুনি তাইৰ চিলমিলকৈ টোপনি আহিছিল। তেনেতেই আকৌ সেই একেটা নম্বৰেই তাইৰ মোবাইল হেণ্ডছেটটো পোহৰাই পেলাইছিল।

ঃ হেল্ল'..?

ঃ .... সিমূৰৰ পৰা কোনো কণ্ঠস্বৰ ভাঁহি অহা নাছিল। কিছুপৰৰ নিৰৱতাৰ পিছত এটা পুৰুষ কণ্ঠই প্ৰশ্ন কৰিছিল—

ঃ নমিতা হয়নে?

ঃ হয়। আপুনি কোনে কৈছে?

ঃ ধৰি লোৱা মই কোনোবা তোমাৰ শুভাকাংক্ষী। কেনে আছা?

ঃ কোন হয় আপুনি? কি নাম আপোনাৰ? আশ্চৰ্যত তাইৰ ভ্ৰূ কোঁচ খাই গৈছিল।

ঃ কৈছোৱেই দেখোন মোৰ নাম জনাৰ কোনো প্ৰয়োজন নাই। ভাবি লোৱা যে মই তোমাৰ কোনোবা অনামী বন্ধু। তোমাক সদায় স্কুললৈ যাওঁতে দেখো বাটত। সদায় ভাবো তোমাক মাতিম বুলি। কিন্তু মতা নহয়। আচলতে তোমাক লৈ মোৰ মনত কোনো বেয়া ভাব নাই। তোমাৰ লগত কথা পতাৰ ইচ্ছা এটা মোৰ বহুদিনৰ পৰাই হৈ আছিল। তোমাক মোৰ ভাল লাগে। এতিয়া নুসুধিবা তোমাৰ নাম্বাৰটো মই ক'ত পালো? তোমাৰ লগত মই কেৱল কথা পাতিব বিচাৰোঁ।

.... অংকিতা নিৰ্বাক হৈ পৰিছিল। কি ক'ব কি নক'ব একো ভাবি পোৱা নাছিল। এনেদৰে জানো কোনো অচিনাকি মানুহৰ লগত কথা পতা যায়? পুৰুষৰ সেই গভীৰ কণ্ঠস্বৰটিয়ে তাইৰ মনত এক অন্য শিহৰণ তুলিছিল। বৰষুণৰ আমেজ, নিশাৰ গহীনতা- এই সকলো লগ হৈ তাইক যেন নিচাসক্ত কৰি তুলিছিল। কোনোমতে দুটামান শব্দ জোৰা লগাই তাইৰ মুখেৰে দুৰ্বল কণ্ঠস্বৰেৰে এটা শব্দ ওলাইছিল—

ঃ প্লীজ ফোন নকৰিব।

বিচনাত পৰাৰ পিছত কিছু সময়লৈ তাইৰ মনত বিভিন্নভাৱে খেলা কৰি আছিল যদিও দিনত হোৱা পৰিশ্ৰমৰ বাবেই তাই সোনকালেই টোপনিত পৰিছিল। পিছদিনালৈ আৰু এইবোৰ তাইৰ মনত সজীৱ হৈ থকা নাছিল। স্কুলত ল'ৰা-ছোৱালীৰ পঢ়াৰ মাজত তাই ব্যস্ত হৈ পৰিছিল। কিন্তু ৰাতি আকৌ সেই একেই সময়তেই তাইৰ ফোনটো বাজি উঠিছিল।

ঃ কিমানবাৰ ক'ব লাগে এইটো নাম্বাৰত ফোন নকৰিব বুলি? - প্ৰচণ্ড বিৰক্তিৰে তাই কৈছিল।

ঃ তোমাৰ ভইচটো চুইট হয়। - খং কৰাৰ সলনি আগন্তুকে এক আৱেগিক কণ্ঠস্বৰেৰে তাইৰ প্ৰশংসা কৰিছিল। - আজি যে সেউজীয়া ৰঙৰ কাপোৰযোৰ পিন্ধিছিলা তোমাক ধুনীয়া দেখাইছিল। অ', চকুত কাজল লগালে তোমাক বেছি ধুনীয়া দেখি। আজিৰ দৰে সদায় লগাবাচোন।

গভীৰ কণ্ঠস্বৰৰ প্ৰশংসাই আকৌ এবাৰলৈ জোকাৰি গৈছিল তাইক। 'থেংক ইউ' ক'ব খুজিও মৌন হৈ ৰৈ গৈছিল তাই। যেন শৰীৰৰ সকলো শক্তি শেষ হৈ গৈছিল কথা কোৱাৰ। ভাল লগা আৰু খং উঠাৰ মিশ্ৰিত অনুভৱেৰে সিক্ত হৈ তাই কোনোমতে পুনৰবাৰ কৈছিল ফোন কৰি আমনি নকৰিবলৈ। কিন্তু নমিতাৰ সকিয়নী আগন্তুকৰ বাবে যেন অনুমতিৰহে অন্য এটা নাম আছিল।

পিছদিনা পুৱা স্কুললৈ যাবলৈ ওলাওতে কাজল লগাবলৈ গৈ আইনাৰ সমুখত ৰৈ গৈছিল তাই। মনত পৰিছিল অনামী বন্ধুৱে কোৱা কথাখিনি। নমিতাৰ মনটো যেন কিবা এটা ভাল লাগি গৈছিল। মুহূৰ্ততে অনামী বন্ধুৰ প্ৰতি এক সহমৰ্মিতাৰে তাইৰ হৃদয়খন ভৰি পৰিছিল। কোনোবাই যদি কাৰোবাৰ স'তে কথা পাতি তৃপ্তি পায় তাত ভুল কি? তাই নিজকে প্ৰশ্ন কৰিছিল। ৰাতি বাৰে বাৰে নমিতাৰ দৃষ্টিয়ে ফোনটোকে অনুসৰণ কৰি আছিল। তাই বাৰে অনামী বন্ধুৰ ফোনকে প্ৰতীক্ষা কৰি আছিল। তাই বিহ্বিত কৰিছিল- নেকি??

পুনৰ ফোনটো বাজি উঠিছিল।

হেল্ল'...।

উম, কি কৰি আছা?

এনেই আছোঁ। আপুনি?

প্ৰথমবাৰলৈ নমিতাৰ পৰা পোৱা সঁহাৰিয়ে অনামী বন্ধুৰ কথা-বাৰ্তাত উছাহ আনি দিছিল।

লাহে লাহে নমিতাৰ জীৱনটোৱে পৰিৱৰ্ত... পোছাকযোৰ পিন্ধিবলৈ আৰম্ভ কৰিছিল। অনামী বন্ধুৰ ... কলৰ প্ৰতীক্ষা এতিয়া তাইৰ বাবে দিনসূচীৰ এটা কাম হৈ পৰিছিল। ভাল লাগিছিল তাইৰ অনামী বন্ধুক, তেওঁৰ কথাবোৰত ... প্ৰাণ আছিল। লাহে লাহে তেওঁলোকৰ বাৰ্তালাপে নিজৰ ... লগা বেয়া লগাৰ পৰা আৰম্ভ কৰি ধৰ্ম, ৰাজনীতি, চিনেমা ... পাইছিলগৈ। এনেদৰে অনামী বন্ধুৰ স'তে এক অনামী সম্পৰ্ক... বান্ধ খাই পৰিছিল নমিতা, যাৰ পৰিণতি তাই কাহানিও কল্পনা... কৰা নাছিল। এদিন অনামী বন্ধুৰ পৰা প্ৰেমৰ প্ৰস্তাৱ আহিছিল...

ঃ আমি কাইলৈ লগ কৰিম দিয়া না।

ঃ কিয়?

ঃ কিয় মানে? তুমিতো মোক আজিলৈ দেখাই নাই... তোমাৰ স'তে মুখামুখি হৈ কথা পাতিবলৈ মন গৈছে।

ঃ ওহোঁ, মই যাব নোৱাৰোঁ। অসন্মতি জনাইছিল তাই...

ঃ কিয়? আচৰিত হৈ পৰিছিল অনামী বন্ধু।

ঃ যাৰ নামেই নাজানো তেওঁক লগ ধৰিবলৈ মো... আত্মসচেতনতাই অনুমতি নিদিয়ে। কি ঠিক, তুমি কিজানি... ডকাইত বা স্মাগলাৰেই হোৱা।

- হাঁহি হাঁহি কোৱা নমিতাৰ কথাখিনিয়ে অনামী বন্ধু... মুখমণ্ডলৰ পৰাও আশ্চৰ্যৰ ডাৱৰ আঁতৰাই পেলালে।

ঃ আৰে, কি যে কোৱা। নহয় নহয়। মই ডকাইত... স্মাগলাৰ সেইবোৰ একো নহয়। ঠিক আছে তেন্তে, যদি লগ... পোৱাৰ চৰ্ত সেইটোৱেই হয়, তেন্তে মোৰ পৰিচয়টো দিবই লাগি... মোৰ নাম যতীন। যতীন বৰুৱা। পি.ডব্লিউ.ডি.ত চাকৰি কৰোঁ... ঘৰ গোলাঘাটত। ইয়াতে গণেশগুৰিত ভাৰাঘৰত থাকোঁ। তুমি... যে স্কুললৈ যোৱা মই ৰণ্টুৰ দোকানত বহি সদায় তোমাক চা... থাকো। ৰণ্টুৰ দোকান চিনি পোৱা নিশ্চয়। তাৰপৰাই মই গম... পাইছিলো তুমি সেইখন স্কুলত কাম কৰা বুলি।

পিছদিনা নমিতাই লগ ধৰিছিল অনামী বন্ধুক। অনামী বন্ধু নহয়, যতীন বৰুৱাক। এযোৰ পাতল নীলা চুৰিদাৰ পিন্ধিছিল তাই। খুব উত্তেজিত হৈ আছিল সেইদিনা নমিতা। লগতে ভালো লাগিছিল। ব্যক্তিত্বৰ স'তে মিল থকা সুন্দৰ যুৱক যতীন বৰুৱা। দুয়ো ব্ৰহ্মপুত্ৰৰ ঘাটত মৌন হৈ বহি আছিল। পাতিবলৈ যেন কথাবোৰ কাহানিবাই শেষ হৈ গৈছিল। পাতিব খোজা কথাবোৰ ডিঙিলৈ আহি ৰৈ গৈছিল দুয়োৰে।



এটা সময়ত সকলো স্তব্ধ হৈ পৰিছিল নমিতাৰ বাবে। হয়তো নৈখনো ববলৈ পাহৰি গৈছিল। যতীনে তাইক ভালপোৱাৰ প্ৰস্তাৱ দিছিল। নমিতা উঠি আহিছিল যতীনৰ কাষৰ পৰা। সম্পৰ্কৰ সীমাৰেখাডালক বন্ধুত্বৰ পৰা প্ৰেমলৈ বিস্তৃত কৰাটো হয়তো ইমান সহজ নহয়।

দুদিনমান পিছত সকলো সহজ হৈ পৰিছিল। নমিতাই পূৰ্ণ সপোন অঁকাৰ প্ৰস্তুতি চলাইছিল। তাই যতীনৰ প্ৰেমৰ প্ৰস্তাৱত সন্মতি জনাইছিল। তাৰ পিছত আৰম্ভ হৈছিল তাইৰ বিলাসিতাৰ স'তে সহাৱস্থান- প্ৰেমৰ বিলাসিতা, প্ৰাচুৰ্যৰ বিলাসিতা। শ্বপিং মল, চিনেপ্লেক্স, ৰেস্তোঁৰা কোনোখন ঠাইয়েই বঞ্চিত হোৱা নাছিল তেওঁলোকৰ পদধূলিৰ পৰা। নমিতাই নিজৰ ঘৰত সকলো কথাই জনাই দিছিল। কিন্তু যতীনে কিছু সময় বিচাৰিছিল।

সকলো নিয়মমাফিক ঠিকেই চলি আছিল। কিন্তু তিনিদিনমান আগৰ পৰা যতীনৰ ফোন চুইছ অফ হৈ আছিল। বহুত চেষ্টা কৰিও নোপোৱাত নমিতা বৰ চিন্তিত হৈ আছিল। কিন্তু আজি পুৱা ফোন আহিছিল যতীনৰ-

ঃ নমিতা প্লীজ এবাৰ মোক লগ কৰা। তোমাৰ লগত জৰুৰী কথা আছে।

তাই কিবা কোৱাৰ আগতে ফোনটো কাটি দিছিল যতীনে। বিধ্বস্ত চেহেৰাৰে এমুখ ডাড়ি, দীঘল চুলিৰে যতীনক দেখি ভয় খাই গৈছিল নমিতা। ব্যস্ত হৈ পৰিছিল তাই যতীনক লৈ।

ঃ ঘৰত আমাৰ ৰিলেশ্বনটোক লৈ বহুত প্ৰব্লেম হৈছে। মা-দেউতাহঁতে তুমি সৰু জাতৰ বাবে একেবাৰে মানি ল'ব খোজা নাই। আমি সোনকালে কিবা এটা কৰিব লাগিব। মোৰ বন্ধু এজনৰ কামাখ্যাত চিনাকি আছে। তুমি কাইলৈ ৰেডী হৈ থাকিবা। আমি বিয়া পাতিম।

পুনৰবাৰ নমিতা নিৰ্বাক হৈ পৰিছিল। এনেদৰে জানো কোনোবাই বিয়া পাতে?

তাই বহুত চেষ্টা কৰিছিল, কিন্তু যতীনে কোনোপধ্যেই বুজিবলৈ চেষ্টা নকৰে। শেষত তায়ো সন্মতি দিবলৈ মান্তি হ'ল। বৰষুণ কিছু কমিছে যদিও পাতল বতাহ এজাক এতিয়াও বৈ আছে। বতাহজাকৰ স'তে বৈ অহা এটা অজান অনুভূতিয়ে তাইৰ মনত কিছু ভয়ৰ সঞ্চাৰ কৰিছে। হয়তো কাইলৈৰ দিনটোৰ কথা ভাবিয়েই এনে হৈছে। সকলো ছোৱালীৰেই হয়তো আটাইতকৈ ভাল লগা সপোনটোৱেই হ'ল বিয়া।

আগৰাতি হোৱা বৰষুণৰ বাবেই ৰাতিপুৱাটো তাইৰ বৰ চিকুণ লাগিল। চৌপাশে এক সজীৱ সজীৱ ভাব। বহুদিন ধূলি পৰি থকা বাৰাণ্ডাৰ কাষৰ ফুলকেইজোপাও বৰষুণ পৰা বাবে নিকা দেখা গৈছে। যতীনৰ গাড়ীৰ হৰ্ণত তাই দৌৰাদৌৰিকৈ তলা বন্ধ কৰি ওলাই গ'ল।

পুৰোহিতৰ মন্ত্ৰোচ্চাৰণৰ লগে লগে তাইৰ বুকুৰ ঢপঢপনি দ্ৰুতগতিত বাঢ়ি গৈ থাকিল। মাক-দেউতাকৰ অনুপস্থিতিৰ শূন্যতাই তাইক দহি থাকিলেও যতীনৰ মুখৰ সন্তুষ্টিৰ হাঁহিৰ দ্বাৰাই তাই তাৰ ক্ষতিপূৰণ কৰিলে। বিবাহ সম্পন্ন হোৱা বুলি পুৰোহিতে কোৱাৰ পিছতহে তাইৰ হৃদপিণ্ডটো ক্ষান্ত হ'ল। সিহঁতে নিজৰে বন্ধু-বান্ধৱীৰ স'তে এটা সৰু পাৰ্টি কৰিলে। কিন্তু সমস্যাটো হ'ল থকাক লৈহে। যতীনৰ মতে- 'মোৰ সেই হাঁহৰ গৰালটোলৈ তোমাক নিব নোৱাৰোঁ।'

উপায় নাপাই শেষত দুয়ো ল'জত থকাৰ সিদ্ধান্ত ল'লে। এৰাতি ল'জত থাকি পিছদিনা তাইক গোলাঘাটৰ ঘৰলৈ লৈ যাব।

পিছদিনাৰ পুৱাটো নমিতাৰ বাবে সপোনৰ প্ৰথম পুৱা। আজি তাই যতীনৰ ঘৰলৈ যাব। জীৱনত প্ৰথমবাৰৰ বাবে তাই এটা স্বীকৃতি পাব অইনৰ ঘৰৰ বোৱাৰীৰূপে। এই স্বীকৃতিৰ সন্মানেই সুকীয়া। বিচনাত আলস্যৰে শুই থকা যতীনক তাই হেঁচুকি হেঁচুকি জগালে। তাৰ মুখত ফুটি উঠা বিৰক্তিকো তাই অগ্ৰাহ্য কৰিলে ঘৰলৈ যোৱাৰ উছাহতে। অইন দিনা হোৱা হ'লে অভিমানৰ গোটেই পাহাৰখন তাই গো-গ্ৰাসে গিলি থ'লেহেঁতেন।

কিছুদূৰ যোৱাৰ পিছতেই তাই ৰেডিঅ'টো অন কৰি দিলে। লং ড্ৰাইভত গ'লে গান শুনিবলৈ তাই বৰ ভাল পায়। নমিতাই লক্ষ্য কৰিলে যতীন আজি প্ৰয়োজনতকৈ বেছি গহীন হৈ আছে। তাই জানে যে ঘৰত কথাটো মানি ল'ব নে নলয় তাকে লৈ সি মানসিক অন্তৰ্দ্বন্দ্বত ভূগিছে। তাৰ কান্ধত হাত থৈ তাই আশ্বাস দিলে-

চিন্তা নকৰিবা। চব ঠিক হৈ যাব।

যতীনে এবাৰ নমিতাৰ ফালে চাই নিশ্চুপ হৈ ৰ'ল। তায়ো গানৰ মাজতে নিজকে এৰি দিলে।

কিমানদূৰ আহিছিল তাই নাজানে। হয়তো তাইৰ গাড়ীৰ মৃদু জোকাৰণিৰ আমেজতে চিলমিলকৈ টোপনি আহিছিল। হঠাৎ ব্ৰেক মৰাত তাই সাৰ পাই গ'ল। তাই দেখিলে যে যতীনে গাড়ীৰ

পৰা নামি গৈছে। কিবা অঘটন ঘটাৰ আশংকাত তায়ো নামি গ'ল।

কি হ'ল? কিয় ৰখালা গাড়ীখন? -ভয়তে তাই প্ৰায় চিঞৰি উঠিল।

নমিতা, আমাৰ ঘৰত কথাটো মানি নল'ব। আমি ঘূৰি যোৱাই ভাল হ'ব। অশান্ত হৈ যতীনে ক'লে।

ৰিলেক্স। কিয় মানি নল'ব। তুমিতো তেওঁলোকৰে সন্তান। তোমাক নিশ্চয় মাফ কৰি দিব কথাটোত। আমি যিমানেই পলম কৰিম ক্ষতি আমাৰেই হ'ব। - নমিতাই বুজাবলৈ চেষ্টা কৰিলে।

কিছু সময় যতীনে অধৈৰ্যভাৱে বাটতে ইফালৰ পৰা সিফাললৈ পায়চাৰি কৰি থাকিল। কিছু সময় মূৰত ক'লে- 'মই এটা কাম কৰোঁ। প্ৰথমে ময়েই গৈ কথাবোৰ ঘৰত বুজাই কৈ আহোঁ। যদি সন্মতি দিয়ে তেন্তে তোমাক আহি লৈ যামহি। তুমি অলপ সময় ইয়াতেই থাকিবা?'

'নালাগে ময়ো যাম তোমাৰ লগত।' অচিনাকি ঠাইত অকলশৰীয়া হোৱাৰ ভয়ত তাই ক'লে।

'নমিতা, তোমাৰ অপমান হোৱাটো মই কেতিয়াও সহ্য কৰিব নোৱাৰোঁ।'

'প্লীজ, বুজিবলৈ চেষ্টা কৰা।'

যতীনৰ অনুৰোধত শেষত নমিতাই সন্মতি দিলে- 'ঠি... আছে। কিবা অসুবিধা হ'লে ফোন কৰিবা।'

এনেদৰে প্ৰায় আধাঘণ্টামান পাৰ হৈ গ'ল। অচিনাকি ঠাইত অকলশৰীয়া হ'লে এটা মুহূৰ্তও হাজাৰ যুগত পৰিণত হয়। নমিতাৰো একেই হৈছে। যতীন ঘূৰি অহাৰ দিশে চাওঁতে চাওঁতে তাইৰ আমনি লাগিছে। ক্ৰমে সময়বোৰ পাৰ হৈ গৈ আছে। এঘণ্টাৰ পৰা সময় গৈ তিনিঘণ্টা পালেহি। যতীন উভতি অহা নাই। অথচ সিতো কৈছিল ইয়াৰ পৰা ঘৰলৈ প্ৰায় ডেৰ মিনিটমান বাট বুলিহে। অধৈৰ্য হৈ পৰিছে নমিতা। কিবা অজান আশংকাত বাৰে বাৰে বুকুখন কঁপি উঠিছে। অধৈৰ্য হৈ তাই যতীনৰ ফোন নাম্বাৰ ডায়েল কৰিলে-

ঃ হেল্ল'- সিমূৰৰ পৰা যতীনৰ কণ্ঠস্বৰ ভাঁহি আহিল।

ঃ কি হ'ল? - অধৈৰ্যভাৱে নমিতাই সুধিলে।

ঃ ক'ত কি হোৱা দেখিলি? - পুৰুষৰ এটি ৰুক্ষ, কৰ্কশ কণ্ঠশ্বৰ ভাঁহি আহিল আৰু সিমূৰৰ পৰা ফোনৰ লাইনটো কাটি দিলে।

নমিতা হতভম্ব হৈ পৰিল। তাইৰ হৃৎপিণ্ডটোৱে ঢপঢপাবলৈ পাহৰি গ'ল। তাই পুনৰ ডায়েল কৰিলে-

দা নাম্বাৰ ইউ হেভ ডায়েলড ইজ কাৰেণ্টলি চুইটছ অফ...

নমিতাৰ সপোনটো আকৌ আধা আঁকা হৈ ৰ'ল। ■

## আৱিষ্কাৰ আৰু আৱিষ্কাৰক

সংগ্ৰাহক- **ৰশ্মি বেগম,** প্ৰথম ষান্মাসিক, দৰ্শন বিভাগ

| | | |
|---|---|---|
| টেলিভিচন | - | জন বেয়ার্ড |
| টেলিফোন | - | আলেকজেণ্ডাৰ গ্ৰাহাম বেল |
| কাগজ | - | চাইলুণ |
| কেমেৰা | - | ইষ্টাবেণ |
| দূৰবীণ | - | গেলিলিও |
| কম্পিউটাৰ | - | চাৰ্লছ বেবেজ |
| ইলেক্ট্ৰনিক বাল্‌ব | - | টমাছ এডিচন |
| এৰোপ্লেন | - | ৰাইট ভাতৃদ্বয় |
| ৰিভলভাৰ | - | কোল্ট্ |
| শিফট | - | ওটিশ |



# সন্ত্ৰাসবাদ ঃ এক ধুমুহা



নিকুমণি কলিতা
দ্বিতীয় ষান্মাসিক, ইংৰাজী বিভাগ

নিলেশ! এয়া আপোনাৰ জোতাযোৰ চাঁওকচোন। একদম পলিচ হৈছেনে? অঞ্জুৱে ৰাতিপুৱাৰ কামৰ বোজাৰ মাজতো নিলেশৰ বাবে সময় উলিয়াইছে যাতে যা-যোগাৰত কোনো খুটি-নাটি নাথাকে। তেওঁৰ বাবে সময়ৰ মূল্য আনতকৈ কিছু বেলেগ। ভালদৰে বস্তুবোৰ ঠিক-ঠাক নহ'লে তেওঁৰ খং উঠিব। এনেতে নিলেশে নিজৰ ড্ৰেচ কৰি বাৰাণ্ডালৈ ওলাই আহিল। অঞ্জুৰ মুখত এটি ব্যতিক্ৰম উৎকণ্ঠা নিলেশৰ উত্তৰটো শুনিবলৈ। নিলেশে জোতাজোৰ দেখি মিচিকাই হাঁহিলে- আৰে! তোমাক মোৰ লগতেই বোৰ্ডাৰলৈ লৈ যাব লাগিব যেন পাইছোঁ, একদম প্ৰফেচনেল পলিচমেন হৈ উঠিছা.. হাঃ হাঃ। বাঃ অঞ্জুৰ যে কি স্ফুৰ্তি। হাঁহিৰে চমকি উঠি তাই নিলেশৰ বাবে ভাত বাঢ়িলে নতুন কাঁহি-বাতিত। আজি এমাহ চুটিলৈ আহি সংসাৰ জীৱন নিয়াৰিকৈ পালন কৰি নিলেশ যাবলৈ ওলাইছে দেশ ধৰ্ম পালনৰ বাবে। কলিগসকল ১০ মিনিট পিছত আহি পাবই গাড়ীসহ। লৰা-লৰিকৈ ভাতকেইটা মুখত গুজি লৈ নিলেশ ওলাই আহিল। এনেতে পিছৰ পৰা সাৱটি ধৰিলে ৬ বছৰীয়া চুনু আৰু একে লগৰ মুনুৱে! পাপা! আকৌ কেতিয়া আহিবা? দুয়োটা যেন উদাস! নিলেশে দুয়োটাৰে গালত চুমা খাই ক'লে তোমালোকৰ স্কুলৰ 'এনুৱেল ডে' আহিব নহয়, মইতো মোৰ কলিজা দুজনীক দেখুৱাব নিবই লাগিব হয়নে? নিশ্চই আহিম। এতিয়া পাপাক চুমা দিয়া.... আৰু মাক ডিষ্টাৰ্ব নিদিবা হ'বনে? মায়ে মোক জনাব কিন্তু ফোনেৰে হ'মৱৰ্কবোৰো ভালদৰে কৰিছানে নাই। অ'কে পাপা। দুয়োজনীয়ে বদমাচী হাঁহিৰে পাপাকক চুম্বন দি বিদায় জনালে। অঞ্জুৰ মুখত ১০ মিনিট আগত থকা হাঁহিটো ক্ৰমাৎ কমি আহিল যেন নিলেশৰ চকুত পৰিল। পদূলিত কলিগসকলে হাত বোলাই আছে। নিলেশ বাছত উঠি সৱকে সুপ্ৰভাত জনাই নিৰ্দিষ্ট চিটটিত বহিল। যাত্ৰা আৰম্ভ হ'ল- বাছ প্ৰায় লক্ষ্যৰ ওচৰ চাপিছে। নিলেশক অঞ্জুৰ মুখৰ শেতা হাঁহিটোৱে বাৰে বাৰে আমনি কৰি আছে। সি ফোন লগালে আৰু সেইফালৰ পৰা অঞ্জুৰ উৎসুক প্ৰশ্ন- "পালেনে? ৰাস্তাত দুপৰীয়া আহাৰ কৰিলেনে?" নিলেশে ক'লে- "পাবৰ হ'লেই, চিন্তা নকৰিবা, তুমি কামবোৰ কৰা, ৰুম পালে মই জনাম।" ফোনটো কাটিব পাহৰি নিলেশে পকেটত থ'লে। অঞ্জুৱে ক'লে- "নিলেশ, কিবা ক'ব নেকি?". ফোনটো কাটিব পাহৰিলে চাগে। মই ৰাখি দিছোঁ।

এনেতে কিবা এক অদ্ভুত শব্দ ফোনত বাজি উঠিল। অঞ্জু চমক খাই উঠিল। নিলেশ.... সেয়া কিহৰ শব্দ আছিল... নিলেশ.... ওহ.... আপুনি ফোনটো কাটিব পাহৰিছে......। ফোন ৰাখি অঞ্জু নিজৰ কামত ব্যস্ত হৈ পৰিল। সন্ধিয়া বাগৰিল... অঞ্জুৰ যেন কিবা মনটো খুদুৱনি যেন লাগিছে। নিলেশে পালেনে নাই নজনালে। ফোনটো বিচাৰি তাই ড্ৰইং ৰুম পালেহি.. শাহুমাকে অতি উচ্চ শব্দত টি.ভি. চেনেল চাই আছে...

মা! অলপ সৰুকৈ দিয়ক না! ৰাতিপুৱাৰে পৰা মোৰ মূৰটো বিষাই আছে।

মাকে ক'লে- ৰ'বানা বোৱাৰী! কিবা বোমাৰ খবৰ দিছে। (থৰক বৰক মাতেৰে)

অঞ্জুৱে ডাঙৰকৈ শুনিলে- অসমৰ ৰাইজৰ বাবে এটা অতি দুঃসংবাদ। আজি দুপৰীয়া নেপাল বোৰ্ডাৰৰ ওচৰত হোৱা বিস্ফোৰণত ১৫ জন আৰ্মি জোৱানক ভাৰতবৰ্ষই হেৰালে। লগতে অসমৰ ৰাইজে হেৰালে তেজপুৰ নিবাসী নিলেশ বৰা নামৰ ৩০ বছৰীয়া সবল যুৱকক!!!

বুঢ়ীমাকে চিঞৰি আছে- অঞ্জু, অঞ্জু, কি হ'ল তোমাৰ... উঠা, উঠা!! ■

মহাবিদ্যালয় সপ্তাহ উপলক্ষে আলোচনী বিভাগৰ দ্বাৰা আয়োজিত থিতাতে লিখা গল্প প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত।

# এনেকৈয়ে ভাগেনে সপোন




স্মৃতিলেখা দাস
দ্বিতীয় যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ


### প্ৰথম খণ্ড ঃ

পুৱাৰ হেঙুলী সুৰুযৰ কিৰণ খিৰিকীখনেৰে আহি চুমিৰ মুখত পৰিছে। সুৰুযৰ কিৰণত তাই সম্পূৰ্ণৰূপে জিলিকি উঠিছে। খিৰিকীৰে সোমাই আহিছে ফিৰফিৰিয়া বতাহ। বতাহত তাইৰ চুলি উৰিবলৈ ধৰিছে। ভিন্ন চৰাইৰ নানা মাত। আঃ! কি সুন্দৰ পৰিবেশ। এনেতে ফোন আহিল জোনৰ।

জোন ঃ ফোন কৰিব নোৱাৰ' নেকি সাৰ পাই এতিয়া যে ফোন কৰাৰ লগে লগেই ৰিচিভ কৰিছ'

(অলপ অভিমানেৰে কয় সি)

চুমি ঃ ৰিচিভ কৰিব নালাগিছিল মানে!

(তাই আৰু অভিমানেৰে কয়)

চুমি আৰু জোনৰ প্ৰেমৰ সম্পৰ্ক কিছু পুৰণি। সিহঁতৰ সম্পৰ্ক চাৰি বছৰ অতিক্ৰম কৰিলে। নানা খং, অভিমান, বিশ্বাস, মৰম, ভালপোৱাৰে দুয়ো সিহঁতৰ সম্পৰ্ক চাৰি বছৰলৈ আগুৱাই নিলে। ইজনে আনজনক বহুত বেছি ভাল পায়। অকল ভালপোৱাই নহয় দায়িত্ব বোধো বহুত। সিহঁতৰ মাত্ৰ বেলেগতকৈ যেন অলপ বেলেগ। সিহঁতৰ সম্পৰ্কক লৈ দুয়ো বহুত সুখী। আৰু সিহঁতৰ বিশ্বাস দুয়ো ভৱিষ্যতলৈ সুখী হ'ব পাৰিব।

জোন আৰু চুমি একেলগে পঢ়ে। এইবাৰ বি... তৃতীয় যান্মাসিকৰ ছাত্ৰ। দশম মান শ্ৰেণীত থাকোতে দুয়োৰে আৰম্ভ হৈছিল প্ৰেমৰ নতুন শিহৰণ। প্ৰথম ভালপোৱা শেষলৈ জীয়াই ৰাখিবলৈ দুয়ো সাজু। ... প্ৰাণ দুয়োৰে যে এক অন্তৰ আত্মা।

চুমি আৰু জোনৰ সম্পৰ্কৰ কথা বহুতে জানে যদি... চুমিৰ ঘৰত গম পোৱা নাছিল। কিন্তু জোনৰ ঘৰত চুমি... নিজৰ বোৱাৰী কৰি নিব বিচাৰিছিল। কিন্তু দুয়ো বিয়ে... পঢ়ি আছে সেয়ে এতিয়া যেনেকৈ আছে জোনৰ চাক... নোহোৱালৈ তেনেকৈয়ে থাকিব ক'লে। এনেকৈ... দিনৰ পিছত দিন বাগৰিব ধৰিলে।

এদিন হঠাৎ জোনে চুমিক সুধিলে!! চুমি তোমা... যদি মোৰ লগত বিয়া নিদিয়ে তেতিয়া তুমি কি কৰি... তেতিয়া চুমিয়ে ক'লে মোৰ সুখে মা-দেউতাৰ সুখ আ... মই জানো মোক তোমাৰ লগত বিয়া দিব। মই মা... দেউতাক মনাই লম। আৰু যদি নিদিয়ে তেতিয়া পলা... আহিম। জোনে আৰু ক'লে, যদি মই চাকৰি নাপা... তেতিয়াও আহিবানে? চুমিয়ে বুকু ডাঠি ক'লে আহি... বুলি। মই মাথো তোমাৰে জোন। তুমি এইবিলাক কি... ভাবি থাকা। চুমিয়ে ক'লে"!!

জোন ঃ জানো চুমি তোমাৰ দেউতা হ'ল এজন ভাল শিক্ষ... আমাতকৈ তোমাৰ পৰিয়াল বহুগুণে উচ্চ খাপৰ আ... তাতেই তুমি একমাত্ৰ ছোৱালী। কেতিয়াবা এইবিলা... কথা ভাবিলে মোৰ টোপনি নাহে জানা চুমি!!!

চুমি ঃ তুমি এইবিলাক কিয় ভাবি থাকা জোন। মই তোমা... ভালপাওঁ জোন আৰু মই তোমাৰে। এইবিলাক ভা... মন বেয়া কৰি নাথাকিবা।

জোন ঃ জানো ও পাগলীজনী মোৰ। আমি দুয়োটাই সদায় আমি হৈ থাকিম। মোৰ এটাই সপোন কি জানা তোমাক মোৰ কৰি লোৱা।

চুমি ঃ হ'ব দে আৰু এই এ উলিয়াই থাকিব নালাগে। এনেদৰে কিছু দিন গ'ল।

তাৰ পিছত আৰম্ভ হ'ল জীৱনৰ এটি নতুন খোজ। দুখ, চকুপানী আৰু যন্ত্ৰণাৰে ভৰা এটি জীৱন। মৰহি গ'ল সপোনত সজা পঁজাঘৰ।

### দ্বিতীয় খণ্ড

তিনিমাহ পিছত

জোন আৰু চুমিৰ সম্পৰ্ক তিনিমাহ পিছত আধৰুৱা সপোন হৈ পৰিল। চুমিৰ জীৱনলৈ আহিল এজাক ডাঙৰ ধুমুহা। যি ধুমুহাই নিমিষতে অন্ত পেলাই দিলে সিহঁতৰ চাৰি বছৰীয়া প্ৰেমৰ সম্পৰ্ক। কি নো ধুমুহা আছিল বাৰু?? চুমি যিহেতু ঘৰৰ একমাত্ৰ ছোৱালী। সেয়ে তাইক এটি আভিজাত্য পৰিয়ালত বিয়া দিব বিচাৰিছিল। যদিও চুমি এতিয়া পঢ়ি আছে মাক-দেউতাকে সুবিধা পালে তাইক বিয়া দিব। সেয়ে তিনিমাহ পিছত তাইক এজন ল'ৰাই চাবলৈ আহিছিল। ল'ৰাজনৰ নাম নয়ন। নয়ন এজন ডক্তৰ। আৰু নয়নে চুমিক প্ৰথম দেখাতে পচন্দ কৰিছিল আৰু অতি সোনকালে বিয়াৰ প্ৰস্তাৱ দিলে। চুমিয়ে ঘৰত এই কথা অমান্তি কৰাত তাইক মা দেউতাকে গালি-গালাজ পাৰিব ধৰিলে।

চুমিয়ে মাক-দেউতাকৰ আগত জোনৰ কথা সকলো ভালদৰে ক'লে। আৰু এইটোৱে ক'লে যে তাই জোনক এৰি আনলৈ যাব নোৱাৰে। জোনক দিয়া বিশ্বাস, প্ৰতিশ্ৰুতি তাই ভাঙিব নোৱাৰে।

চোৱা মা জোন আৰু মোৰ সম্পৰ্ক চাৰিবছৰ পুৰণি আৰু আমি ইজনে আনজনক বহুত ভালপাওঁ। মই জোনক এৰি থাকিব নোৱাৰো মা। তোমালোকে কিয় বুজি নোপোৱা। মই নয়নৰ লগত সুখত থাকিব নোৱাৰিম দেউতা। কিন্তু চুমিৰ কথা তাইৰ মাক-দেউতাকে বুজি নাপালে। মাক-দেউতাকে ক'লে যে চা মাজনী নয়ন এজন ডক্তৰ। ভাল চাকৰি কৰে আৰু ল'ৰাজনো ভদ্ৰ। খুব শান্ত। তোমাক বহুত সুখত ৰাখিব মাজনী। আমি তোমাৰ সুখৰ বাবে এইবিলাক কৰিছো। আৰু জোন কি কৰে কোৱা মাজনী। সি এতিয়া পঢ়ি আছে আৰু চাকৰি হয় নহয় তাৰ কোনো ঠিক নাই মাজনী। অকল মৰমেৰে চিৰজীৱন সুখী নহয় মাজনী।

মা তোমালোকে কিয় বুজি নোপোৱা। মই জোনক এৰিব নোৱাৰো। বহুত কোৱাৰ পিছতো চুমিৰ কথাত তাইৰ মাক দেউতাকে মান্তি নহ'ল।

ইফালে জোনে চুমিৰ ফোন অহালৈ অপেক্ষা কৰি আছে। সি ভাবি আছে আজি চুমি এবাৰো ফোন কৰা নাই। এটাতো মেছেজ দিব পাৰে। কি বা কৰি আছে। সি ফোন কৰাতো তাই ফোন ৰিচিভ নকৰিলে। এনেকৈ দিনটো বাগৰি সন্ধিয়া হ'বলৈ হ'ল। তাৰ পিছতো তাইৰ ফোন মেছেজ একো নাই।

চুমি কান্দি কান্দি এটি বন্ধ কোঠাত অকলে জোনৰ কথা ভাবি আছে। কি কৰিব তাই এতিয়া। জোনকো এৰিব নোৱাৰে তাই নে মাক-দেউতাকক দুখ দিব! যদি জোনৰ লগত পলাই যায় তেতিয়া কি হ'ব আৰু যদি নয়নৰ লগত বিয়া হয় সুখত থাকিব পাৰিব জানো? কি ক'ব সমাজে যদি জোনৰ লগত পলাই যায় তেতিয়া ক'ব সৰুৰ পৰা ডাঙৰ দীঘল কৰা মাক-দেউতাকৰ কথা এবাৰো নাভাবিলে। আৰু যদিহে জোনক দুখ দিও তেতিয়া ক'ব তোমাৰ দৰে ছোৱালীয়ে সঁচা প্ৰেমৰ মূল্য কি বুজিব!!

হেজাৰ প্ৰশ্নই তাইৰ মনত এতিয়া দোলা দিব ধৰিলে। কি কৰিব কি নকৰিব ভাবি ভাবি কেতিয়া টোপনি আহিল ধৰিবই নোৱাৰিলে।

### তৃতীয় খণ্ড

হেজাৰ প্ৰশ্নৰ উত্তৰ বিচাৰি থমকি ৰয় চুমি। কি কৰিব কি নকৰিব তাই এতিয়া। ইফালে বিয়া লৈ মাথো কেইমাহমানহে আছে। যিমানে ৰাতি গভীৰ হৈ আহে সিমানে দুখে আৱৰি ধৰে। কেনেকৈ কয় তাই এতিয়া জোনক। ক'বইবা কি? পিছদিনা দুখমনে কলেজলৈ বুলি ৰাওনা হ'ল চুমি। জোনেও আহিছে কলেজলৈ।

জোনে চুমিক দেখি যেন খং কৰিছে। কালিৰ পৰা তাইৰ ফোন মেছেজ একো নাই।

চুমি লাহেকৈ মাত লগালে, জোন তোমাৰ লগত মোৰ এটা কথা আছিল।

জোন ঃ ক' কি কথা....

চুমি ঃ কালি ফোন, মেছেজ একো নকৰাৰ বাবে খং উঠি আছে ন'

জোন ঃ নাই উঠা নাই। মোক ফোন, মেছেজ একো নকৰাকৈ তুমি থাকিব পাৰা। মইহে নোৱাৰো।

চুমি নিমাত হৈ ৰ'ল। তাইৰ মুখেৰে একো এটাই মাত নোলোৱা হৈ পৰিল। জোনে আকৌ ক'লে কি হ'লঔ। কালি অলপ খং উঠিছিল কিন্তু একো নাই দে। এতিয়াতো মোৰ কাষত আছা তুমি। চুমি কান্দিব ধৰিলে। তাইৰ দুগালেৰে চকুলো বব ধৰিলে। জোনে- আৰে কান্দিছা কিয়। মোক কিবা বেয়া পাইছা। তাই একো নকয় কেৱল কান্দিছে আৰু কান্দিছে। এইবাৰ থোকাথুকি মাতেৰে চুমিয়ে কয়- জোন মোৰ বিয়া। জোনে আচৰিত হৈ কয় কি!! অ' জোন মোৰ বিয়া। মোক পাহৰি যাবা জোন!! কান্দি কান্দি কয় তাই। দুয়ো কিছু সময় নিৰৱ। জোনৰ বুকু নিমিষতে ভাঙি চুৰমাৰ হৈ যোৱাৰ দৰে হ'ল। তাৰ যেন জীয়াই থাকিব মন নোযোৱা হৈ পৰিল। তাৰ চকু চলচলীয়া তথাপিও দি তাইক চকুপানী দেখুৱাব নোৱাৰে।

চুমি ঃ জোন তুমি মোক ভুল নুবুজিবা। মোৰে তোমাৰ হ'ব নিদিয়ে জোন।। তেতিয়াও চুমি কান্দিয়ে আছিল। যিমানে চকুপানী ৰখাৰ চেষ্টা কৰে সিমানে চকুপানী বেছিকৈ ওলায়।

জোন ঃ চুমি!! মই তুমি নহ'লে কেনেকৈ থাকিম ও!! পাহৰি যোৱা বুলি ক'লেই জানো পাহৰিব পাৰিম। চাৰিবছৰীয়া আমাৰ সম্পৰ্কৰ কথা। কোৱা চুমি!! কোৱা!! তুমি মোক পাহৰিব পাৰিবা কোৱা??

চুমি ঃ মই বাধ্যতা জোন। মই মা-দেউতাৰ কথা পেলাব নোৱাৰো আৰু মই তোমাকো দুখ দিব নোৱাৰো। মোৰ কোনো উপায় নাই জোন। আমাৰ সাঁচা ভালপোৱা সদায় থাকিব জোন কিন্তু মই মা-দেউ সুখৰ কাৰণে তোমাৰ হ'ব নোৱাৰিম।

জোন ঃ জোনে এইবাৰ কিছু বুকু ডাঠ কৰি ক'লে। চুমি বেলেগৰ লগত বিয়া হৈ গ'লেও মোক সদায় মেছেজ কৰি থাকিবিনে?? তুমিতো জানা এ তোমাৰ এবাৰ মাত নুশুনিলে মই থাকিব নোৱা মাজে মাজে লগ কৰিবানে? আমি যে এতিয়া কৰো সেই বকুলজোপাৰ তলত। তোমাক মই সাজত চাব বিচাৰিছিলো চুমি!! তোমাৰ কপা প্ৰেমৰ সাক্ষী, জীৱন মৰণৰ বান্ধোন সেন্দূৰৰ ফোঁট নাপাম ন' চুমি। তুমি কিন্তু সদায় হাঁহি থাকিবা। হাঁহি থাকিলে মই বহুত শান্তি পাওঁ অ' চুমি। দিনাও দুখ অনুভৱ নকৰিবা। আৰু তুমি মোৰ ভাবি মন মাৰি বহি নাথাকিবা নহ'লে তোমাক দিব। আৰু তেতিয়া মই সহ্য কৰিব নোৱাৰিম। ভালপাওঁ তোমাক বহুত। তুমি মোৰ নহ'লেও অন্তৰত সদায় থাকিবা চুমি।

জোনৰ কথা শুনি চুমিৰ চকুলো নধৰা হ'ল। তাইৰ যেন অন্তৰ হৈ থকা নাই। তাইৰ মগজুৱে একো চুকি নোপো অৱস্থা। তাৰ পিছত তাই ক'লে, জোন এতিয়া মই যাওঁ। ভাল থাকিবা। তেনেদৰে কৈ চুমি জোনৰ পৰা আঁতৰি গ'ল।

দুমাহ পিছত

আজি চুমিৰ বিয়া। দিন নাযায় ৰাতি নুপুৱায়। তেনেদৰে এ যন্ত্ৰণা লৈ জীৱনৰ এক নতুন খোজত খোজ দিলে তাই আজি পৰা। কেতিয়াবা যদি নিশা আৰু কেতিয়াবা দিনত কোনো নেদেখাকৈ মচে দুখৰ চকুপানী। সেই দিন ধৰি জোনৰ খবৰ নাই আৰু এনেদৰে আজিৰ পিছত কালি, কালিৰ পিছত আকৌ এ নতুন দিনত চলি আছে তাইৰ জীৱন। অতীতৰ ভাল লগা সেই মুহূৰ্ত, জোনৰ সৈতে কটোৱা সেই সময়কণ আৰু জোনৰ লগ জড়িত অনুভৱ আজিও তাই পাহৰিব পৰা নাই। ■



# হঠাৎ এজাক ধুমুহা



পিনাকী বৰ্মণ
ষষ্ঠ যান্মাসিক, অৰ্থনীতি বিভাগ



চাৰিওফালে হুৰা-দুৰা লাগিছে। চকুৰে একো মণিব পৰা নাই। চাৰিওফালে এন্ধাৰ-এন্ধাৰ, ধুঁৱলি-কুঁৱলি। চকুদুটা সি অলপ জোৰকৈ মেলি দিব চেষ্টা কৰিলে। কিন্তু.... তাৰ মুৰটো আচন্দ্ৰাই কৰা যেন লাগিল। সি এয়া কি কৰিলে? তাৰ সেই মানৱতা ক'ত হেৰাল আজি। সি তাৰ মাকক কৈ অহা কথাবোৰ বৰকৈ মনত পৰিব ধৰিলে। চকুদুটা মোহাৰি চাই দেখিলে, সি প্ৰায় আৰ্তনাদ কৰি উঠিল, " নাই নাই, এয়া মই কৰা নাই। মই কেতিয়াও তেজৰ নৈ বোৱাব নোৱাৰো। মা, মই আজি তোমাৰ পুত্ৰ নহয়।"

কথাবোৰ ভাবি ভাবি সি মাজে মাজে চিঞৰি উঠে। সি ঘৰ এৰি অহা বাৰ বছৰ সম্পূৰ্ণ হ'ল। আজি তাৰ ঘৰখনলৈ, মাক-দেউতাকৰ মৰম আৰু সেই দিনটো দেউতাকে তাৰ বাবে মাকক বিধবা কৰিব লগা দিনটো তাৰ বৰকৈ মনত পৰিছে। তাৰ বুকুখন বিষাই গ'ল। সি উভতি যাব বুলি কথা দি অহা মাকজনী চাগে আজিও বৰ হেঁপাহেৰে বৈ আছে যে, " মোৰ বিজয় উভতি আহিব। সি মোৰ ল'ৰা দেশৰ কাম কৰিব, সি সন্ত্ৰাসবাদী নহয়" মাকে যেন তেনেদৰে কৈছে।

আজি বিজয়ৰ পৰিচয় সন্ত্ৰাসবাদী। আজি তাৰ পৰিচয় দেশদ্ৰোহী। কিন্তু সি এইবোৰ কিহৰ বাবে কৰিছে। একো নাই তাৰ, তাৰ ওচৰত আজি মাক নাই। তাৰ ওচৰত আজি প্ৰিয়তমা নাই। কিন্তু জীয়াই আছে।

টি.ভি., ৰেডিঅ', বাতৰিকাকত আদি সকলোতে প্ৰধান শিৰোনামা হৈ চৌদিশে বিয়পি পৰিল- সন্ত্ৰাসবাদীৰ বোমাত বিস্ফোৰিত জনতাৰ খবৰ। চাৰিওফালে কান্দোনৰ ৰোল। অসহ্য যন্ত্ৰণাত চট্‌ফটাই থকা সেই নিৰীহ মানুহবোৰৰ মুখ, চিতাৰ জুইত শেষ হোৱা হেজাৰজন লোক।

বিজয়ৰ চিঞৰি চিঞৰি কবলৈ মন গ'ল- "ময়েই সেইজন দেশদ্ৰোহী, ময়েই সেইজন কালপ্ৰীত।" কিন্তু তাৰ মুখ বন্ধ আজি সি ক'ব নোৱাৰে, সি বাহিৰ ওলাব নোৱাৰে।

"নিয়তিৰ খেলত সকলো গ'ল। মইও সেই খেলৰ খেলুৱৈ। কালৰ কুটিল গতিত আজি মই বাকৰুদ্ধ। মই বিজয়ৰ নিচান উৰুৱাব নোৱাৰো মা, মই নোৱাৰো। মই আজি বিজয় হৈও পৰাজয়ৰ মুকুট পিন্ধিলো মা, বিদায়। এই ধুমুহাত মই হেৰাই গলো আজি। বিদায়। ■

# আধৰুৱা সপোন

জুনমণি দাস
প্ৰথম যান্মাসিক



পখিলাৰ পিছে পিছে ঘূৰি ফুৰা ৰীমা। সৰু সৰু কথাতে চকুপানী টুকি ভালপোৱা ৰীমা এতিয়া সেই আগৰ ৰীমা হৈ থকা নাই। তাই এতিয়া বহুত ডাঙৰ হ'ল। তাই এইবাৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ এজনী কলা শাখাৰ প্ৰথম যান্মাসিকৰ ছাত্ৰী। উচ্চতৰ মাধ্যমিক পৰীক্ষা বেছি ভাল নহল যদিও দেউতাকে তাইক উচ্চ শিক্ষাৰ বাবে চহৰৰ এখন ভাল কলেজত নামভৰ্ত্তি কৰাই দিলে। বুকুত আশা-আকাংক্ষা লৈ সেই নতুন কলেজখনলৈ গৈছে। ভগৱানৰ ওচৰত তাইৰ এটাই প্ৰাৰ্থনা যে তাইৰ সেই আশা-আকাংক্ষাবোৰ পূৰ্ণ হয়। নতুন কলেজ, নতুন পৰিৱেশ, নতুন-নতুন বন্ধু-বান্ধৱী। তাৰ ভিতৰত এজন ল'ৰাৰ লগত তাইৰ বন্ধুত্ব অধিক গঢ় লৈ উঠিছিল। অতি কম দিনৰ ভিতৰত দুয়ো বহুত বিশ্বাসী বন্ধু হৈ পৰিছিল। তাৰ নাম ৰাহুল। ৰাহুল হ'ল এজন ২০ বছৰীয়া [illegible] পঞ্চম যান্মাসিকৰ ছাত্ৰ। সময়ৰ সোঁতত [illegible] হৈছিল। প্ৰেমে [illegible] নুবুজে জাতি-ধৰ্ম, ধনী-দুখীয়া। আপোনজনৰ [illegible] বিচাৰে। কিন্তু ৰীমা ঘৰখনৰ ডাঙৰ ছোৱালী; সেয়ে তাইৰ মাক-দেউতাকৰ সপোন আছিল তাইক পঢ়া-শুনা কৰাই ডাঙৰ মানুহ কৰাৰ। আনফালে ৰাহুল হ'ল এজন মুছলমান সম্প্ৰদায়ৰ ল'ৰা। মাক-দেউতাকৰ ৰাহুল একমাত্ৰ। যদিও ৰীমা হিন্দু ধৰ্মৰ আৰু ৰাহুল ইছলাম ধৰ্মৰ আছিল তথাপিও সিহঁতৰ মনত জাতি-ধৰ্মক লৈ কোনো ভেদাভেদ নাছিল। সিহঁতৰ প্ৰেমৰ সম্পৰ্ক ইমানে গভীৰ হৈছিল যে, দুয়োটাই ইজনে সিজনক নেদেখিলে দিনটো যেন সম্পূৰ্ণ নহয়। প্ৰথম প্ৰেমৰ কুমলীয়া অন্তৰৰ মৰমত যেন জীৱনটো প্ৰিয়জনৰ কাৰণে দি দিব!! দিনৰ পিছত সপ্তাহ, সপ্তাহৰ পিছত মাহ এনেকৈ বাগৰিছিল সিহঁতৰ অবুজ ভালপোৱা। ৰীমাৰ বাবে তাইৰ জীৱনত সি অৰ্থাৎ ৰাহুল সকলোখিনি আছিল। সি তাইক বহুত ভাল পাইছিল; দুয়োজনে দুয়োজনৰ হোৱাৰ সিদ্ধান্ত লৈছিল; প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। সিহঁতৰ মৰমৰ বাবে দুয়োজনে দুয়ো[illegible] দুটি মৰমৰ নাম ৰাখিলে। ৰাহুলে ৰীমাক 'জুন' বুলি মাতে আৰু ৰীমাই ৰাহুলক 'মুন' বুলি মাতে। দুয়োটাই গোটেই জীৱন দুয়োৰে সাৰথি হ'ব বিচাৰিছিল।

কিন্তু লাহে লাহে সিহঁতৰ প্ৰেমৰ সম্পৰ্কত বাধা আহিব ধৰিলে। ৰাহুলৰ ঘৰত ৰীমাৰ কথা গম পাইছিল আৰু ৰাহুলৰ ঘৰৰ মানুহে এই কথাত কোনোপধ্যেই সন্মতি দিয়া নাছিল। কাৰণ ৰীমা হিন্দু ছোৱালী। ৰাহুলে তাৰ মাক-দেউতাকক বহুত কৈছিল, কিন্তু সকলো ওলোটা হ'বলৈ ধৰিছিল। তথাপি ৰাহুলৰ ৰীমাৰ প্ৰতি থকা মৰম-ভালপোৱা কমি যোৱা নাছিল।

এইবোৰ কথা ৰাহুলে ৰীমাক কোনোদিনেই খুলি কোৱা নাছিল। তাইক কি বুলি ক'ব তাকে ভাবি সি দুখত ভাগি পৰিল।

কলেজত গ'লে ৰীমাই তাক দেখি ভাবে তাৰ কি হৈছে, কিয় তেনেকৈ মন মাৰি থাকে, কিয় আজি কালি তাইৰ চকুত চকু থৈ সি কথা নকয়!! তাই বহুদিন সুধিছিলে, কিন্তু ৰাহুলে একো নকয়। সি তাইক ক'বই বা কি?? তাৰ মুখত আজি-কালি এটা হাঁহিও নুফুটে। ডাৱৰীয়া মেঘৰ দৰে হৈ থকা মুখ খন চাই ৰীমা লাহে লাহে বুজি উঠিল, যে তাই কোনো দিনেই ৰাহুলৰ হ'ব নোৱাৰিব! কিন্তু সিহঁতৰ প্ৰকৃত প্ৰেমক তাই অপমান কৰিব নোৱাৰে!! এনেদৰে বহু সমস্যাক পাৰ কৰি সিহঁতৰ প্ৰেমৰ সম্পৰ্ক ছমাহ পাৰ হৈছিল। ৰীমা আৰু ৰাহুলৰ কাৰনে সিহঁতৰ প্ৰেমৰ চিনাকী কলেজখন। কলেজ খনতেই বহুতো স্মৃতি সিচঁৰিত হৈ আছিল। প্ৰেমৰ উন্মাদনাত দুয়োৰে পঢ়াৰ প্ৰতি ধাউতি কমি আহিছিল।

যিমানেই সিহঁতৰ প্ৰেমৰ সম্পৰ্ক আগবাঢ়ি গৈছিল সিমানেই সমস্যা বাঢ়ি গৈছিল। ৰীমাই ৰাহুলৰ হ'ব পাৰিবনে? সমাজে সিহঁতৰ প্ৰেমৰ সম্পৰ্ক মানি লবনে? তাই মাক-দেউতাকক দুখ দিব নোৱাৰে। নে তাই ভালপোৱাক প্ৰতাৰণা কৰিব? এইবিলাক চিন্তাই সদায় তাইক কন্দুৱাইছিল। কিন্তু তাই সঁচাকৈ ৰাহুলক ভালপায়। কি কৰিব তাই!! উপায়বিহীন। আনহাতে ৰাহুলৰ এনেকুৱা সমস্যা আছিল, যি সমস্যাক নেওচি সি ৰীমা আৰু তাৰ প্ৰেমৰ সম্পৰ্কটো আগবঢ়াই নিব নোৱাৰে। এদিন তাইক আচৰিত কৰি সি অকস্মাৎ কৈছিল- "জুন, তোমাৰ আৰু মোৰ সম্পৰ্কটো ইমানতেই শেষ কৰিব লাগিব।"

"কিয়?", "কিয়?" (আচৰিত হৈ ৰীমাই ৰাহুলক কলে)

"মা-দেউতা আৰু সমাজখনৰ কথা ভাবি মই এনেদৰে কবলৈ বাধ্য হ'লো জুন। আমাৰ সম্পৰ্ক কেতিয়াও মোৰ ঘৰৰ মানুহে আৰু সমাজখনে গ্ৰহণ নকৰে। আমাৰ সঁচা মৰম ভালপোৱাক বহু দূৰলৈ কাঢ়ি লৈ গ'ল। মোক ক্ষমা কৰি দিবানে জুন?"

প্ৰতাৰণাৰ জুই সহ্য কৰিব নোৱাৰি তাই কান্দি-কান্দি পাৰ কৰিছিল দিনবোৰ; কিন্তু সময়ৰ লগত সকলো স্বাভাৱিক হৈ উঠিছিল। দুখবোৰে তাইৰ জীৱনত পৰিবৰ্তন আনি দিছিল। মানুহৰ জীৱনত আবেগ-অনুভূতিৰ প্ৰয়োজনীয়তাক দলিয়াই পেলাব নোৱাৰি, কিন্তু বাস্তৱক সম্পূৰ্ণ অবজ্ঞা কৰি আবেগ সৰ্বস্ব হৈ যে কাম কৰিবলৈ যাব নালাগে সেইটো সময়ে তাইক শিকাই দিছিল।

নিৰাশাৰ নিস্তেজ বলুকাত আশাবাদী মনলৈ সাবটিছো জীৱনত জীয়াই থকাৰ প্ৰেৰণা..................!!!! ■

## কৌতুক

সংগ্ৰাহক ঃ **প্ৰাঞ্জল দাস**, পঞ্চম যান্মাসিক, দৰ্শন বিভাগ।

১। শিৱ আৰু পাৰ্বতী

দেৱতা সকলৰ কাতৰ অনুৰোধত সিদিনা ভঙুৱা বাবা শিৱই ধ্যানৰ পৰা মূৰ তুলিলে কোনোমতে। অত্যাচাৰী অসুৰ এটাক দমন কৰিবলৈ শিৱ সাজু হ'ল।

শিৱ ঃ হেৰা মোৰ ত্ৰিশূলডাল আনাহে। (শিৱই পাৰ্বতীক) ক'লে)

পাৰ্বতী ঃ সেইডাল নাই, কাৰ্তিকে নিছে। (পাকঘৰৰ পৰাই পাৰ্বতীয়ে উত্তৰ দিলে)

শিৱ ঃ মোৰ ত্ৰিশূল ডালৰ লগত আকৌ তাৰ কি কাম। (শিৱৰ জাঙুৰ খাই উঠিল)

পাৰ্বতী ঃ এ নকবা আৰু, মই মানা কৰাতো নুশুনিলে। সি হেনো গাৰ্লফ্ৰেণ্ডৰ লগত মেগী খাবলৈ যায়। যাওঁতে কৈ গৈছে, বোলে দেউতাৰ কাটা চামুচ পাতকে লগত লৈ যাওঁ।

২। ডাক্টৰ আৰু ৰোগী



ডাক্টৰ ঃ আপুনি ভয় নাখাব। মই ফট্‌কে উঘালি আনিম। গমেই নাপাব। দুখ পোৱাৰটো দূৰৰ কথা।

ৰোগী ঃ নাই নাই ডাক্টৰ, মোৰ বৰ ভয় লাগিছে। দুখ পালে কি হ'ব?

ডাক্টৰ ঃ এটা কাম কৰক, ইয়াতে ৰামৰ বটল এটা আছে ২ পেগ মান মাৰি লওঁক। ভয়টো নাইকীয়া হ'ব।

কিছু সময় পাছত

ডাক্টৰ ঃ সাহস বাঢ়িছেনে?

ৰোগী ঃ কোন কুত্তাই দাঁত উঘালে চাম নহয়। দাঁতত হাত দিলেই ঘুচিয়াই নাক ভাঙি দিম।

# অপেক্ষা



লভিতা শৰ্মা
চতুৰ্থ ষান্মাসিক, ইংৰাজী বিভাগ

"ক্ৰিং... ক্ৰিং... ক্ৰিং..."

ফোনটো বাজি উঠাৰ লগে লগে দিপ্তী উচপ খাই উঠিল। তাই আজি অত দিনে এটা ফোনৰ আশাতেই ব্যাকুল হৈ আছে। তেতিয়া তাই উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী আছিল। ঠিক সেই সময়তেই লগ পাইছিল ৰাহুলক। ৰাহুল আছিল অত্যন্ত সাহসী আৰু সত্যবাদী ল'ৰা। গোটেই কলেজতে ৰাহুলৰ এটা নিজা পৰিচয় আছিল। যানিকি বহুবাৰ সি দুৰ্নীতি, হত্যা, লুণ্ঠনৰ বাবে প্ৰতিবাদ কৰি আহিছে। এনেবোৰ কাৰণতেই হয়তো দিপ্তীৰ জীৱনৰ কোনোবা এটা অংশত ৰাহুলৰ নামটো সিঁচৰিত হৈ আছিল।

আজি প্ৰায় নবছৰ হ'বৰ হ'ল ৰাহুলৰ লগত দিপ্তীৰ কোনো সম্পৰ্ক নাই। কেৱল আনৰ মুখত শুনি আহিছে ৰাহুলে হেনো কোনো সন্ত্ৰাসবাদী সংগঠনত যোগ দিছে, কোনোৱে আকৌ কয় ৰাহুল জীয়াই নাই। দিপ্তীয়ে চিঞৰি উঠে- "নাই, নাই, নাই- ৰাহুলে ইমান সোনকালে, মোক নজনোৱাকৈ এনেকৈ মৰিব নোৱাৰে।" শেষ বাৰ লগ পাওঁতে ৰাহুলে কৈছিল- "বুজিছ, এই পৃথিৱীত কেৱল ৰ'য়েল ফেমিলিতহে জন্মিব লাগে। আমাৰ দৰে মিড্‌ল ক্লাছ ফেমিলিত জন্মাটোৱেই অপৰাধ। আমিবোৰৰ সত্য... ল'ৰাবোৰক সিহঁতে উদণ্ড বুলি ভাবে। কিন্তু আমি ন্যায় বিচা... যদি জীয়াই থাকো দেশৰ বাবে কিবা কৰি যাম।" সেইদিন... ৰাহুলৰ কোনো শুংসূত্ৰ পোৱা নাই।

এদিন তাইৰ বান্ধৱী ৰীমাই কৈছিল- ৰাহুলক হেনো... এবাৰ দেখিছে। দাড়িয়ে-চুলিয়ে ভোবাকাৰ হৈ একেবাৰে চি... নোৱাৰাটো হৈছে। সেই দিন ধৰি কিমান যে ব্যগ্ৰ হৈ আছে দিপ্তী... তাক চাবলৈ।

তাই নাজানে ৰাহুলক তাই আৰু কেতিয়াবা দেখা পো... সৌভাগ্য মিলিবনে নাই। তাই মাথো জানে ৰাহুলে য'তে... নাথাকক কিয়, তাৰ উদ্দেশ্য সৎ।

কেতিয়াবা, ওচৰৰ কেম্পত ছাব্বিছ জানুৱাৰী বা পোন... আগষ্টৰ প্ৰাকমুহূৰ্তত গুলিৰ শব্দ শুনিলে দিপ্তীৰ গাটো জিন... খাই উঠে। তাই অধীৰ আগ্ৰহেৰে বাট চাই থাকে- ৰাহুল আ... ঘূৰি আহিব, আকৌ আগৰ দৰে কথা ক'ব।

দিপ্তীয়ে বাৰাণ্ডাৰ আৰাম চকী খনত বহি দীঘল... হুমুনিয়াহ এটা টানি কৈছে,- "ভগৱান মোৰ প্ৰাণটোক যেন... ৰক্ষা কৰা।" ■





# শেষ বিদায়

(বিশ্বজুৰি আতংক সৃষ্টি কৰা কৰ'ণা অতিমাৰীৰ আধাৰত)



কল্যাণী দেৱী
সহযোগী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ

মা, চোৱাচোন মই অংকত ১০০ ভিতৰত ১০০ নম্বৰ পাইছো। স্কুলৰ পৰা আহিয়ে অলকেশে অংকৰ বহীখন মাকক দেখুৱালে। মাকেও বহীখন চাই আনন্দৰ হাঁহি এটা মাৰিলে। যাহওঁক, বাপেক নোহোৱা ল'ৰাটোৰ যে পঢ়া-শুনাত মনোযোগ হৈছে। বুকু ভেদি তপত হুমুনিয়াহ এটা ওলাই আহিল। আজি তেওঁৰ গিৰীয়েকলৈ বৰকৈ মনত পৰিল জীয়াই থকাহেঁতেন কিমান যে আনন্দ পালেহেঁতেন। অলকেশৰ তেতিয়া ৮ বছৰমান হৈছেহে মাথোন দুয়োটা কিড্‌নি বিকল হৈ অলকেশৰ দেউতাকে অকস্মাতে অকাল মৃত্যুক সাৱটি ল'ব লগা হৈছিল। দেউতাকৰ মৃত্যুৰ পিছত মাকেই দুই পুত্ৰৰ দায়িত্ব লৈ দুয়োজনকে সমাজত দায়িত্বশীল ব্যক্তি হিচাবে গঢ়ি তুলিছিল।

সৰুৰে পৰা অতি তীক্ষ্ম বুদ্ধিৰ ল'ৰা অলকেশে শ্ৰেণীত সদায়ে প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। পঢ়া-শুনা, খেলা-ধূলাকে আদি কৰি বিদ্যালয়ৰ সকলো কামতে আগৰণুৱা অলকেশ শিক্ষকৰ বৰ প্ৰিয়পাত্ৰ। এদিনাখন স্কুলত তাৰ অতি প্ৰিয় শিক্ষক ৰমাকান্ত হালৈয়ে তাক সুধিছিল ডাঙৰ হৈ তোমাৰ কি হ'বলৈ মন? ছাৰৰ প্ৰশ্নটো শুনি অলকেশৰ চকু দুটা তিৰ্‌বিৰাই উঠিছিল। "ডাক্তৰ" - সি তপৰাই উত্তৰ দিছিল আৰু সঁচাকৈয়ে এদিন তাৰ সপোন দিঠকত পৰিণত কৰি ৰমাকান্ত হালৈৰ আশীৰ্বাদপুষ্ট হৈ ডাক্তৰ হৈ ওলাই আহিছিল অলকেশ। পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পিছতেই সি ছাৰৰ ঘৰলৈ গৈ ছাৰৰ চৰণ স্পৰ্শ কৰি আশীৰ্বাদ লৈছিল। প্ৰথমতে তেখেতে তাক চিনিবই পৰা নাছিল সি যেতিয়া তাৰ পৰিচয় দিছিল ছাৰৰ দুচকুৰেদি দুটোপাল আনন্দৰ বন্যা বাগৰি আহিছিল তেওঁৰে অতি প্ৰিয় ছাত্ৰই আজি ডাক্তৰ হৈ ওলাই আহিছে। প্ৰিয় ছাত্ৰ অলকেশক লৈ তেখেতৰ অন্তৰতো গৌৰৱ উঠলি উঠিছিল।

হস্পিতালৰ পৰা আহি মুখ হাত ধুই চাহ খাই থাকোঁতে অলকেশৰ ফোনটো বাজি উঠিল। ৰীণাৰ ফোন ও ৰীণা, ভালনে তোমাৰ? আজি বা কিয় মনত পৰিল তোমাৰ। ও অলকেশ, জানা এটা ভাল খবৰ আছে ৰ'বা। কোৱাছোন কোৱা, কি চাৰপ্ৰাইজ দিব বিচাৰিছা। মোৰ বিয়া পাতিছো অলকেশ। ও হয় নেকি? বৰ ভাল খবৰ দেখোন মনে মনে বহু আগবাঢ়ি আছা নহয়? ঠিকে আছে শুভস্চঃ শীঘ্ৰম। দৰাৰ ঘৰ ক'ত বাবু? মহা মাহী ভালে আছেনে? ও আছে দিয়া। আজি বেছি কথা নেপাতো আমি গৈ আছো তোমালোকৰ ঘৰত। এতিয়া ৰাখো। ফোনটো থৈ অলকেশ কিছু নষ্টালজিক হৈ পৰিল। ৰীণা অলকেশৰ মাহীয়েকৰ ছোৱালী। সৰুৰে পৰা একেলগে ডাঙৰ দীঘল হোৱা ৰীণা অলকেশহঁতৰ মাজত পৰম আত্মীয়তা আছিল আৰু সিহঁতে সঘনাই অহা-যোৱাও কৰিছিল। গৰম বন্ধ হ'লেই অলকেশে মাহীয়েকহঁতৰ ঘৰলৈ ১৫ দিনমান থকাকৈ যায় আৰু সেইকেইদিন উৰণীয়া পখীৰ দৰে মুক্ত মনে খেলা-ধূলা খেলি সময় পাৰ কৰে। লুডু, কেৰম, ৰবাব টেঙাৰ বল, লুকাভাকু মুঠৰ ওপৰত খেলৰ যেন অন্তই নাই।

আজি তাৰ মাহীয়েকৰ ছোৱালী ৰীণা বিয়া। অলকেশে ৰাতিপুৱাই ৰীণাৰ বিয়ালৈ বুলি ওলাল। বিয়া ঘৰ পোৱাৰ লগে লগেই ৰীণাই আগচি ধৰিলে তোমাক দুদিন আগতেই আহিব দিছিলো আজিহে পালাহি। হাঁহি এটা মাৰি তাইৰ কথাৰ পৰা ফালৰি কাটি সি ক'লে, কইনাৰ সাজত বৰ মৰম লাগিছে দেই। দৰা পিছে কেইবজাত পাবহি। বিয়া ঘৰ আহি পোৱাৰ পিছৰে পৰা সি বহুত ব্যস্ত হৈ পৰিল। বহু দিনৰ মূৰত তাৰ চিনাকী মানুহ বিলাকক লগ পাই তাৰ খুউব ভাল লাগিছে। বিয়ালৈ ৰীণাৰ বান্ধৱী তৰালিও আহিছে। ওখ-পাখ, দীঘল চুলিটাৰিৰে, খামুচীয়া ককালেৰে, লাহী দেহৰ সঁচাকৈ ধুনীয়া ছোৱালীৰ শাৰীৰ পেলাব পৰা এজনী সাইলাখ ৰূপৱতী ছোৱালী। যিজনীয়ে যিকোনো ল'ৰাকে অতি সোনকালে মুগ্ধ কৰিব পাৰে। গোটেই দিনটো

তৰালিয়ে আলহী আপ্যায়ণত ব্যস্ত আছিল। সন্ধিয়া সময়তহে তাই আজৰি হৈ নিজকে সজাই মিলাই কইনাৰ ওচৰত বহিলহি এইখিনি সময়তে ৰীণাই অলকেশক তৰালিৰ লগত চিনাকী কৰি দিলে। অলকেশ এয়া মোৰ বান্ধৱী তৰালি। প্ৰতি নমস্কাৰ জনাই মিচিকিয়া হাঁহিৰে তৰালিক সম্ভাষণ জনালে। প্ৰথম দৃষ্টিতে তৰালিয়ে অলকেশৰ মনৰ গহীন কোণত বহি ল'লে। দৰা অহাৰ পিছত এই সময়খিনি সিহঁতৰ একো ব্যস্ততা নাই। সিহঁতে গাঁওৰ কেঁকুৰীটোলৈ গৈ জোনাক নিশা মুকলি আকাশৰ তলত কিছু সময় কথা পাতিলে। বিয়া শেষ হোৱাৰ পিছতে অলকেশে যাব লাগিব কাৰণ তাৰ ইমাৰজেন্সি ডিউটি আছে। বিয়া শেষ হোৱাৰ লগে অলকেশে বিয়াঘৰৰ পৰা বিদায় ল'লে তৰালিক পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতি দি সি ঘৰলৈ আহিল। বুকুত লৈ আহিল এবোজা স্মৃতিৰ পাপৰি।

অলকেশ কি খবৰ তৰালিৰ ফোন তুমি বাৰু এবাৰ ভাবিছানে? মন গৈছেনে এবাৰ লগ পাবলৈ? শুনা তৰা, এইকেইদিন মই ইমান ব্যস্ত, ফোন এটা কৰিম বুলিও সময় পোৱা নাই। লাহে লাহে তৰালি অলকেশৰ সম্পৰ্ক গভীৰ হৈ গৈ আছে। মাকে অলকেশক মাজে মাজে কৈ থাকে বাবা, তোৰ বিয়াখনো পাতিব লাগে মনে বিচৰা ছোৱালী পালে মোক জনাবি। অলকেশেও ও বুলি শলাগি থয়। এদিনাখন অলকেশে মাকক তৰালিৰ কথাটো ক'লে। মাকেও মনে মনে ৰং পালে। পঢ়াই-শুনাই ৰূপে-গুণে তৰালি এজনী সাইলাখ লখিমী ছোৱালী। গতিকে দুয়োখন ঘৰৰ মাজত কথা-বতৰা পাতি বিয়াখন একপ্ৰকাৰ খাটাং কৰিয়েই পেলালে। আৰু এবছৰৰ ভিতৰতে বৰ ধুমধামেৰে সিহঁতৰ বিয়াখন হৈ গ'ল।

বেইতলৰ পৰা কইনা আদৰিবৰ সময়ত চুবুৰীয়া মহিলাসকলৰ আলোচনাখিনি অলকেশৰ মাকৰ কাণত পৰিল বৰ লখিমী বোৱাৰী পালে বেই। তৰালিক দেখিলে সাইলাখ লখিমী। বোৱাৰী এজনী পোৱা বাবে অলকেশৰ মাকে মনে মনে ভগৱানক ধন্যবাদো জনালে। তৰালিক আদৰি আনি শাহুৱেকে তাইক তাইৰ কোঠালৈ লৈ গৈ মুখ-হাত ধুই অলপ ফ্ৰেচ হৈ লৈ অলপ জিৰণি ল'বলৈ দিলে। জিৰণি আৰু ক'ত লোৱা হ'ব বিয়াঘৰ বুলি এজন দুজনকৈ অহা আলহীক তৰালিয়ে মাত লগাই আছে। অলকেশৰো তাইক এবাৰ ওচৰত পোৱাৰ হেঁপাহ জাগি আছে। সি এবাৰ চল চাই ৰুমলৈ গৈ তৰালিক ওচৰত বহুৱাই তাই হেঁপাহ পলুৱাই চাই ল'লে।

অতি কম সময়ৰ ভিতৰতে তৰালিয়ে তাইৰ নতুন ঘৰখন বৰ আপোন কৰি ল'ব পাৰিছে। তাইৰ শাহুৱেকেও নতুন বোৱাৰীজনীক ঘৰখনত সাদৰি লৈছে। আমাৰ সমাজত ছোৱালী বিলাকে দুটা ভূমিকা পালন কৰিব লগা হয়। মাকৰ ঘৰত কোনো দায়িত্ব নোলোৱা চঞ্চলা-চপলা ছোৱালীজনী শহুৰৰ ঘৰত দায়িত্বশীলা বোৱাৰী। মাকৰ ঘৰখন এৰি আহি সম্পূৰ্ণ নতুন ঘৰ এখনক আপোন কৰি লওঁতে হোৱা ভুল শুধৰণিৰ কাৰণে অনবৰতে সজাগ-সচেতন হ'ব লগা হয়। ঘৰত কুটা এগছো চি নোপোৱা তৰালিয়ে শহুৰৰ ঘৰত আহি কেনেকৈ যে সকলোখিনি চম্ভালি ল'ব পাৰিছে ভাবিলে আচৰিত লাগে। তৰালিক পত্নী হিচাবে পাই সি নিজেও গৌৰৱ অনুভৱ কৰে। তৰালিয়ে যাতে অলকেশৰ অভাৱ অনুভৱ কৰিব নোৱাৰে তাৰ কাৰণে অলকেশে তৰালিৰ লগত ছাঁটোৰ দৰে লাগি থাকে। তৰালিৰ দৰে এজনী বোৱাৰী পাই অলকেশৰ মাকেও নিজকে ভাগ্যৱতী বুলি ভাবিছে। তৰালিয়ে কলেজত কাম কৰে যদিও শাহুৱেকৰ সকলো কামতে সহায় কৰি দিয়ে। মা, আপোনাক বাথৰুমত গৰম পানী দিছো। মা, আপুনি অলপ জিৰণি লওঁকচোন এইখিনি কাম মই কৰিম। সময়মতে চাহৰ যোগান ধৰা, ভাতৰ যোগান ধৰি ঘৰখন মানুহখিনিক সন্তুষ্ট কৰিবলৈ তাই যথেষ্ট তৎপৰ হৈ থাকে। চাকৰিৰ ব্যস্ততাৰ কাৰণে ঘৰৰ পৰা দূৰত থাকিলেও বিহু সবাহ আৰু বন্ধ হ'লেই ঘৰখনলৈ দৌৰ মাৰে। চুবুৰীৰে সিহঁতৰ বৰমাকে প্ৰায় কয়- ভাল লখিমী বোৱাৰী পাইছ দে। এনেকুৱা লখিমী বোৱাৰী কেইজনৰ ভাগ্যত মিলে। আমাৰ জনীহে একেবাৰে আধুনিকা। ৭ বজালৈ টোপনিৰ পৰা উঠিবৰে নহয়। একো এখন কামৰে যোগ্য নহয়। এই বেচেৰী তৰালিজনী ইমান সহজ সৰল। কলেজৰ প্ৰফেচাৰ হৈও সকলো কামতে ইমান পাকৈত। প্ৰকৃততে শিক্ষাই মানুহক জ্ঞানী কৰে। ঘৰলৈ আহিয়ে শাহুৱেকৰ লগত সকলো কামতে সহায় কৰি দিয়ে।

ক'ৰণা ভাইৰাছৰ এই লকডাউন সময়ত তৰালিহঁত ঘৰলৈ যাব পৰা নাই। এই সময়ত সকলো যে গৃহবন্দী। সমগ্ৰ বিশ্বজুৰি ক'ৰণা সন্ত্ৰাসে মানুহক সন্ত্ৰস্ত কৰি তুলিছে।

ত'ৰা, মোৰ ৰুমালখন ক'ত আছে? দৌৰি আহি তাই অলকেশৰ হাতত ৰুমালখন তুলি দিয়ে। তৰা পানীৰ বটলটো আনিব পাহৰিলোৱেই নহয়। দৌৰি গৈ গাড়ীত পানীৰ বটলটো দি থৈ আহে। মা, ভাত দিয়া স্কুল বাছখন পাবহিয়ে এতিয়া। দৌৰাদৌৰিকৈ সোণক ভাত, দালি, আলু ভাজি, কণীৰে সৈতে ভাতৰ থালখন দিয়ে। মা, আজি মই স্কুলত নাযাও তুমিও কলেজত যাব নোৱাৰা। আমি আজি খেলিম সৰু জোনৰ আবদাৰ। বাবু, স্কুল নগ'লে নহ'ব নহয়? আজি বোলে তোমালোকৰ মিছে ক্লাছত ধুনীয়া ধুনীয়া সাধু ক'ব। আমাৰ সোনমইনাই স্কুলত যাব দেই। বুজাই বঢ়াই তাক সাজু কৰি স্কুল বাছত উঠাই দিয়ে।

তাৰ পিছত নাকে-মুখে ভাতকেইটা গুজি লৈ কিবাকৈ কলেজ ঢুকি পায়। ১০ বজাত তাইৰ দ্বিতীয় ষান্মাসিকৰ মেজৰ ক্লাছটো লৈ কমন ৰুম পোৱাৰ লগে লগে তাইৰ ছিনিয়ৰ অৰ্ণৱে ক'লে তৰালি প্ৰথম ষান্মাসিকৰ জেনেৰেলৰ ক্লাছটো ল'ব পাৰিবা নেকি মোৰ এখন জৰুৰী মিটিং আছে। তাইও সন্মতি জনাই ক্লাছলৈ বুলি খোজ লয়। কলেজত তৰাৰ এটা সুনাম আছে আটাইতকৈ চিন্‌চিয়াৰ আৰু মৰমিয়াল শিক্ষক হিচাবে।

বিশ্ব ত্ৰাস সৃষ্টিকাৰী ক'ৰণা মহামাৰীৰ কাৰণে ডাক্তৰ সকলে বিশেষ ডিউটি কৰিবলগা হৈছে। আজিৰ পৰা অলকেশৰ ক'ৰণা ডিউটি আৰম্ভ হ'ব। তাইৰ অনেক বাধা সত্বেও সি ডিউটি কৰিবলৈ বদ্ধপৰিকৰ। ঘৰত সৰু ল'ৰা-ছোৱালী থাকিলে ক'ৰণা ডিউটি কৰিবলৈ চৰকাৰৰ ফালৰ পৰা বাধা বুলি নিৰ্দেশ দিয়া আছে। কিন্তু অলকেশ ইমান কৰ্তব্যপৰায়ণ সি কোনোপ্ৰকাৰে কথাটো মানি নলয়। তাৰ কথা হ'ল আজি বিশ্ব ক'ৰণা মহামাৰীৰ কৱাল গ্ৰাসত গতিকে সি যিকোনো প্ৰকাৰে ডিউটি কৰিবই। ৭ দিন ডিউটি কৰাৰ পিছত ১৪ দিন কোৱাৰেণ্টেইন। তাৰ পিছত ঘৰলৈ যাব পাৰিব।

তৰা, উঠা গভীৰ নিদ্ৰাত থকা তৰাক অলকেশৰ মনটো অলপ বেয়াও লাগিছিল। আনদিনা হোৱাহেঁতেন তৰালিয়ে তাক জগাব লাগিলহেঁতেন কিন্তু আজি যে তাক কৰ্তব্যই হাতবাউলি মাতি আছে। গভীৰ নিদ্ৰাত মগ্ন দুই নয়নমণিক কপালত চুম্বণ আঁকি দি সি বিচনাৰ পৰা নামি আহিল।

শুই উঠিয়ে প্ৰথমতে অলকেশৰ কাৰণে বাথৰুমত গা-ধোৱা পানী, চাবোন, টাৱেল সাজু কৰি থৈ আহিল। দৌৰা-দৌৰিকৈ পাকঘৰত সোমাই তাই প্ৰথমতে অলকেশৰ কাৰণে লাল চাহ একাপ বনাই ভাত বনাবলৈ ল'লে। অলকেশেও ভাত খাই সাজু হ'ল। ৯ বজাত হস্পিতাল পাব লাগিব। তাৰ ঘৰৰ পৰা প্ৰায় দুঘণ্টাৰ ৰাস্তা। বিশ্ব ত্ৰাস ক'ৰণা ভাইৰাছৰ কাৰণে স্বাস্থ্যকৰ্মী বিলাকৰ ব্যস্ততাৰ সীমা নোহোৱা হৈছে। এই সময়ত ডাক্তৰবিলাক হৈ পৰিছে সকলোৰে কাৰণে ভগৱান স্বৰূপ। ডাক্তৰবিলাকেও নিজৰ ঘৰ-সংসাৰ সকলো ত্যাগ কৰি ক'ভিড-১৯ ৰোগীৰ লগত অহৰ্নিশে শুশ্ৰূষাত ব্যস্ত হৈ পৰিছে। এই সময়ত কোনো মন্দিৰ, মছজিদ, গীৰ্জাই ক'ভিড-১৯ ৰোগীক বচাব নোৱাৰে। ডাক্তৰ সকলৰ অক্লান্ত পৰিশ্ৰম, কষ্ট আৰু শুশ্ৰূষাইহে ৰোগীক বচাব পাৰিব। এই মহা দুৰ্যোগৰ সময়ত স্বাস্থ্যকৰ্মীসকলে দিনে-নিশাই সেৱাত ব্ৰতী হৈ তেওঁলোকৰ মানৱতাৰ পৰিচয় দাঙি ধৰিছে। কিছুমান স্বাস্থ্যকৰ্মীয়ে ২/৩ বছৰীয়া শিশুক ঘৰত এৰি থৈ আহিও কৰ্তব্য সম্পাদন কৰি আছে। চিষ্টাৰ এগৰাকীয়ে তেওঁৰ তিনি বছৰীয়া কন্যা সন্তানটো ঘৰত এৰি আহি ৭ দিন ডিউটি কৰিবলগা হৈছিল। দেউতাকৰ লগত থকা শিশুটিয়ে অৱশেষত মাকক দূৰৰ পৰাই হেঁপাহ পলুৱাই চাই সান্ত্বনা লভিছিল। তেনে উদাহৰণো বহুতো পোৱা যায়। এই ক্ষেত্ৰত স্বাস্থ্যকৰ্মীসকল, বিশেষকৈ ডাক্তৰসকল নিশ্চয়কৈ ধন্যবাদৰ পাত্ৰ।

অলকেশে এইকেইদিন দিনে-নিশাই কৰ্তব্য কৰি গৈছে নিজৰ স্বাস্থ্যৰ প্ৰতি কোনো যত্ন ল'ব পৰা নাই। সকলো দুখ কষ্ট নেওচি সি কৰ্তব্য কৰি গৈছে। সি মনতে ভাবি আছে মাত্ৰ ৭ দিন ডিউটি কৰি ১৪ দিন কোৱাৰেণ্টাইন থাকি সি ঘৰলৈ ঘূৰি গৈ তাৰ নয়নৰ মণি তৰালি আৰু ল'ৰা দুটাক লগ পাব। সিহঁতক লগ পোৱাৰ আকুল ইচ্ছাকো মনৰ ভিতৰতে নিয়ন্ত্ৰণ কৰি ৰাখিছে। ইফালে তৰালিয়ে কেলেণ্ডাৰত দিন গণি আছে আৰু সি উভতি অহা দিনটোলৈ উদগ্ৰীৱ হৈ বাট চাই আছে। ল'ৰা দুয়োটাই তৰালিক বাৰে বাৰে দেউতাকৰ কথা সুধি ব্যতিব্যস্ত কৰি তুলিছে। তাইও সিহঁতক বুজাৰ চেষ্টা কৰি আছে যে দেউতাক অতি সোনকালে সিহঁতৰ ওচৰলৈ আহি আছে। ব্যস্ততাৰ মাজত অলকেশৰ চাৰিদিন পাৰ হৈ গ'ল। এইকেইদিন সি তৰালিৰ লগতো ফোনত ভালদৰে কথা পাতিব পৰা নাই। দিনে-নিশাই মাস্ক পৰিধান কৰিব লগা কাৰণে তাৰ মুখখন কাটি তেজ ওলাও ওলাও অৱস্থা। খোৱা-শোৱাৰ কোনো নিয়ম নাই। কেতিয়াবা ওৰে নিশাই ডিউটি কৰিবলগা হয়। তৰালিৰ লগত ফোনত কথা পাতিলেও সি তাৰ ইমান কষ্টৰ কথা নকয়। অলপ সময় কথা পাতি সি ফোনটো থৈ দিয়ে।

অহৰ্নিশে ক'ভিড-১৯ ডিউটি কৰি অলকেশ ভাগৰি পৰিছিল। হঠাৎ অলকেশৰ গাটো বেয়া লাগিল। তাৰ সহকৰ্মীসকলে কথাটো গম পাই তাক জিৰণি ল'বলৈ দিলে। সি তাৰ কাম বহুখিনি কমাই কিছু জিৰণি লৈ থাকিল। ক্ৰমশঃ তাৰ অৱস্থা জটিল হ'বলৈ ধৰিলে। নিৰ্দিষ্ট পৰীক্ষা-নিৰীক্ষাৰ অন্তত ফলাফল ওলাল যে অলকেশো এজন ক'ভিড-১৯ ৰোগী। যথেষ্ট

তৎপৰতাৰে তাৰ সহকৰ্মীসকলে উন্নত চিকিৎসা ব্যৱস্থা ল'লে। অলকেশৰ চিকিৎসা চলিছে। কিন্তু তাৰ অৱস্থাৰ উন্নতি হোৱা নাই। ইফালে ঘৰতো খবৰটো দিব পৰা নাই। কি সাহসত তৰালিক এই খবৰ দিব। অৱশেষত অলকেশৰ বাল্যবন্ধু নিৰুপমে খবৰটো তৰালিক জনোৱাৰ দায়িত্ব ল'লে।

নিৰুপম! নিৰুপম আৰু অলকেশ সৰুৰে পৰা একেলগে উমলি-জামলিৰ ডাঙৰ-দীঘল হৈছে। এদিনাখনৰ কথা, সিদিনা ৰবিবাৰ, স্কুল বন্ধ গতিকে সিহঁত আটাইকেইটা স্কুলৰ ফিল্ডত ফুটবল খেলে। গ'লকীপাৰত অলকেশ আগৰণুৱা। সিদিনাৰ খেলখনত সিহঁতৰ দলটোৱে জিকিছিল আৰু সিহঁত আটাইকেইজনে হাঁহৰ মাংসৰে খানা এটা খোৱাৰ সিদ্ধান্ত লৈছিল। খেল শেষ কৰি সিহঁত ঘৰলৈ আহি আছিল ৰাস্তাত হঠাতে অলকেশে নিৰুপমক ক'লে, নিৰু আমাৰ দুয়োৰে ইমান বন্ধুত্ব যদি হঠাৎ কোনো জটিল ৰোগত আক্ৰান্ত হৈ মৰি থাকো। অলকেশৰ কথাত বাধা দি নিৰুপমে তাক আৰু কোনো কথা কোৱাৰ নিৰুপমে অলকেশৰ ঘৰত খবৰটো দিবলৈ সাহসেৰে আগবাঢ়ি আহিল।

ৰাতি ৯ বজাত হঠাৎ তৰালিৰ ফোনটো বাজি উঠিল। তৰালিয়ে অতি উৎকণ্ঠাৰে অলকেশৰ ফোন বুলি ফোনটো তুলি ল'লে। কিন্তু সিপাৰৰ পৰা যিটো কণ্ঠস্বৰ ভাঁহি আহিল সেইটো অলকেশৰ নহয় নিৰুপমৰহে। তৰালিয়ে সুধিলে নিৰুপম সকলো ঠিকেঠাকে আছেনে? তোমালোকৰটো ডিউটি শেষ হ'বৰ বেছিদিন নাইয়ে। সোনকালে আহা। সিহঁতকেইটাৰ উৎপাতত মোৰ অৱস্থা, নোহোৱা হৈছে। দেউতাকৰ খবৰ সুধি সুধি মোক একেবাৰে বৰ হাইৰাণ কৰি দিছে। ও নিৰুপম, তোমালোকে নিজৰ স্বাস্থ্যৰ যত্ন ল'বা দেই। জানা, অলকেশ যে আকৌ সৰু ল'ৰাৰ দৰে, মই কৰি নিদিলে নিজে একো কৰিবই নোৱাৰে জানানে? অলকেশে বাৰু এতিয়া বাৰু এতিয়া কি কৰি আছে? খুউব ব্যস্ত আছে নেকি? [illegible] কথাখিনি কৈ আছে। নিৰুপমে তৰালিয়ে উশাহ নোলোৱাকৈয়ে কথাখিনি [illegible] নাই। হঠাৎ তাৰ নিজৰ কথাখিনি কোৱাৰ কোনো সুযোগেই [illegible] নিৰুপমেম তাৰ কথাৰ সুৰ সলনি কৰি মনটো যথেষ্ট সংযত কৰি তৰালিক যিখিনি কথা ক'লে, তৰালিয়ে কথাখিনি শুনি তাইৰ হাতৰ পৰা মোবাইল সৰি পৰিল। তাইৰ মূৰটো আচন্দ্ৰাই ধৰিলে। কিমান সময় তাই তেনেকৈ পৰি থাকিল তাই নিজে গম নাপালে। সাৰ পাই দেখিলে সোণ আৰু জোনে তাইক সাৱটি ফেকুৰি ফেকুৰি কান্দি আছে। চেতনা ঘূৰাই পাই তাই সিহঁত দুটাক সাৱটি ধৰিলে।

পৃথিৱীৰ একো আওঁ-ভাওঁ নোপোৱা ল'ৰা দুটাক তাই কোন ... কয় যে সিহঁতৰ দেউতাক আৰু কোনো দিনে সিহঁতৰ ওচৰলৈ ঘূৰি নাহে। তৰালি বাক্‌যুদ্ধ। এইখিনি সময়ত তাই কাৰ আগত দুখ প্ৰকাশ কৰিব। গাঁৱত থকা শাহুৱেক আৰু অলকেশৰ একমাত্ৰ ভায়েক অমলক কেনেকৈ ক'ব কথাখিনি। লকডাউনৰ কাৰণে সকলোৱে গৃহবন্দী হৈ ঘৰতে সোমাই আছে তাইক সান্ত্বনা দিবলৈয়ো কোনো নাই। বহু ধৈৰ্য্য সহকাৰে নিশা তৰালিয়ে অলকেশলৈ ফোন কৰিলে। অস্ফুট মাতেৰে অলকেশে তৰালিক ক'লে- তৰা, তুমি চিন্তা নকৰিবা, মই সোনকালে ভাল হৈ উঠিম। অসুখটো আৰম্ভ হৈছেহে মাথো। তুমি একেবাৰে চিন্তা নকৰিবা। সোণ আৰু জোনক তুমি চাবা। তোমাৰ স্বাস্থ্যৰ যত্ন ল'বা। সোণ আৰু জোনক ভালদৰে ৰাখিবা দেই। বাই। শুভৰাত্ৰি।

ফোনটো থৈ তৰালিয়ে সোণ আৰু জোনক ভাত-পানী খুৱাই শুৱাই থ'লে। তাই কিন্তু উজাগৰী নিশা এটা কটালে কিমান যে দুঃশ্চিন্তাই তাইক আগুৰি ধৰিলে। তাইৰ মনত যে কত কথাই অগা-দেৱা কৰি আছে।

দিন গৈ আছে মানে অলকেশৰ স্বাস্থ্যৰ অৱনতি ঘটি আছে ক্ৰমশঃ জটিলৰ পৰা জটিলতৰ অৱস্থা। তাৰ সহকৰ্মীসকলে গম পাইছে যে অলকেশ আৰু কোনোদিনেই সুস্থ হৈ উঠিব নোৱাৰে। অলকেশে নিশ্চিত মৃত্যুৰ ক্ষণ গণি গণি দিনবোৰ অতিবাহিত কৰিব ধৰিলে। প্ৰকৃত সত্যটো তৰালিক দিব পৰা নাই। হঠাতে অলকেশে সিদ্ধান্ত ল'লে যে সি শেষবাৰৰ বাবে তাৰ পত্নী আৰু বুকুৰ কলিজা সদৃশ সোণ আৰু জোনক এবাৰ দূৰৰ পৰা হ'লেও চাই আহিব নহ'লে যে সি সিহঁতক ফাঁকি দিয়া বুলি ক'ব। আৰু তাৰ আত্মাইও যে স্বৰ্গত শান্তি নেপাব। তাৰ সহকৰ্মীসকলৰ আৰু তাৰ অতি মৰমৰ চিষ্টাৰসকলৰ হেজাৰ বাধা নেওচি সি নিজৰ সিদ্ধান্তত অটল হৈ থাকিল। আৰু ৰবিবাৰে ৰাতিপুৱা ৯ বজাত অলকেশে তাৰ ঘৰৰ সদস্য সকলৰ পৰা শেষ বিদায়কণ লোৱাৰ কাৰণে সিহঁতৰ পদূলিত উপস্থিত হ'ল। তৰালিয়ে তাইৰ বুকু ভেদি অহা কান্দোন বুকুত হেচি ৰাখি অলকেশক শেষবাৰৰ বাবে বিদায় জনালে। দূৰৰ পৰাই তাই তাক ক'লে- অলকেশ, তুমি যোৱাগৈ যোৱা। তুমি নিশ্চিত থাকা। সোণ আৰু জোনক মই মানুহ কৰিমেই কৰিম। তুমি চিন্তা নকৰিবা অলকেশ। তুমি চিন্তা নকৰিবা। মই তোমাৰ সপোনবোৰ পূৰণ কৰিমেই। শোকে খুন্দা মাৰি ধৰা তৰালিৰ বুকু ভেদি ওলাই অহা চকুলোখিনি তাই আৰু ধৰি ৰাখিব নোৱাৰিলে। হুকহুকাই কান্দি উঠিল তাই। ■





*প্ৰিয় প্ৰিয়া,.......*
*কুশলেই আছা চাগে।*
*সোণগুঠি ভৰা কাণখন*
*বৰকৈ চিগিছে অ'......*

# নীলা খামৰ চিঠি



# নীলা খামৰ চিঠি



দিপিকা শৰ্মা
ষষ্ঠ ষান্মাসিক

হিয়াৰ আমঠু,

কাগজৰ টুকুৰাতেই পঠাইছো তোমাৰ নামেৰেই উন্মাদ উমাল মোৰ হৃদয়ৰ মৰমবোৰ। তোমাক দেখাৰে পৰা কি যে হ'ল এই লঠঙা শীততো মোৰ হৃদয়ত পাহি মেলিছে কুমলীয়া কুঁহিপাত। মোৰ দেহ-মন চুই গৈছে এজাক ফিৰফিৰিয়া বতাহ। এই বতাহজাকৰ পৰশত সঁচাকৈ প্ৰতিনিয়ত তোমাৰ কথাই মনলৈ আহে। কবিয়ে লিখাৰ দৰে, গায়কে গোৱাৰ দৰে, আকাশে-বতাহে কেৱল তোমাকে দেখিছো। তোমাৰ নামেৰেই তোল-পাৰ মোৰ হৃদয় দুয়োটি পাৰ। মোৰ মনে বিচাৰি যায় হিমালয়ৰ সুউচ্চ শৃংগত অথবা বিশাল মৰুভূমিত, অন্তহীন সাগৰত কিম্বা বৰফৰ দেশত। আঁহত গছ শিপোৱা দি মোৰ হৃদয়ত শিপাইছে প্ৰেমৰ এক অনাবিল অনুভৱ। মোৰ হৃদয়ৰ এই প্ৰেমৰ বলীয়া বানেৰে যেন বুৱাই দিম তোমাক। প্ৰতিপল, প্ৰতিক্ষণ আজি শিহঁৰিত মোৰ যৌৱন। যৌৱন-যমুনাৰ পাৰতে শুভ্ৰ কহুৱাবোৰেও হালি-জালি তোমাৰ মোৰ নামেৰেই গীত গাইছে।

তোমাৰ বাৰু হাচ্‌নাহানাৰ সুৱাস সনা সেই সন্ধিয়াটিৰ কথা মনত আছেনে? আজীৱন মোৰে হৈ ৰ'বা বুলি দিয়া কথাটি। আমি দুয়ো যে জোনাকী পৰুৱাৰ কথা পাতিছিলো তেতিয়া তোমাক কোনোৱা সাধুকথাৰ সপোন কোঁৱৰৰ দৰে লাগিছিল জানা। শুকুলা ঘোঁৰাত উঠি তৰাৰ দেশৰ পৰা কেৱল মোৰ বাবে নামি অহা সপোনৰ ৰাজকুমাৰ। দুচকুৰ আলাপেৰে বহু কথাই কৈ গৈছিলা তুমি। পপীয়া তৰাৰ দৰে মোৰ হৃদয়ৰ কোণত জিলিকি আছিলা। তোমাৰ হাতৰ কোমল পৰশত জোনাক সৰিছিল। যৌৱনৰ বাগিছাত গোলাপে নতুন পাহি মেলিছিল। নীলা-নীলা সপোনবোৰে ঢৌ খেলিছিল। এইবোৰ যে সৌ সিদিনাৰ কথাই যেন লাগে। বাহিৰৰ উন্মনা বতাহজাকে বহু কথা সোঁৱৰাই গৈছে আজি। নৈপৰীয়া সপোনবোৰেও ৰিঙিয়াই মাতিছে। দুচকুৰ আগেদি অহাযোৱা কৰিছে ফাগুনৰ উৰুঙা পথাৰৰ ৰঙচুৱা সপোনবোৰ।

এতিয়া ঘৰত মোৰ বিয়াৰ কথা চলিছে। সকলোৱে কয় তুমি ঘূৰি নাহা কাহানিও। তুমি এতিয়া তৰাৰ দেশৰ আলহী। মই জানো তুমি ঘূৰি আহিবা বুলি। এইবাৰ আহিলে পলাশ ফুলাৰ বতৰত প্ৰাণভৰি গান শুনিম। শীতৰ কুঁৱলীসনা সেই বিশেষ দিনটোত তুমি এটা সপোন উপহাৰ দিছিলা। আমি দুয়ো একেলগে ঘৰ সজাৰ কথা আছিল। মই সেই সপোনৰ উপহাৰটোক সাৱটি জীয়াই আছো। দিনৰ পিছত দিন, ৰাতিৰ পিছত ৰাতিৰ আশাৰে বাট চাই আছো শেষ দিনলৈ।

নিশা গভীৰ হ'ল। দূৰৈৰ পৰা ভাহি আহিছে তোমাৰ প্ৰিয় ঐনিতম সুৰ-

মৰমৰ এনাজৰী ছিগি যোৱা নাই
মই তোমাৰ মনৰ মাজত আছোঁ যে লুকাই,
চেনেহৰ চিৰযুগমীয়া বন্ধনৰ শিকলি নিচিগে চিগা নাই
তোমালৈ আছোঁ বাট চাই।
সৌ দূৰৈৰ মন্দিৰত ৰৈ আছোঁ তোমাৰ পূজাৰ বাবে
দুয়ো-দুয়োৰে মনৰ মাজত আছোঁ যে লুকাই।।

আজি হৃদয় মোৰ হাহাকাৰ বিচাৰি তোমাৰ হৃদয়ৰ উমাল উষ্ণতা। তোমাৰ হৃদয়তে বাজিব মোৰ জীৱনৰ সুৰ। মই আজীৱন তোমাৰ ৰাজকুমাৰী হৈ জীয়াই থাকিব খুজিছো আৰু তোমাতেই নিঃশেষ হ'ব খুজিছো। বাহিৰত আন্ধাৰ ফালি এটি-দুটি কেইবাটিও পোহৰ বিলাইছে জোনাকী পৰুৱাই। তুমি য'তেই আছা মনৰ জোখাৰে সুখী হোৱা।

শেষত হিয়াৰ মৰম যাঁচি আজিলৈ আৰু ইয়াতেই সামৰিছো।

তোমাৰ আজন্ম প্ৰেমিকা ■

মহাবিদ্যালয় সপ্তাহ উপলক্ষে আলোচনী বিভাগৰ দ্বাৰা আয়োজিত নীলা খামৰ চিঠি প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত।

# নীলা খামৰ চিঠি



কাকলি দাস
ষষ্ঠ ষান্মাসিক, সংস্কৃত বিভাগ

মোৰ মৰমৰ

এখিলা উকা কাগজত অনুভৱৰ সেউজীয়া কলমেৰে লিখা এয়া মোৰ হৃদয়ৰ মণিকোঠাত সঞ্চিত কিছু মধুৰ অনুভূতি। কিছুমান মিঠা শব্দৰ আলিঙ্গন বিচাৰি মোৰ অনুভৱী মন উৰা মাৰিছে দিগন্তৰ সিপাৰৰ কোনোবা মনোৰম সপোন ৰাজ্যলৈ, সীমান্তৰ পাৰাপাৰ ভঙি, য'ত প্ৰকৃতি সুন্দৰ হৈ থাকে, ফুল হৈ ফুলে, নিজৰা হৈ বয়, চৰাই হৈ উৰে সুবিশাল নীলাভ আকাশত।

আজি যেন মোৰ বাবে নামি আহিছে সেউজ বন্যা। বসন্তৰ আগমনত উতলা প্ৰকৃতি। ঢাকি ৰাখিব নোৱাৰো মোৰ উতলা যৌৱন। নাভাৱো বুলিয়ো নভবাকৈ থাকিব নোৱাৰো তোমাৰ কথা। কোনেনো বুজিব গাভৰু হৃদয়ৰ গোপন বিননি। হৃদয়ৰ মণিকোঠাত অতি সংগোপনে ৰাখিছোঁ এই বেদনা।

তোমাৰ বাৰু এতিয়াও মনত পৰেনে? কলেজৰ সন্মুখৰ সেন্দুৰ বোলোৱা কৃষ্ণচূড়া জোপাৰ তলত আমাৰ সেই প্ৰথম চিনাকী। সেই তেতিয়াৰে পৰাই মোৰ হৃদয় তোমাৰ ভাবনাৰ মেটেকাৰে উপচি পৰিছে। শাৰদীয় স্নিগ্ধা জ্যোৎস্নাৰ পৰশে প্ৰকৃতিৰ বুকুত সাতৰঙী ৰামধেনু সৃষ্টি কৰাৰ দৰে তোমাৰ ভাবনায়ো মোৰ হৃদয়ত সাতোৰঙী ৰামধেনু গঢ়িছে। নিবিড় জোনাকত, নিজান সন্ধিয়াত, অতি গোপনে নিৰলে....

ওঁঠত ফুলৰ গান
দুচকুত স্বপ্নৰ উদ্যান.........
তোমাৰ সান্নিধ্য বিচাৰি আকুল ব্যাকুল
মোৰ হৃদয়ৰ উপকুল।
শৰতৰ প্ৰতিটো সন্ধিয়া, প্ৰতিপল
উজাগৰে কটাও
তোমাৰ ভাবনাত।

দিন বাগৰাৰ লগে লগে তুমিও মোৰ হৃদয়ত বাৰুকৈ... শিপাবলৈ ধৰিছা। শুনিছোঁ, প্ৰেমত বোলে ওভোতাৰ... নাথাকে। সঁচাকৈয়ে তোমাৰ প্ৰেমত মোৰ হৃদয় উদ্বাউল হৈ পৰি... অজস্ৰ জনৰ মাজত থাকিও কিয় মোৰ সন্ধানী চকুৱে নে... তোমাকে বিচাৰি ফুৰে? কিয়?

পুৱা অৰুণৰ হেঙুলী আভাৰে হিম কণা উজ্বলি উঠাৰ... তুমিও সদায় মোৰ মনত উজ্বলি আছা। ফৰিংফুটা জোনা... ৰূপালী পৰশত পদূলিৰ শেৱালী জোপাৰ তলত বৈ তো... ভাৱনাত বিভোৰ হৈ পৰিছোঁ। আউসীতো তুমি উজ্বলিছা ... মন আকাশত দীপান্বিতা হৈ।

মোৰ দুহাতত ভৰ দি
তুমি বগাবা
আকৌ বগাবা তুমি
সৰাপাতৰ গভীৰ অৰণ্য।

চিঠিখনৰ উত্তৰ দিবলৈ প্লিজ..., তুমি মোলৈ ফোন নকৰি... এছ.এম.এছো নপঠাবা, ই-মেইলো নকৰিবা। পাৰিলে ... চিঠিকে লিখিবা। আহিব শামুকীয়া গতিৰে। মই দৌৰি ... ডাকোৱালৰ চাইকেলৰ টিলিঙাৰ শব্দত। আৰু ঠিকনা! ঠি... বিচাৰি তুমি হাবাথুৰি খাব নালাগে। তোমাৰ হৃদয়ে যে ... ঠিকনা। ■

মহাবিদ্যালয় সপ্তাহ উপলক্ষে আলোচনী বিভাগৰ দ্বাৰা আয়োজিত নীলা খামৰ চিঠি প্ৰতিযোগিতাৰ দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত।



# নীলা খামৰ চিঠি



প্ৰিয়াংশু গোস্বামী
চতুৰ্থ ষান্মাসিক, সংস্কৃত বিভাগ

মৰমৰ অনুৰাধা,

কুশলে আছনে তই? যোৱাবেলি ব'হাগতে যে দিছিলি চিঠিখনি তই.......এৰা, আজি বহুদিনেই হ'ল অ', কিয় নাজানো এতিয়া দেখোন বহু চেষ্টা কৰিও নিৰুপায় মই। তোৰ চিঠিৰ উত্তৰ দিবলৈ মই যে আজি শব্দবিহীন, ভাষাহীন। তই দিয়া গোলাপকলিটি মৰহি গৈছে তথাপি মই অনুভৱ কৰিব পাৰিছো তাৰ সুঘ্ৰাণ আৰু তোৰ জেতুকা বুলীয়া হাতৰ জীপাল সুবাস। তই বাৰু খং কৰিছ নেকি মোক? এই খং নকৰিবি না খং কৰিলে বৰ ধুনীয়া দেখি ও তোক। এজাক জোনাকৰ বৰষুণে মোক তিয়াইছিল সেইদিনাই, যিদিনা কৈ দিছিলি তোৰ সেইজীয়া সপোনবোৰৰ কথা। মইও কথা দিছিলো এক প্ৰকাৰ তোক........ তোৰ মন আকাশত ৰামধেনুখনি মইয়েই সজাম বুলি। কিন্তু কেতিয়াবা বুকুৰ সেই অসহ্যকৰ বিষটোৱে বৰকৈ আমনি কৰিছিল। সময়বোৰ দৌৰিছিল তোৰ-মোৰ হাতে হাত ধৰি আৰু বুকুৰ সেই কালিকা লগা বিষটি আৰু বেছিকৈ গা কৰি উঠিছিল। উশাহটিও ঘন হৈ আহিছিল। লাহে লাহে নিথৰ হৈ পৰিছিল মোৰ হৃদপিণ্ড। এই তই কান্দিছ নেকি? নেকান্দিবি অ'... চকুৰ কাজল বেয়া হ'লে মই আগতে তোক কি বুলি কৈছিলোঁ তোৰ জানোঁ মনত নাই? এৰা সময়বোৰ বৰ নিষ্ঠুৰ। সময়ে উটুৱাই নিলে মোক আজি বহু দূৰণিলৈ.... এখনি অজান পৃথিৱীলৈ। মই চাগে কোনো দিনেই নাছিলোঁ তোৰ বাবে। সকলোবোৰ শেষ হৈ গ'লেও আজিও দুৰ্বাৰ হেঁপাহ তোৰ সেই মেঘালী চুলিটাৰিৰ সুৱাসকণ এবাৰ ল'বলৈ। হবদৈ আৰু বেছি নিলিখোঁ। স্মৃতিৰ টোপোলাত তোৰ এই পাগলজনক সামৰি ৰাখিবি আলফুলে। পৰজনমত আকৌ তোৰেই প্ৰেমত বাউলি হোৱাৰ প্ৰতিশ্ৰুতি বুকুত সামৰি ৰাখি আজিলৈ সামৰিছোঁ।

ভালকৈ থাকিবি। সুখী হ তই। মলয়াজাকৰ বুকুত বান্ধি দিছোঁ চিঠিখনি... তাইকে সুধিবি মোৰেই ঠিকনা।

ইতি-
তোৰ মৰমৰ
অনুৰাগ ■



মহাবিদ্যালয় সপ্তাহ উপলক্ষে আলোচনী বিভাগৰ দ্বাৰা আয়োজিত নীলা খামৰ চিঠি প্ৰতিযোগিতাৰ তৃতীয় পুৰস্কাৰপ্ৰাপ্ত।

# নীলা খামৰ চিঠি




করবী শৰ্মা
ষষ্ঠ ষান্মাসিক, দৰ্শন বিভাগ


মৰমৰ সোনটি,

মৰম ল'বা। অনাদৰ নকৰি মোৰ চিঠিখন এবাৰ মাত্ৰ পঢ়িবা। তোমালৈ মনত পৰাৰ বাবেহে চিঠিখন লিখিবলৈ ওলাইছোঁ। আশা কৰোঁ চিঠিখন এবাৰ হ'লেও পঢ়িবা। হয়তো এইখনেই মোৰ শেষ চিঠি।

তোমাৰ বাৰু কেতিয়াবা মোলৈ মনত পৰেনে? সৌ, যে চাদৰ ওপৰত বহি তোমাৰ লগত মিঠা মিঠা কথা পাতিছিলোঁ। দুয়ো দুয়োকে দিয়া মৌসনা প্ৰতিশ্ৰুতিবোৰ। তুমি হয়তো পাহৰি গৈছা কাৰোবাৰ পৰশত। কিন্তু মই পাহৰিব খুজিও দেখোন পাহৰিব পৰা নাই, জানো কিয়? তোমাৰ স্মৃতিবোৰে মোক বৰ্বকৈ ... দি থাকেও। কিন্তু কি কৰিম কোৱা, মই উপায়হীন হৈ পৰিছোঁ ... তোমাৰ সুখৰ বাবে মই তোমাৰ পৰা আঁতৰি থাকিব পাৰিম ... তুমি বিচৰা, বাৰু বাদ দিয়া এইবোৰ। শুনিছোঁ তোমাৰ ... বিয়া ২৯ আগষ্টত। নতুনজনৰ আগমনে তোমাক চাগে ... উৎফুল্লিত কৰি তুলিব, আৰু তেতিয়া তুমি তোমাৰ ... মোক একেবাৰে মচি পেলাবা। কিন্তু তুমি তোমাৰ হৃদয়ত ... স্থান নিদিলেও, মোৰ হৃদয়ত সদায় তুমি আছা, নদী ... একেৰাহে বৈ থাকে, তুমিও মোৰ হৃদয়ত আজীৱন থাকিবা ... মই তোমাক ফুলৰ নিচিনা ভাল নাপাওঁ, কাৰণ ফুল এদিন ... যায়। মই তোমাক নদীৰ দৰে ভালপাওঁ, তুমি তোমাৰ দা... জীৱনত সুখী হোৱা, এয়াই মোৰ কামনা।

শেষত এটা অনুৰোধ কৰো তোমাক... তুমি যে কৈছিলা ... এদিন যে আমাৰ সন্তানৰ নাম কি ৰাখিবা, আৰু মই যে কৈছিলোঁ ... তোমাক, ছোৱালী হ'লে 'চিম্পী' আৰু ল'ৰা হ'লে 'নি... কিন্তু এয়া মোৰ জীৱনত সম্ভৱ নহ'ল। সেয়ে তুমি তোমাৰ সন্তানৰ ... নাম মই কোৱা অনুসৰি ৰাখিবা। ভগৱানে তোমাৰ মংগল কৰক ... তুমি সুখী হোৱা। এয়াই মোৰ তোমাৰ ওপৰত আশা। তোমাৰ ... সুখেই মোৰ সুখ।

ইতি-

অতীতৰ তোমাৰ মৰমৰ করবী ■





# নীলা খামৰ চিঠি


নীলাক্ষী শৰ্মা
ষষ্ঠ ষান্মাসিক, ইংৰাজী বিভাগ


মৰমৰ অৰুনাভ,

এয়া তোমালৈ বুলি লিখিব লৈছোঁ মোৰ চতুৰ্থখন চিঠি। চিঠিৰ উত্তৰ কেতিয়া আহিব, কেতিয়া আহিব বুলি ছাগে তুমি বাট চাই আছা। বেয়া নাপাবা এইবাৰ লিখোতে অলপ পলম হ'ল। আশাকৰোঁ তুমি কুশলে আছা। মোৰো ভালেই দিয়া। তোমাৰ কথাই অনবৰতে ভাবি থাকোঁ জানা....। তোমাৰ মিঠা মিঠা কথাবোৰে, সৰু সৰু ধেমালিবোৰে বৰ আমনি কৰে। তুমি মৰমতে 'চুমি' বুলি মাতিলে বুকুখন ধপ্‌ধপাই উঠে। যোৱাবাৰ কলেজত তুমি লগ কৰিব আহোঁতে মোলৈ বুলি অনা 'শ্বল'খন মই সযতনে ৰাখিছোঁ, কোনেও নেদেখাকৈ, জানানে? বৰ মৰমৰ মোৰ সেইখন। ঘৰত গম পাব বুলি বাকচৰ একেবাৰে ভিতৰত সযতনে থৈ দিছোঁ। বিহুলৈও দেখোন বেছি দিন নাই....। তুমি এইবাৰ বিহুত পাবা যদি আমাৰ ঘৰলৈ এপাক আহিবা। মা-দেউতাক বেছি ভয় কৰিব নালাগে, সিহঁতে তোমাক লগ পালে ভালহে পাব। বিহুত পিছে তুমি ঘৰলৈ আহিব পাৰিবানে? অৰুনাভ। এই দেশৰ সুৰক্ষাৰ কাৰণে ওলাই যোৱা চাকৰিটোৰ কাৰণে মোৰ অনবৰতে ভয় লাগি থাকে। তোমাৰ ঘৰলৈ বুলি, তোমাৰ অকলশৰীয়া মাৰা আৰু সৰু ভণ্টীজনীৰ খবৰ ল'বলৈ বৰ মন যায় থাকে। কিন্তু, ঘৰত কি বুলি ক'ম, তাকে লৈ ভাবি-গুণি থাকোঁতেই যায়। তুমি পিছে মা-ভণ্টীৰ খবৰ লৈ থাকানে, নাথাকা? লৈ থাকিবা কিন্তু....।

সিদিনা অমলৰ মুখত শুনিলো তোমাৰ বোলে অহাবাৰলৈ কাশ্মীৰলৈ বদলি হোৱাৰ কথা আছে। তালৈ গ'লেও কিন্তু সাৱধানে থাকিবা.... এইখিনি সময়ত ছাগে মই আৱেগিক হৈ কথাবোৰ লিখি আছোঁ। সেইবাবে তোমাৰ কথা ভাবি মনটো শংকিত হৈ আছে। কিন্তু দেশৰ কামত গৈ তুমি কেতিয়াও কাপুৰুষালি নকৰিবা, সৈনিক হৈছা যিহেতু যুদ্ধ কৰিবই লাগিব, ফলাফল যিয়েই নহঁওক। তুমি ইমানবোৰ কথা পঢ়ি আমনিয়েই পাবা ছাগে... হ'লেও মনৰ কথাবোৰ চিঠিৰেই পঠাইছোঁ মৰমৰ 'অৰুণ'.... আশাকৰোঁ সোনকালে চিঠিৰ উত্তৰ পাম.....।

ইতি-

তোমাৰ মৰমৰ

সুমিতা (চুমি) ■



# নীলা খামৰ চিঠি




নিংকু দাস
পঞ্চম যান্মাসিক, শিক্ষা বিভাগ


মৰমৰ মৰমী,

কিনকিনিয়া বৰষুণজাক আৰু উজাগৰী ৰাতিয়ে কিয় বাৰু তোমালৈ মনত পেলাই দিয়ে। মৰম, এয়া লোৱা মোৰ হৃদয়ৰ অফুৰন্ত কোণত নিহিত হৈ থকা মৰমখিনি তোমালৈ পঠালো। আদৰি ল'বানে? নল'লেও ওভতাই নিদিবা। প্ৰয়োজন হ'লে ডাষ্টবিনতেই পেলাই দিবা।

এতিয়া কেনে আছা মোৰ জানোঁ সুধিবৰ অধিকাৰ আছে? ইয়াৰ উত্তৰত তুমি নিশ্চয় 'নাই' বুলিয়ে ক'বা, দুখ নকৰো [illegible] জানা। উশাহ-নিশাহ লৈ দুবেলা দুমুঠি [illegible] তোমালৈ [illegible] খাই জীয়াই আছোঁ। এনেকুৱা [illegible] নোপোৱাৰ বাবে নহয়, তোমাক বৰকৈ মনত পৰে জানা! তোমাক নোপোৱাৰ বাবে নহয়, তোমাক পাইয়ো হেৰুৱাৰ দুখত মনটো উথলি উঠে। কোনো কোনো সময়ত মই আত্মহননৰ বাসনাত বাউলী হৈ পৰো জানা। তুমি বেয়া পোৱা বাবে খুব জোৰ কৰি এই ভাৱনাবোৰ মনৰ পৰা আঁতৰাই অন্তগৰ্ভৰ চন্দুকত তলা লগাই থৈ দিওঁ। আৰু কি জানা মৰমী। সেই সন্ধিয়াটোত তুমি মোৰ পৰা গুছি যোৱাৰ পিছত প্ৰতিটো মুহূৰ্ত পাৰ কৰিছো বহু কষ্টেৰে। জোনাক নিশাবোৰতো এন্ধাৰ নামে মোৰ চোতালত তুমিবিহীনতাত। যেতিয়া আকাশত তৰা ফুলে তোমাৰ বাৰু মোলৈ মনত পৰে নে? হয়তো কাহানিও নপৰে। তুমি হয়তো তোমাৰ পাৰ্থিৱ সুখৰ কাৰণে মোৰ লগত এখন ভালপোৱাৰ নাটক কৰিছিলা। কিন্তু মই যে তোমাৰ দৰে হ'ব নোৱাৰিলোঁ। কাৰণ মোৰ প্ৰেম আছিল পৱিত্ৰ। মই জা[illegible] তোমাক মৰম দিয়াত কৃপণালি কৰিছিলোঁ নেকি? তোমাক [illegible] কেতিয়াও আমনি নকৰোঁ। মাথোঁ এবাৰ কোৱা কিহৰ অভা[illegible] তুমি মোক তোমাৰ হৃদয়ৰ পৰা আঁতৰাই পঠাইছা। মই পু[illegible] কৰিবলৈ চেষ্টা কৰিম, কিন্তু তোমাক মই পুনৰাই পোৱাৰ আশা[illegible] নহয়, মাথোঁ জীৱনটোক সফল কৰি তুলিবলৈ।

বেছিকৈ আৰু নিলিখো। তুমি হয়তো পঢ়ি আমনিয়ে পা[illegible] ঘড়ীটোৱে ৰাতি দুই বজাৰ সংকেত দিছে। শেষত তোমাৰ ব[illegible] জীৱন প্ৰেমৰ পৰশেৰে সঞ্জীৱিত হৈ থকাৰ কামনা কৰিলোঁ। ইতি[illegible]

তোমাৰ মৰমৰ

নিংকু ■





# নীলা খামৰ চিঠি




ৰিজুমণি দাস
চতুৰ্থ যান্মাসিক, দৰ্শন বিভাগ




মৰমৰ সোণটো,

মৰম ল'বা, আশা ৰাখিছোঁ তুমি কুশলে থকা বুলি। জীৱনত প্ৰথমবাৰ প্ৰেমৰ অনুভৱ তোমাৰ পৰাই পাইছোঁ। প্ৰেম যে এটি মিঠা অনুভূতি সেইটো তোমাৰ পৰাই পালোঁ। মোৰ জীৱনত অহাৰ বাবে মই তোমাক ধন্যবাদ দিব বিচাৰিছোঁ। আগন্তুক দিনবোৰত মোৰ স'তে সুখে-দুখে থাকিবা বুলি আশা ৰাখিলোঁ। সোণটো তোমাৰ পঢ়া-শুনা ভালদৰে চলি আছে নে? মই ভাবিছোঁ যে তুমি ভালদৰে পঢ়া-শুনা কৰিছা। মোৰ কথা ভাবি নাথাকিবা তুমি মই ভালে আছোঁ। মোৰ পঢ়া-শুনা ঠিকেই চলি আছে। সোণটো, মই বিচাৰিছোঁ যে জীৱনত তুমি বহুত বহুত সফল হোৱা। মই ভগৱানক প্ৰাৰ্থনা সদায় কৰোঁ আৰু তুমি যেন কুশলে থাকা তাকেই বিচাৰোঁ। জীৱনত সফল হোৱাৰ প্ৰথম পথটোও তুমিয়ে দেখুৱাই দিছিলা। সোণটো, তোমাৰ ঘৰত সকলো ভালেই আছে নে? আশা ৰাখিছোঁ তোমাৰ ঘৰত সকলো ঠিকেই থকা বুলি। আকৌ এবাৰ ক'ব বিচাৰিছো মোৰ জীৱনলৈ অহাৰ বাবে বহুত বহুত ধন্যবাদ। আমাৰ ঘৰত সকলো ভালে আছে দিয়া। শেষত মই ইয়াকে ক'ব বিচাৰো যে ভগৱানে তোমাৰ মংগল কৰক।

ইতি-

তোমাৰ মৰমৰ

ডিম্পল ■

# নীলা খামৰ চিঠি



ৰিম্‌লি দাস
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

মৰমৰ,

প্ৰিয়তম! তুমি বাৰু কেনে আছা? ভগৱানৰ কৃপাত মই ভালে আছোঁ। আজি বহুত দিনৰ মূৰত তোমাৰ একো খবৰ নোপোৱাত তোমালৈ বৰকৈ মনত পৰি এই চিঠিখন লিখিম বুলি কাগজ আৰু কলম হাতত লৈছোঁ। এই কেইদিনমানৰ পৰা তোমালৈ বৰকৈ মনত পৰি থকা হৈছে। নাজানো মোৰ কিয়বা এনেকুৱা হৈছে। তোমাৰ লগত কটোৱা এটি এটি মুহূৰ্ত মোৰ চকুৰ আগত ভাঁহি থাকে। তোমাৰ বাৰু মোলৈ মনত পৰেনে? সেই যে আমাৰ কলেজীয়া জীৱনত আমি কৃষ্ণচূঁড়া গছডালৰ তলত একেলগে বহি আমাৰ মনৰ কথা ইজনে সিজনৰ আগত প্ৰকাশ কৰিছিলোঁ। চকুৰে চকুৰে চাই এজনে আনজনৰ মনৰ কথা বুজি পাইছিলোঁ মই আজিও সেইবোৰ পাহৰিব পৰা নাই জানা। তোমাৰ বাৰু মনত পৰেনে সেই দিনবোৰৰ কথা নে তুমি পাহৰি গ'লা। সেই যে কলেজৰ গেটত আমাৰ প্ৰথমবাৰ দেখা হৈছিল। তুমি মোক জোকাবলৈ ওলাইছিলা আৰু মোক নোজোকোৱা-কৈয়ে মোৰ ফালে চাই থৰ লাগিছিলা। সেই প্ৰথম চাওনিতে মোৰ তোমাৰ প্ৰতি প্ৰেম হৈ গৈছিল জানা। সেই তোমাৰ লাজুক লাজুক চাওনিৰে লাহে লাহে আহো নাহোকৈ মোৰ ফালে আগুৱাই আহিছিলা আৰু মোৰ নামটো লাহেকৈ সুধিছিলা। মইও এ… নভবাকৈয়ে নামটো কৈ পেলালো। তাৰ পিছত লাহে লাহে আ… বন্ধুত্বও হ'ল। মই কিন্তু প্ৰথম দিনা দেখোতে গম পাই গৈছিলো… যে তুমি মোৰ প্ৰেমত পৰিছা মাথো তুমি কোৱালৈহে অপেক্ষা… কৰি আছিলো। মই নিজে ক'বলৈ লাজো পাইছিলোঁ। দিয়াতো… সেই যে তুমি মোক ৰঙা গোলাপ ফুলপাহেৰে প্ৰেমৰ প্ৰস্তাৱ… দিছিলা কিমান যে আনন্দ পাইছিলোঁ সেয়া মই ভাষাৰে প্ৰকাশ… কৰিব নোৱাৰো। সেইদিনবোৰেই ভাল আছিল জানা। … তোমাক লগ পাইছিলোঁ... তোমাৰ লগত সময় কটাইছিলোঁ… আৰু এতিয়া তোমাক লগ নাপাওঁ... ভালদৰে দুআষাৰ … পাতিবও নোৱাৰো। আজিলৈ আৰু বেছি নিলিখোঁ এইখিনিতে… শেষ কৰিলোঁ। মোৰ চিঠিৰ উত্তৰ দিবা। ইতি-

তোমাৰ মৰমৰ

প্ৰেয়সী ৰিম্‌লি ■





# অনুষংগতাৰ নীতি




গীতাশ্ৰী গোস্বামী
সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ




আঁতৰাই পেলালো মখ্‌মলৰ পৰ্দা
বহুতেই ক'লে,
আভঁজা লগা হ'ল ভিতৰ চ'ৰা।
বুজি নাপায় তেওঁলোকে
মনৰ ভিতৰৰ শিপাডালে পায় হেজাৰ বাধা।।

চ'ত মাহৰ প্ৰথম জাক বৰষুণ
পথাৰখন হৈ পৰে সুৰীয়া সপোন।
মাটিয়ে সলায় গোন্ধ
শিপা উপশিপাই বুজি পায়
কাঁচিয়লি ৰ'দৰ নতুন ৰূপ।
এৰাল দিয়া পথাৰ
মুঠি মুঠি ঘাঁহনিত
কাঁচিয়ে কৰে চিক্‌মিক্।।

ঢপলিয়াই আহি খুলি দিওঁ দৰজা খিৰিকি
বতাহ জাকত শাঁত পৰে বুকুৰ দলিচা
এহাত মেলিলেই সেউজ ৰঙে পাতে খুদ জামুৰ পুলিটো
ডাল হালি পৰে ফুলৰ ভৰত।
উৰুৱাই অনা ফুলৰ ৰেণুত
ফুটুকা ফুটুকী হয় ঘৰৰ মজিয়া।
আমেজেৰে থিৰাং কৰো
ইও এক মিতিৰালি।

বুকু পাতি ধৰে জাক জাক বৰষুণ
হ'ব সেউজ পথাৰ সোণালী ধাননি
কঢ়িয়াই নিয়া ডাঙৰীৰ পৰা সৰি পৰিব
এটি দুটি সোণসেৰীয়া গুটি।।

ৰামধেনুৰে আৱৰা পথাৰ ইমূৰ সিমূৰ
সৃষ্টি হয় শব্দহীন ভাষা
ধমনীৰ তৰংগ
কলিজাই অনুভৱ কৰা গতি
নাম তাৰ অনুষংগতাৰ নীতি।।

আঁতৰাই পেলালো মখ্‌মলৰ পৰ্দা
পথাৰখনে যে ধৰি আছে মোৰ হৃদয়ৰ শিপা। ■

# মুক্তি




ড° পাপৰি নায়ক
সহকাৰী অধ্যাপিকা,
বাণিজ্য বিভাগ


অসতো মা সং গময়
তমসো মা জ্যোতির্গময়।
মৃত্যোর্মা অমৃতং গময়
ওঁম শান্তিঃ, শান্তিঃ, শান্তিঃ।

চকুৰ ধাৰা বৰলৈ দিয়া
নুমুচিবা, অ' আই
নুমুচিবা।

অচিন দেশৰ বৰষা নামিছে
ধুই নিব দিয়া বিষাদৰ ৰাতিক,
বিষৰ চাকিক।।



চকুৰ ধাৰাক নুমুচিবা আই,
হেৰাই যাব দিয়া
যন্ত্ৰণাৰ শৰীৰ, জৰ্জৰিত মন।।

সৌ নৈৰ
বিননি শুনা,
চিঞৰি চিঞৰি মুক্তি বিচাৰে
তাইৰ দুখত প্ৰেতাত্মাই হাঁহে
আশ্ৰয় বিচাৰি আকাশক মাতে।।

চকুৰ ধাৰা বৰলৈ দিয়া
আই, তুমি নুমুচিবা
অচিন দেশে, মৰম পঠাইছে
আকোঁৱালি লওঁক
হেজাৰ সপোনক।। ■

# দেউতা




দীপ কলিতা
প্ৰাক্তন ছাত্ৰ


বিৰিয়াৰ দৰে বোজাৰ ভৰত দোঁ খায়
তেজ মঙহৰ শৰীৰ
অথচ ক্লান্ত নহয়
নলয় জিৰণি
উদয়াস্ত পৰিশ্ৰমেৰে
তেওঁ
লালন-পালন কৰে আমাৰ সপোন
অভিজ্ঞতাৰে আমাক পঢ়ায়
জীৱনৰ পাঠ
আমাক মানুহ কৰিবলৈকে তেওঁ
শিলৰ দৰে
ৰ'দত শুকায়
বৰষুণত তিতে
জাৰ-জহ আনকি
যন্ত্ৰণাকো
কেৰেপ নকৰে
আমাৰ ৰ'দঘাই জীৱনৰ বাবে
তেওঁৰ ভিতৰৰ মানুহজনক
তিল তিলকৈ মৰিবলৈ এৰি দিব পাৰে
জীৱন সংগ্ৰামৰ তেওঁ
অক্লান্ত সৈনিক
তেওঁ এছাটি পোহৰ
আমাৰ বাবে তেৱেঁই ঈশ্বৰ। ■





# ভালপোৱা কি ৰহস্যময়ী




মানব মেধি
প্ৰাক্তন ছাত্ৰ


যিদিনা উঠলি উঠা আবেগক
নোৱাৰিলোঁ ৰুধিব
ব্লেডেৰে কাটি লিখি ল'লো
তোমাৰ নাম...
বুকুৰ কোনোবাখিনিত
কি ৰহস্যময়ী ভালপোৱা
বুকুৰ শোণিতত খোদিত যাৰ নাম
অ' ভালপোৱা
তোমাক সযতনে সাঁচি ৰাখিব নোৱাৰো
বিদায় জনাবও নোৱাৰো
আবেগতে লিখি ল'লো
বুকুত যাৰ নাম
এতিয়া যে বুকুৰ গভীৰলৈ সোমায়
তেওঁতো নুবুজে
অ' ভালপোৱা
বুকুৰ শোণিতত তেৱেঁই কেৱল
টগবগাই ফুৰে...
অ' ভালপোৱা
তই যে কি ৰহস্যময়ী... ■

# বিষণ্ণতা




কৰবী শৰ্মা
প্ৰাক্তন ছাত্ৰী


নাচাবা কেতিয়াওঁ তুমি; মোৰ পিনে একেথৰে
মোৰ ভগ্ন হৃদয়ৰ উমান ল'বলৈ তোমাৰ
আহৰিৰ কোনো প্ৰয়োজন নাই।
তোমাৰ সেই চাৱনিয়ে
মোৰ বাবে কঢ়িয়াই আনে কেৱল বিষন্নতা।
মোৰ সিৰা-উপসিৰাবোৰৰ মাজত জোকাৰণিৰ সৃষ্টি
হয় তোমাৰ সেই চাৱনিত;
অনুগ্ৰহ কৰি মোৰ জীৱনলৈ আকৌ উভতি নাহিবা তুমি,
মোৰ বিষাদৰ সোঁৱৰণি হৈ।
কাৰণ এতিয়া ময়ো শিকি গ'লো
তুমিহীন জীৱনৰ প্ৰস্তুতি। ■



# হে প্ৰকৃতি


নিশা শৰ্মা
ষষ্ঠ ষান্মাসিক


ৰহস্যময়ী স্বপ্নৰ প্ৰকাশ তুমি
এখনি বাস্তৱ তথা মনোৰম ভাৱৰ
স্বতঃস্ফূৰ্ত প্ৰকাশ-প্ৰকৃতি।।
চঞ্চল চৰাচৰ জগতক নিভাঁজ আৱেগেৰে বান্ধি
জড়-জীৱ ৰূপ প্ৰদান কৰিছা তুমি,
শ্যাম বৰণীয়া, নীল বৰণীয়া, শুভ্ৰ বৰণ
আৰু কত বৰণেৰে বিভূষিতা তুমি
কতনা সাগৰ কতনা বিবিধ তোমাৰ বুকুত
সকলোকে নিঃস্বাৰ্থতাৰে আশ্ৰিত কৰিছা তুমি...
সময়ৰ সোঁতত মৰুৰ বালিৰ দৰে ম্লান হৈছে
তোমাৰ মনোমোহা সৌন্দৰ্য...।
মানৱৰ দুভৰিৰ গচকত চূৰ্ণ-বিচূৰ্ণ হৈছে তোমাৰ
হৃদয় তোমাৰ শৰীৰ।
তথাপি তুমি আজিও আশ্ৰয় দিবলৈ সংকোচ
কৰা নাই সেই নিৰ্দয়ী মানৱ জাতিক...
তুমি হোৱা কালজয়ী....। ■

মহাবিদ্যালয় সপ্তাহৰ আলোচনী বিভাগৰ দ্বাৰা আয়োজিত থিতাতে লিখা কবিতাৰ প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত।

# বৰ্ণালী




মানসজ্যোতি দাস
প্ৰাক্তন সাধাৰণ সম্পাদক


মৃগাৰ মেজেংকাৰী দিব নোৱাৰো তোক,
তথাপিতো দিবিনে তোৰ
হৃদয়ৰ ঠিকনাটি মোক,,, ?
মোৰ হালধীয়া পজাত
কবিতাৰেই গুচাব লাগিব তই পেটৰ ভোক।।
তথাপিও বহুত ভালপাও তোক,
হবিনে তই প্ৰেয়সী মোৰ?
সুধিছো তোক!! ■





# বিষ্ণুৰাভাৰ বৈপ্লৱিক সত্ত্বা




নিকুমণি কলিতা
তৃতীয় ষান্মাসিক


" কিবা যেন নাই আজি নাই
করুণ বিননি হায়! হায়"
জাগিছিল তোমাৰ সূৰ্যদীপ্ত অন্তৰত
বিপ্লৱৰ তীব্ৰ ঢৌ
যাৰ খলকনিত কঁপি উঠিছিল
সমগ্ৰ পৃথিৱী।
সুৰৰ ঝংকাৰেৰে বোৱাইছিলা
নিজ শৰীৰৰ তেজ
নৱজোৱানৰ মঞ্চত,
ক'ৰবাত যেন শিহঁৰিত হৈ উঠিছিল,
বেদনাও.....
তীব্ৰ ৰ'দত চোকা হৈ পৰিছিল সেই বেদনা
বিপ্লৱলৈ....
শুনা গৈছিল শব্দৰ কল্লোলবোৰ
"বিশ্ব বিজয়ে নৱজোৱান
বিশ্ব বিজয় নৱজোৱান"
সময় বালিত আজিও তাৰেই চিন
কেতিয়াবা অনুভৱ হয় মোহময়ী অমৃতৰ
অন্তহীন ধাৰা,
তোমাৰ সুৰৰ মাজেৰেই...
নৱতম যুগেও স্মৰণ কৰিছে, অমৃত লভিছে
সুৰৰ ধ্বনিবোৰৰ মাজেৰেই...
হে বিষ্ণুৰাভা,.. বিপ্লৱ এতিয়াও শেষ হোৱা নাই,
বিচাৰি পাবা ইয়াক আমাৰ মাজত..
আমাৰ সত্বাত।। ■

ৰাভা দিৱস উপলক্ষে আলোচনী বিভাগৰ দ্বাৰা আয়োজিত থিতাতে লিখা কবিতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত।

# অভিনেতা তুমি


কবিতা দাস
তৃতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান


জীৱন নাটৰ অভিনেতা তুমি
নাট মঞ্চ হ'ল এই পৃথিৱীখনি
ঈশ্বৰৰ দ্বাৰা পৰিচালিত
জীৱন নাটৰ মূল নায়ক তুমি।
পৃথিৱীৰ প্ৰতিটো বস্তুৱেই দিব
জীৱন নাটত ৰহণ সানি
এই জীৱন নাটৰ অভিনেতা তুমি।
জীৱনত কেতিয়াও নামানিবা হাৰ
যিমানেই আহক জীৱনত ঘাত-প্ৰতিঘাত,
সংসাৰৰ মোহ-মায়াত পৰি
কেতিয়াও নকৰিবা নিজৰ ব্যক্তিত্বক সলনি।
পৃথিৱীলৈ আহিছা যেতিয়া
গঢ়ি থৈ যোৱা নিজৰ ব্যক্তিত্ব
বনাই থৈ যোৱা নিজৰ অস্তিত্ব।
অভিনেতাৰ সাজ পিন্ধি
ল'বা সবাকো মৰমেৰে জিনি
জীৱন নাটৰ অভিনেতা তুমি। ■

# জয় আই অসম



হান্নান আলী
পঞ্চম ষান্মাসিক, ইংৰাজী বিভাগ



নিদ্ৰা এৰা জাতীয় বীৰ
এতিয়া জাগিবৰ হ'ল,
অসম মাতৃক সেৱা জনাই
আগবাঢ়ি যাওঁ ব'ল।
মাতৃভূমি উঠিছে উচুপি
জ্বলিছে বুকুত অগনি,
পুত্ৰৰ বুকু থকা-সৰকা কৰি
পলাইছে হত্যাকাৰী।
হিয়া ঢাকুৰি মাতৃ কান্দিছে
পুত্ৰৰ নিথৰ মুখনি চাই
তেজেৰে ৰাঙলি হৈ মাতৃৰ পোনাটি
সৰগলে গুচি যায়।।
পৰিবৰ্তনৰ গীত শুনি প্ৰতিশ্ৰুতিৰ আশাত
জাতীয় নায়ক বিচাৰি,
বন্দুকৰ গুলিৰে এতিয়া অসমীয়াৰ বুকু
হ'ল ৰাঙলি-বাঙলি।।
জাগা অসমীয়া লোৱা প্ৰতিজ্ঞা
ৰ'বলৈ নাই ক্ষণ,
হাতত হেংদাং লৈ সকলোৱে আহা
বিদেশী খেদো ব'ল।

খলনায়ক ৰূপী জাতীয় শাসকৰ
শোষণ ৰোধোগৈ ব'ল।
বাজক দবা বাজক শঙ্খ,
বাজক মৃদংগ খোল।
অসমীয়া জাতিক আগুৱাই লৈ
জয় আই অসম বোল...
জয় আই অসম বোল।। ■

# আভিজাত্য



প্ৰিয়াংশু গোস্বামী
পঞ্চম ষান্মাসিক, সংস্কৃত বিভাগ

পাহাৰৰ টিলাটিৰ সিপাৰে হেঙুলীয়া হাঁহিটিৰে
নদীৰ বুকু ৰাঙলী কৰি সূৰুজে বিদায় মাগে...
সন্ধ্যা নামে কংক্ৰিটৰ চহৰলৈ,
ক্ৰমাৎ বাঢ়ি আহে দামী গাড়ীৰ ব্যস্ততা।
আভিজাত্যপূৰ্ণ অট্টালিকাত উজলে
মস্তানি উন্মাদ!
নিশাৰ আন্ধাৰত মাৰ যায় আলিকাষৰ
নিস্তেজ ভোকাতুৰ মুখ;
ষ্ট্ৰীট লাইটৰ পোহৰত জিলিকে
অসহায় চকুলো। ■



# প্ৰতিচ্ছবি



ৰীমা নাথ
পঞ্চম ষান্মাসিক

এখন চিৰপৰিচিত প্ৰতিচ্ছবি
তথাপিও যেন কেতিয়াবা অচিনাকি।
মনত হাজাৰ চেষ্টা
দৃশ্যপটত অৱলোকন কৰা
সেই প্ৰতিচ্ছবি,
আপোনাৰ প্ৰতিচ্ছবি।
দিনৰ কাল্পনিক অনুভূতি
সপোনত বাস্তৱিত হয় ৰাতি।
কিযে মধুময় সপোনৰ সেই সময়,
সপোন ভাঙিলে
বিষাদে আৱৰে।
প্ৰতিপল আমনি কৰে
আপোনাৰ প্ৰতিচ্ছবিয়ে।
আপোনাক আমনি কৰেনে
মোৰ ছবিয়ে......?
হয়তো কেতিয়াও নকৰে
হয়তো কেতিয়াও নকৰে!
বিচাৰো মই মনৰ কথা ক'বলৈ
হ'বনে সময়, আপোনাৰ শুনিবলৈ?
হৃদয়ত স্থান দিছে আপুনি ৰাধাক,
নাজানো কিয় বিচাৰো মই আপোনাক।
বহুকথা জনিছিলো আপোনাৰ পৰা
বহুকথা শিকিছিলো আপোনাৰ পৰা।
আজি আকৌ শিকিলোঁ এটা নতুন কথা
আপোনাৰ নামৰ অৰ্থৰ কথা
শ্ৰীকৃষ্ণৰ আন এটা নাম;
আপোনাৰ নাম "......"।
এখন চিৰপৰিচিত প্ৰতিচ্ছবি
আপোনাৰ প্ৰতিচ্ছবি,
আমনি কৰেহি ৰাতি
আমনি কৰেহি ৰাতি। ■

# উতলা ফাগুন





শুভম দাস
প্ৰথম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

ফাগুনৰ চঞ্চল পছোৱাই
গছৰ পাত সৰুৱাই
দিয়ে আগলি বতৰা
ব'হাগ আহি পৰা
ফাগুনৰ পছোৱাই
বিলৰ পাৰৰ কহুৱা
হালি-জালি নচুৱাই
কণ কণ কণা নিয়ে উৰুৱাই।
বছৰৰ শেষত মাহ চ'ত
শেষ হয় ঋতু শীত,
সুমধুৰ কুলিয়ে গাবলৈ ধৰে
শুৱলা বসন্তৰ গীত। ■



# জন্মদিন




ডেইজী পাঠক
পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ


তোৰ আজি জন্মদিন ওঁ বৰ-মইনা
তই বাৰু ভালে আছানে?
শহুৰৰ ঘৰত নে ভাড়া ঘৰত
জানিবলৈ বৰ মন গৈছে।
কেক্‌টো কোনে আনিলে, বোৱাৰী নে তই!
বোধহয় শহুৰৰ ঘৰতে কেক কাটিবি?
পিছে কোনে কাটিব কেক্, মাকে নে জীয়েকে?
মোলৈ এবাৰ মনত পেলাবিচোন,
মোক ইয়াত থৈ যোৱাৰ ভালেমান দিন হ'ল
তই দেখোন এবাৰো নাহিলি?
ৰাতি মহবোৰে কামুৰিলে তোলৈ..
বৰকৈ মনত পৰে।
কাৰণ তই সৰু থাকোতে উজাগৰী নিশা
তোৰ গাত মহ পৰিবলৈ দিয়া নাছিলো।
কথাবিলাক ভাবি তোলৈ বৰ মনত পৰে।
জান আৰু জুৰি ভালে আছেনে?
সিঁহতক চাবৰ মোৰ মন যায় ও
দুয়োৰো চাগে বৰ আনন্দ
আজি তোৰ জন্মদিন।
তোৰ নামটো দেউতাৰাই সাগৰ ৰাখিছিল,
মৰমতে তোক মাতিছিলো বৰ-মইনা বুলি;
চকু ৰাখিবি, জান আৰু জুৰিলৈ
সিহঁতে যাতে কোনো দিনেই সাগৰত পৰিণত নহয়।
শেষবাৰৰ কাৰণে তোক ক'লো
আজি তোৰ জন্মদিন। ■

# সৃষ্টি




প্ৰকাশ বৰ্মণ
পঞ্চম ষান্মাসিক, সংস্কৃত বিভাগ




শঙ্খৰ ধ্বনিৰে জাগ্ৰত জনতাৰ
স্পন্দিত কৰা অনন্ত পূজাৰী তুমি
মাতৃৰ বুকুত জিলিকাই তোমা
বিশ্ব প্ৰতীক তেজৰ চেঁকুৰা তুমি
নটৰাজৰ নৃত্যত কম্পিত হো
ৰাগৰ আধাৰ শব্দ শক্তি তুমি
নতুনত্বৰ টৌ জাগ্ৰত প্ৰহৰী
কাঞ্চনজংঘা তুমি
ত্ৰিৱেণী সংগম সমাজ সংস্কাৰক
পাপ বিনাশক সৃষ্টিৰ শলিতা তুমি
ধ্বংসৰ মাজতো পুলকিত হো
ব্যক্ত ৰূপ সৃষ্টি তুমি
প্ৰকৃতি তুমি, পুৰুষ তুমি
লয় তুমি, সৃষ্টি তুমি।। ■





# মোৰ মিছলীয়া মনৰ দুখৰ অনুভূতি




মিৰ্জানুৰ ৰহমান
পঞ্চম ষান্মাসিক, দৰ্শন বিভাগ


নাজানো আৰু কিমান দিন মই এনেকৈ থাকিম!!
কিমান দিন মিছা কথা কৈ-কৈ নিজকে হাহাকাৰ কৰি ৰাখিম।
মোৰ কলিজাটো শিলৰ টুকুৰাটো নহয়,
তাৰো অনুভূতি আছে।
প্ৰতিটো মিছা কথাৰ অনুভূতিয়ে কলিজাত বৈ
থকা তেজৰ স্পন্দনত ফিৰিঙটি জ্বলাই তোলে।
নাজানো সৰুৰ পৰাই মই বৰ মিছলীয়া।
নিজকে বৰকৈ ফাঁকি দিয়ো।
কেতিয়াবা শৰীৰটোত লুকাই থকা কলিজাটিও
কয়,- "ঐ মিৰ্জা তই সলনি হ!"
এই স্বভাৱটোৰ কাৰণে মই সকলৰে প্ৰিয়,
তাৰ বাবেই হয়তো আজিওঁ মই মিছা কথা কৈ ফুৰো।
আৰু আজি; আজি হয়তো তুমি উপলব্ধি
কৰিছা মই তেনেকুৱা বুলি।
তুমিতো মুকুল আকাশ ভাল পোৱা,
তুমিতো তোমাৰ কলিজাটিৰে কল্পনা কৰি ভালপোৱা।
তুমি ভাবিছিলা আমি দুয়ো মিলি আকাশত এখন
সপোনৰ ঘৰ সাজিম।
কিন্তু মইতো ভাল পাওঁ আকাশৰ সেই ডাৱৰবোৰ,
আৰু তুমি আকাশত সজা সেই ঘৰখন মিছা কথা
কৈ কৈ মই ডাৱৰেৰে মছি পেলালোঁ।
কোনোবা কবিয়ে কৈছিল চকুজুৰি মনৰ দাপোণ,
হয়টো তোমাৰ সেই দাপোণত আজি মোৰ মিছলীয়া
স্বভাৱটো প্ৰতিফলিত হৈছে।
হৃদয়ত এক বিষাদ ভৰা হাহাকাৰ লৈ ক'ত লুকাওঁ?
হেজাৰ প্ৰতিজ্ঞা কৰিলো তোমাক আৰু মিছা কথা
নকওঁ, কিন্তু নাই নোৱাৰিলোঁ।
শেষত তুমিয়েই মোক এৰি গ'লা।।
তুমি এৰি যোৱাৰ বাবে মই পাগল হোৱা নাই,
মাত্ৰ জীয়াই থাকিবলৈ অলপ কষ্ট হৈছে।
মোৰেই দোষ অ' মিছা কথা কৈ আজি
তোমাক হেৰুৱালোঁ।
সঁচা ভালপোৱাক অপমান কৰিলোঁ।
তুমি দেখোন জানাই মই বৰ অভিনয় কৰোঁ।
তথাপিওঁ নুবুজিলা।
মিছলীয়া হ'ব পাৰোঁ, দুখৰ অনুভূতি তোমাৰেই
নহয়, মোৰো আছে।।
হয়তো তুমিও বুজিছিলা পৰিস্থিতিয়ে মোক
মিছলীয়া কৰা বুলি।।
স্মৃতিবোৰ সুঁৱৰি দুচকুৰ কোণ দুটি সেমেকি উঠে।
কোনেও নেদেখাকৈ মনে মনে মছি লওঁ।
আৰু নিজকে দৃঢ় কৰি লওঁ।
তোমাক নাপালেতো মই মৰিব নোৱাৰোঁ!
মোক ভাল পাবলৈ তুমি নহলেওঁতো
আই-পিতাই হাল আছে।
তোমাৰ দৰেই এতিয়া ময়ো শিকিছোঁ তুমি বিহীন
জীৱনটিক আগুৱাই নিবলে।। ■

# অসমীয়া নহয় উন্মাদ হত্যাকাৰী




ত্ৰিদীপ চৌধুৰী

তৃতীয় যান্মাসিক


অসম,
শান্তি সমন্বয়ৰ তীৰ্থস্থান

অসম নহয়
আতংকৰ আন এটি নাম,
মোৰ দৃষ্টিত,
মোৰ দৰেই
তুমিও
অসমী আইৰেই সন্তান।
তথাপিও কিয়
আইক
হত্যাকাৰী সজোৱা।
অসমীয়া
নহয় উন্মাদ হত্যাকাৰী,
কিম্বা
নহয় হিন্দু-মুছলিম বিৰোধী
'অসমীয়া' মানৱতাৰেই
আন এটি নাম....। ■



# প্ৰেমৰ শলিতা




ছায়াশ্ৰী না

পঞ্চম যান্মাসিক, অসমীয়া বিভাগ


বৃথা স্মৰণৰ
  মিছা ভাৱনাই
মোক আৱৰি ধৰে
  মৰীচিকা দেখি।
মনত পৰেনে তোমাৰ
  সেই নিশাৰ কথাবোৰলৈ
মই, তোমাৰ কোমল বুকুত
  মূৰ থৈ কান্দিছিলোঁ।
আৰু, তুমি মোক কৈছিলা
  তোমাৰ জীৱনৰ পৰা
এন্ধাৰ আঁতৰাই
  নিজমকৈ আঁকিম
প্ৰেমৰ শলিতা,
  মোৰ মনত, জিলিকি
উঠিছিল অবুজ বেদনা
  আৰু মইয়ো কৈছিলোঁ
মই প্ৰেমত,
  পৰিলো তোমাৰ...।। ■





# তুমি শিল্পী




পৰশমণি কলিতা

পঞ্চম যান্মাসিক, দৰ্শন বিভাগ


লুইতৰ পাৰৰ তুমি লুইতকণ্ঠ
অদ্বিতীয় কণ্ঠেৰে হ'লা অসম ৰত্ন।
দেশে-বিদেশে ভাঁহি উঠে অনুৰাগীৰ ধ্বনি
জুবিন-জুবিন মাথোঁ জুবিন।।
'মায়াবিনী ৰাতিৰ বুকুত'....
তুমি যেতিয়া প্ৰেয়সীক সুঁৱৰা
আপোন পাহৰোঁ আমি তোমাৰ সুৰত,
উৎসাহৰ বৰষুণ নামে আমাৰ হৃদয়ত।।
কোনোবা প্ৰেমিকৰ হৃদয় খহিছে,
মোবাইলত হেড্‌ফোন লগাই লৈছে
উদং উদং বুকুখনি শাঁত পৰি যোৱাকৈ
তোমাৰ গীত বাজিছে,
জীয়াই থকাৰ প্ৰেৰণাত তোমাকেই সুঁৱৰিছে।
শৰৎৰ সন্ধিয়াটিও বসন্ত যেন লাগে,
যেতিয়া তোমাৰ কণ্ঠত 'ঐ নাহৰ' বুলি শব্দ তৰংগ কঁপে!!
বিশাল আকাশত মেঘে চিঞৰ মাৰে,
টোপ্ টোপ্ টোপালেৰে বৰষুণ নামে।।
নাই কোনো দ্বিতীয় পুৰুষ তোমাৰ তুলনাৰ,
শিল্পী, কবি, গীতিকাৰ, সুৰকাৰ......
তুমি এটুকুৰা হীৰা অসমীয়াৰ।।
মৰহি যোৱা অসমী আইৰ পৰিচয়,
শিল্পী সত্তাৰে ৰাখিলা তুমি,
জিউ যোৱা অসমীয়া চলচ্চিত্ৰ
ছবিঘৰলৈ উভতাই আনিলা আজি।।
দুখীয়াৰ দুখত তুমি সমভাগী হোৱা,
নিজৰ জোলোঙা উদং কৰি সকলো দান দিয়া।
তুমিয়েই অসমীয়াৰ প্ৰাণ দাদা,
তুমিয়েই অসমীৰ মান।।
তুমি অবিহনে নাপাব অসমীয়াই
স্বাধীন অসমীৰ ঘ্ৰাণ।।
ইফালে-সিফালে জনতাৰ কান্দোন
বানে উটুৱাই নিয়ে ঘৰ-বাৰী,
কালৈকো আশা নকৰি তুমি,
মহান মানৱতাৰে হ'লা ৰাজপথৰ ভিক্ষাৰী।।
অসমী আই কান্দে দূৰ্নীতিৰ বোকাত,
তুমিয়েই চিঞঁৰা দাদা সকলতকৈ আগত।
থমকি ৰয় শোষক কিম্বা ভ্ৰষ্টাচাৰ,
তুমিয়ে কোৱা অসম মাতৃক লৈ নচলিব বেহা-বেপাৰ।।
কলিযুগৰ মহাপুৰুষ তুমি উদাৰ মানৱ।
নাই কেউলৈ হিংসাভাব তোমাৰ সুৰত,
মায়াৰে মোহিত কৰিলা তুমি জনতাৰ মনক।
নিজ পথৰ পথিক তুমি নাই কেউলৈ আপোচ,
যি কোৱা সঁচা কোৱা নাৰাখা একো পেটত।
ইফালে-ইফালে চলে শোষকৰ লুণ্ঠন,
সেইবোৰ দেখুৱাই দিলে তুমি হোৱা বিতৰ্কিত লোকজন।
অনুৰাগীৰ বুকুৰ তুমি এটুকুৰা ৰঙা কলিজা,
নদী হৈ বৈ থকা সদায় অসমী আইৰ দলিচাত।
সুৰৰ সুবাস বিলোৱা তুমি ৰজনীগন্ধা।
অসমী আইৰ বুকুত থকা সদায় হৈ কাঞ্চনজংঘা। ■

সপোনত সঁজা ঘৰ সপোনতে ভাঙি থাকিল
তুমি অবিহনে।
প্ৰেম, বিশ্বাস ভালপোৱা
সঁচাকৈ এইবোৰ যন্ত্ৰণাৰ টোপাল
সঁচাকৈ আজি মই অনুভৱ কৰিছোঁ,
তোমাৰ অবিহনে এইবোৰ
নিৰস যন্ত্ৰণা যেন লগা। ■



# তুমি অবিহনে



স্মৃতিলেখা দাস
প্ৰথম ষাণ্মাসিক

পোহৰৰ পৃথিৱীত জীয়াই আছো মই
তথাপিওঁ অনুভৱ হয় অন্ধকাৰ জীৱন
বহু প্ৰতীক্ষাৰ অন্তত
হেজাৰ ঘাত-প্ৰতিঘাত নেওচি
অৱশেষত লগ পাইছিলো তোমাক
কিন্তু আজি হৈ পৰিছে মৰুভূমিৰ মৰুদ্যান
তোমাক মই কি দিম?
*এটোপাল চকুপানী, এখন ভগ্ন হৃদয়!*
তোমাক দিবলৈ মোৰ একোৱে নাই
মাথোঁ আছে বিষাদেৰে ভৰা শৰীৰ।
*যন্ত্ৰণাকাতৰ মোৰ শৰীৰ*
*ভাঙি পৰিলো আজি মই।*
*কিয় মই জীয়াই আছো*
মোৰতো ইয়াত একোৱে নাই
আছে মাথোঁ বাস্তৱ মৰহি যোৱা সপোন।



# জীৱন



নমিতা দেৱী
প্ৰথম ষাণ্মাসিক

জীৱন মাথোঁ বোঁৱতী নৈ
মাথোঁ বৈয়ে থাকে,
সময়ৰ গতিত জীৱনে হাৰ মানে
কেতিয়াবা পোৱাবোৰ হেৰাই যায়
আৰু নোপোৱাবোৰ মাথোঁ সপোন
হৈ ৰৈ যায়, বহুতো ঘাত-প্ৰতিঘাতৰ
মাজেৰে পাৰ হয় এই জীৱন।
জীৱনে শিকাই মাথোঁ এটা কথা
কেতিয়াওঁ কাৰোপৰা আশা নকৰিবা।
সুখ-দুখবোৰেই মানুহৰ জীৱন
জীৱনৰ প্ৰতিটো পলত সুখ-দুখবোৰ
সহ্য কৰি জীয়াই থকাটোৱে জীৱন,
জীৱনৰ প্ৰতিটো পথত কাঁইট থাকে
জীৱন হ'ল মাথোঁ এজাক ধুমুহা। ■







# কালজয়ী উপন্যাস 'অনুৰাধাৰ দেশ'ৰ স্ৰষ্টা বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ সৈতে সাক্ষাৎকাৰ

১। আপুনি এজন বিজ্ঞানৰ ছাত্ৰ হৈ সাহিত্যৰ ফালে ধাৱমান হোৱাৰ ৰহস্যটো ক'ব নেকি?

◆ বিজ্ঞান কি বস্তু সেই কথা জনাৰ আগতেই মোৰ সাহিত্য চৰ্চা আৰম্ভ হৈছিল। চতুৰ্থ-পঞ্চম মান শ্ৰেণীত বিজ্ঞান কি ধাৰণা নাছিল, কিন্তু তেতিয়াই দৈনিক কাকতৰ অকণিৰ চ'ৰাত মোৰ গদ্য-পদ্য প্ৰকাশ পাইছিল। 'বিজ্ঞানৰ ছাত্ৰ' মোৰ আনুষ্ঠানিক শিক্ষাৰ বাবে অহা এটা অভিধাহে ঃ সাহিত্য চৰ্চা মোৰ এক স্বাভাৱিক মানসিক প্ৰৱণতা। মই ক'লৈকো ধাৱমান হোৱা নাই। মোৰ স্বাভাৱিক প্ৰৱণতাতেই আছোঁ।

২। আপোনাৰ ৰচনাৰ (সাহিত্যৰ) মাজত সততেই কালদিয়া নৈৰ উল্লেখ পোৱা যায় এই সম্পৰ্কে আপোনাৰ অভিমত কি?

◆ শৈশৱৰ পৰা কালদিয়া আমাৰ হৃদয়ৰ মাজেৰে বৈ থকা নদী। আমাৰ সত্তাৰ এক অংশ। আমাৰ শৈশৱ-কৈশোৰৰ সকলো ৰোমাঞ্চ, আনন্দ, কাজিয়া, বিৱৰ্ত্তন— এই সকলোবোৰ সংঘটিত হৈছিল কালদিয়াকে কেন্দ্ৰ কৰি। কালদিয়াই শিকাইছিল জীৱন-মৃত্যু-যৌৱনৰ নাট।

৩। সাম্প্ৰতিক সময়ত ঘটনাৰাজিৰ বিষয়সমূহ আপুনি প্ৰায় ৩০ বছৰ আগতেই আপোনাৰ এখন বিখ্যাত গ্ৰন্থ 'অনুৰাধাৰ দেশ'ত উল্লেখ কৰিছে। এনেকুৱা ভাববিলাক কেনেদৰে আহিছিল অলপ ক'ব নেকি?

◆ সমুদ্ৰৰ এক ৰহস্যময় শক্তি আছে। ই মানুহক উদাৰতা, বিশালতা আৰু দিগন্তৰ সিপাৰে কি আছে চোৱাৰ বাবে প্ৰৰোচিত কৰে। মাজ সাগৰত থাকিলে ভাব হয় মানুহৰ কোনো দেশ নাই, সমগ্ৰ পৃথিৱীয়েই মানুহৰ দেশ। মোৰ সকলো লেখায়েই দূৰ ভৱিষ্যতৰ প্ৰতি এক মঙ্গলকামী দৃষ্টিৰে প্ৰভাৱান্বিত।

৪। 'অনুৰাধাৰ দেশ'ৰ কালজয়ী সৃষ্টি আকৌ এনেকুৱা সাহিত্যৰ পৰিকল্পনা আছে নেকি?

◆ পৰিকল্পনাতো বহুতেই থাকে। আমাৰ অঞ্চলক লৈ এখন উপন্যাস লিখাৰ পৰিকল্পনা আছে। আমাৰ জীৱনকালৰ অসমখনক লৈ এখন বিশাল উপন্যাস লিখিবলৈ মন যায়। চাওঁ কি হয়! মই পৰিকল্পনাতকৈও মনৰ তাড়নাত কলম ধৰা লেখক। তাড়নাই কলমটো স্থিৰ বিন্দুত থকাত বাধা দিয়ে। অস্থিৰ হৈ থাকে।

৫। বৰ্তমান সময়ত অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত সৃষ্টিশীল সাহিত্যই কিদৰে অগ্ৰগতি লাভ কৰিছে?

◆ যুৱ-প্ৰজন্মই বিশেষকৈ সৃজনশীল সাহিত্যৰ ক্ষেত্ৰখনত বেচ ভাল কৰি আছে বুলিয়েই মই পতিয়ন গৈছোঁ। অতি উৎকৃষ্ট মানৰ গল্প প্ৰকাশ হৈ আছে। কবিতা লেখাৰ প্ৰতিও লোক আগ্ৰহী হৈছে পূৰ্বতকৈ অধিক। ছপা কাম সহজসাধ্য হোৱা বাবে পূৰ্বতকৈ অধিক গ্ৰন্থ প্ৰকাশ পাইছে, কাকত-আলোচনীতো গল্প-কবিতা প্ৰকাশ কৰাটো সহজ হৈ পৰিছে। এনে আধিক্যৰ সময়ত সকলো সৃষ্টি উচ্চ মানদণ্ডৰ হ'ব বুলি আশা কৰিব নোৱাৰি, কিন্তু নিশ্চিতভাৱে কিছু ভাল সৃষ্টি হৈছে। প্ৰচাৰতকৈ সাধনাত অতি মনোনিৱেশ কৰিলে

সৃষ্টিশীল সাহিত্যই আৰু অধিক অগ্ৰগতি লাভ কৰিব বুলি ক'ব পাৰি; কাৰণ প্ৰতিভাৰ অভাৱ মই দেখা নাই; দেখিছো একাগ্ৰতাৰহে অভাৱ।

৬। বৰ্তমান নৱ প্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়নৰ উদাসীনতা কিয় দেখিবলৈ পোৱা যায়? এই সম্পৰ্কে আপুনি কি ভাবে?

◆ নৱ-প্ৰজন্মৰ তাৰ কাৰণে দোষ দিম কেনেকৈ? পূৰ্বতকৈ আজিৰ নৱ-প্ৰজন্মৰ প্ৰতিটো দিন অধিক ব্যস্ততাপূৰ্ণ। পূৰ্বৰ সেই অফুৰন্ত সময়ৰ সৰল-বৈখিক জীৱনৰ পৰা আমি আঁতৰি আহিলো। মনোৰঞ্জনেই হওঁক বা জ্ঞানেই হওঁক; সেয়া লাভ কৰাৰ অলেখ উৎস আজি তেওঁলোকৰ সন্মুখত। সময়ে আনি দিয়া বিভিন্ন সুযোগ আৰু সংগ্ৰামেও তেওঁলোকৰ বহু সময় কাঢ়ি লৈ যায়। ডিজিটেল মাধ্যম, চ'চিয়েল মিডিয়াৰ চাপ আছেই। সেই সকলোবোৰৰ মাজত এক সমতা ৰক্ষা কৰি চলিব লাগিব। এই ভিন্নমুখী চাপৰ বাবে গ্ৰন্থ অধ্যয়নে পূৰ্বৰ দৰে গুৰুত্ব নাপালে মই আচৰিত নহওঁ।

৭। সাম্প্ৰতিক সময়ত যুৱ-প্ৰজন্মৰ মাজত ৰুচিবোধৰ ক্ষেত্ৰত পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱ বৃদ্ধি পোৱাৰ কাৰণ কি বুলি আপুনি ভাবে?

